বিসৰ্জ্জন

শ্ৰীললিতচন্দ্ৰ বৰা

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী • অসম

BISARJAN—a collection of short stories in Assamese by Sri Lalit Chandra Bora, Professor, Assam Agricultural College, Jorhat, and published by Lawyer's Book Stall, Gauhati, Assam. May 1965.

প্ৰকাশক আৰু পৰিবেশক :
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্ত বৰুৱা
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰথম প্ৰকাশ : ১৯৬৫

মূল্য : ২·২৫ পঃ

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

কৰলগীয়া

লিখকৰ পূৰ্ব্বে প্ৰকাশিত আৰু অপ্ৰকাশিত নটা আধুনিক চুটিগল্পৰ সমষ্টিয়েই এই 'বিসৰ্জ্জন'। এই গল্পবোৰৰ কিছুমানৰ পটভূমি দেশী—আৰু দুটা গল্পৰ পটভূমি বিদেশী। লিখকে বিদেশ ভ্ৰমণ কালত উপলব্ধি কৰা অভিজ্ঞতাত 'অনামিকাৰ আঙঠি' আৰু 'এটা বন্দুক, অলপ প্ৰেম' এই দুটা গল্প লিখে। ইয়াৰ ভিতৰত দ্বিতীয় গল্পটো লিখকৰ 'জনম-ভূমি'ত প্ৰকাশিত 'এটা বন্দুক, অলপ চকুলো' গল্পটোৰেই নামান্তৰ। পাঠকৰ মনৰ খু-দুৱনি গুচাবৰ কাৰণেই কওঁ, ইয়াত প্ৰকাশিত 'প্ৰথম প্ৰেম' গল্পটো 'মণিদীপ'ত 'চিনাকী ছোৱালী' গল্পটোৰে সৈতে প্ৰায় একে। মাথোন 'প্ৰথম প্ৰেম'ত, 'চিনাকী ছোৱালী'ৰ কিছু কথা বাদ দিছোঁ। ৰাইজক সবিনয়ে কওঁ, কিতাপ হিচাবে ই মোৰ প্ৰথম প্ৰকাশ। গতিকে, 'ন-তে ন-বুৰি' দোষ-ত্ৰুটি থাকিলেও —পুৰণি হলে সেই ভুলৰ মাত্ৰা 'ছ-বুৰি'লৈ নমাম বুলি ভাবিছোঁ। ইয়াত প্ৰকাশিত সকলোবোৰ চৰিত্ৰই মনে গঢ়া।

এই কিতাপ প্ৰণয়নত মোৰ সম্বন্ধীয়া, চিনাকী, বন্ধু আদি বহুতেই—পাণ্ডুলিপি কপি কৰি—আৰু উৎসাহ দিছে। থুপতেই সকলোৰে আন্তৰিক শলাগ লৈছোঁ।

অৱশেষত 'অভিশপ্ত চম্বল'ৰ সু-অনুবাদক লেখক সাহিত্যিক শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা দেৱৰ লগত চিঠি-যোগে মোৰ পাৰচয় ঘটে, আৰু, কথা-প্ৰসঙ্গত তেখেতে মোৰ এই 'গল্প-সংগ্ৰহ' প্ৰকাশ কৰিব বুলি জনায়। তেখেতলৈ আৰু 'লয়াছ´ বুক ষ্টল'লৈ এইবাৰে মোৰ কৃতজ্ঞতা অকৃত্ৰিম হৈ ৰব। ইতি—

অসম কৃষি কলেজ
পোঃ অফঃ বৰভেটা
যোৰহাট
জানুৱাৰী, ১৯৬৫

শ্ৰীললিতচন্দ্ৰ বৰা

সূচীপত্ৰ

বিষয়	পৃষ্ঠা
অনামিকাৰ আঙঠি	১
গল্পৰ জন্ম	৭
দামোদৰ	১৬
প্ৰথম প্ৰেম	২৩
বিসৰ্জ্জন	৩২
হাড়গুচি	৪১
বন্ধন	৫১
এটা বন্দুক, অলপ প্ৰেম	৬১
মাছৰ কাঁইট	৭৬

অনামিকাৰ আঙুঠি

আমেৰিকা যুক্তৰাজ্যৰ মনোমোহা উপত্যকা 'ওজাৰাক'ৰ সৌন্দৰ্য্য, মিচিচিপি উপত্যকাৰ বিস্তীৰ্ণ সেউজীয়া অঞ্চলৰ বিতোপন সৌন্দৰ্য্যই বাটে বাটে মোৰ চকু জুৰ কৰিহে গৈছিল। 'আমেৰিকান হাইওৱে'ৰ ওপৰেদি ঢাপলি মেলি যোৱা 'গ্ৰে হাউণ্ড্' বাচে 'ষ্টেট'ৰ পিছত 'ষ্টেট' পাৰ কৰি মোক আৰু আন সহযাত্ৰীক লৈ যেন কাঁড় যোৱাদি উৰিহে গৈছিল।...লাহে লাহে আমি দক্ষিণৰ ফালে আগবাঢ়িব ধৰিলোঁ। দক্ষিণৰ 'টেক্সাচ' পোৱাৰ লগে লগেই জল-বায়ুও যেন উষ্ণতৰ হৈ আহিল। 'বাচ' গৈ ৰ'লগৈ—'ডালাচ' নগৰীৰ মটৰ ষ্টেচনত। তাৰ পিছত আকৌ—'কলেজ ষ্টেচন, টেক্সাচ'।......আকৌ যাত্ৰাৰ আৰম্ভ। মধ্য আমেৰিকাৰ সেউজীয়া সৌন্দৰ্য্যই ক'ত বাৰু মুখ লুকুৱালে? বাচে আমাক নি যেতিয়া 'এৰিজোনা ষ্টেট' পোৱালেগৈ, মৰুভূমিৰ বালিৰ মাজত, 'কেক্‌টাছ' জাতীয় জোপোহা বিলাকে মাজে মাজে মোৰ অতীতৰ সেউজীয়া সপোন যেন শুকানহে কৰিলে।....;ঘণ্টাত ৬০।৭০ মাইল বেগত যোৱা বাচখনে ঘণ্টাৰ পিছত ঘণ্টা ধৰি আগবঢ়াৰ পৰাই অনুমান কৰিছিলোঁ—শ শ মাইল মৰুপথৰ যেন অন্তই নহৰ।...বালিৰ পাহাৰ...অলপীয়া মৰুময় খেতি-বাতি—আৰু কিবাকিবি জোপোহা গছ নে কেক্‌টাছৰ অৰণ্য......এখন বাচ......এটা 'হাইওৱে'...... আৰু কিছুমান মানুহ।

এনেতে, বাহিৰত এটা হৌ...হো...শব্দ হবলৈ ধৰিলে। মোৰ কাষতে বহি থকা সহযাত্ৰী মহিলা গৰাকীয়ে কলে, "সাৱধান এইবাৰ বন্ধু......বালিৰ ধুমুহা......"

বালিৰ ধুমুহা আৰু চলন্ত বাচৰ শব্দৰ বাহিৰে আমাৰ বাচ-যাত্ৰীৰ যেন আৰু আন কোনো সঙ্গী নাছিল।

এনেতে, মাইক্ৰফ'নটো হাতত লৈ ড্ৰাইভাৰজনে কলে, "বালিৰ ধুমুহা······ভয় নাখাব······এইবোৰ এই অঞ্চলত ঘটি থকা সাধাৰণ ঘটনা······মই বাচ চলাব পাৰিম।"

বাচখন লাহে লাহে চলিবলৈ ধৰিলে।

বতাহৰ কোবত আৰু উৰণীয়া 'বালি-ধূলিৰ কুঁৱলী'ত দিনতেই ৰাতিৰ দৰে এন্ধাৰ হ'ল।······বাচৰ 'হে'ড-লাইট' প্ৰমুখ্যে সকলো-বোৰ লাইট জ্বলি উঠিল। তথাপিও, বাচখন আগবাঢ়িব নোৱাৰাৰ দৰে হ'ল। আৰু, অলপ গৈয়েই থমকি ৰৈ যাবলৈ বাধ্য হ'ল। কাৰণ, সমুখৰ ৰাজপথটো যে ধূলিৰ কুঁৱলীত লুকাই পৰিল।

মোৰ সঁচাকৈয়ে ভয় লাগিছিল এই আচহুৱা পৰিস্থিতিত। কাৰণ, মুহূৰ্ত্তে মুহূৰ্ত্তে বতাহে বাচখন লুটিয়াই দিয়া, নাইবা উৰুৱাই নিয়া যেন হে লাগিছিল। ভাবিছিলোঁ, আহিলোঁ, গ্ৰেণ্ড্-কেনিয়ন' চাবলৈ আৰু, এতিয়া 'এৰিজনা'ৰ মৰুভূমি প্ৰান্তৰতেই হয়তো চিৰদিনলৈ হেৰাই ··ম—কোনেও গম নোপোৱাকৈ।—

আমেৰিকান ··যাত্ৰীসকল সাহসী আছিল। তেওঁলোকৰ কাৰো মনত শঙ্কা ··উদ্বিগ্নতাৰ চিন নাছিল। বৰং, ড্ৰাইভাৰ জনে মাজে মাজে ··ৰমলীয়া কথা কৈ যাত্ৰীবোৰক ইঁহুৱাইহে গৈছিল। এনে অৱস্থাত ভাবিছিলোঁ, বিদেশী হলেও মই মোৰ মৃত্যু-ভীতিৰ উদ্বিগ্নতা বা চিন তেখেতসকলক দেখুওৱা মানে কাপুৰুষতাকে বৰণ কৰা। ওহোঁ! মই মোৰ স্বদেশৰ সম্মানৰ খাতিৰত এইটো কেতিয়াও হবলৈ দিব নোৱাৰোঁ।

'······তিয়া বালি-বতাহৰ হোঁ-হোৱনিৰ কোব বেচিকৈহে চৰিছিল।

এইবাৰ সেই বাচৰ সহযাত্ৰী মহিলা গৰাকী মোৰ কাষ চাপি বহিল. আৰু সৰুকৈ কলে, "এইবাৰ মোৰ হে ভয় লাগিছে"।

হয়তো অলপ ভয়তেই তেওঁ মোৰ কান্ধ এখনৰ ওপৰত হাতখন থলে।

মোক এই 'প্ৰথম' তেওঁ স্পৰ্শ কৰিলে।

মোৰ গাত কিবা শিহৰণ জাগি উঠিল।

জীৱনত এইবাৰহে যেন 'মধুৰ আৰু প্ৰলয়' ৰসৰ সংমিশ্ৰণ।

……আমি বোধহয় এতিয়ালৈকে দুজন বন্ধু সহযাত্ৰী হিচাবেহে আগবাঢ়ি আছিলোঁ।—

* * *

মহিলা গৰাকীৰ বয়স ২১।২২ হব। অপৰূপ নহলেও সুন্দৰী। মুখখন আৰু থুতৰিটো ধৰ্ম্মযাজকৰ থুতৰিৰ দৰে ধুনীয়াকৈ দীঘলীয়া। তেওঁৰ চকুহালত আছিল যেন 'এচামুচ' সাগৰৰ নীলা—আৰু মুগা বৰণীয়া চুলিখিনিত কিবা যেন আবেলি আবেলি গোন্ধ।

আমাৰ বাচখন কোনোৰকম মন্থৰ গতিত আগ বাঢ়িছিল।

ৰতাহ অলপহে কমিছিল · ···।

মহিলা গৰাকীক প্ৰথম মৰ়েই সুধিলোঁ, "'মাৰ নাম কি সুধিব পাৰোঁ নে?"

"নিশ্চয়···নিশ্চয়···মিছেচ্ ব্ৰাউন।··· না!' ভুল কৰিছোঁ। 'মোক মিচ্ ব্ৰেণী বুলিহে মাতিবা।"

"এইবোৰ কি কথা?"

"পিছত কম। ৰ'বা, তুমি দেখোন ভাৰতীয়। তোমাৰ নাম জানিব পাৰো নে?"

"মিঃ মাণিকচন্দ্ৰ মাঝি"······মই কলোঁ।

"মই তোমাক 'মাগি' বুলিহে মাতিম। 'মাঝিটো' মোৰ চোন্ কিবা জিভাত মুঘূৰে।"

"ঔ আই। সেইটোনো কি ডাঙৰ কথা? তোমাৰ যি বুলি মাতিবৰ মন যায়—তেনেদৰেই মাতিবা।"

"ৰ'বা, তোমাক সুধিবলৈ পাহৰিছিলোঁৱেই। তুমি নো কোনখিনি পাবাগৈ ?"

উত্তৰত জনালোঁ যে 'গ্ৰেণ্ড্-কেনিয়ন'ৰ অপৰূপ সৌন্দৰ্য্য পান কৰাই মোৰ ইচ্ছা।……তাত, এদিন থাকি—নয়ন ভৰি সৰুৰে পৰাই ভূগোলত পঢ়া আমেৰিকাৰ বিখ্যাত 'কেনিয়ন' স্বচক্ষে চাই উভতিম।"

"মোৰো গন্তব্যস্থান—'গ্ৰেণ্ড্-কেনিয়ণ'—তাতো মাত্ৰ এখন্তেকৰ প্ৰগ্ৰেম……"—তেওঁ কলে।

সৌভাগ্যক্ৰমে, তেতিয়া বতাহ কমিছিল। আৰু, বাচৰ গতিবেগো অলপ চৰিছিল। আনন্দতেই, কেইজনমান বাচ-যাত্ৰীয়ে সুঁহুৰিয়াইছিল, আৰু চিগাৰেট হুপিছিল।……

"মিচ্ ব্ৰেণী, তেনেহলে আমি সহযাত্ৰী",—মই কলোঁ।

দে

মে

মোৰ সহযাত্ৰীগৰাকীয়ে মোৰ মনটোও তেনেই তোলপাৰ লগাই দিলে। বিশেষকৈ এই সৌন্দৰ্য্য উপলব্ধিৰ লগত অলপ কৌতূহলো মিহলি আছিল।

তেওঁৰ আচল নাম হেনো 'মিছেচ্ ব্ৰাউন'…আৰু মোক মাতিবলৈ দিছে 'মিচ্ ব্ৰেণী' বা 'ব্ৰেণী' বুলি।

এইগৰাকী মহিলা কি অদ্‌ভূত ছোৱালী!

তেওঁ ছোৱালীয়েই হব—মহিলা নহয়।…তেওঁ জানো বিবাহিতা? তেওঁৰ বয়স খুব বেচি—একৈশ বা বাইছ।…

* * *

আমাৰ 'গ্ৰে হাউণ্ড্' বাচখন এটা চিকাৰী কুকুৰৰ দৰে দৌৰিয়েই আছিল।

'ফ্লেগ ষ্টাফ্' নামৰ চহৰখনত আমি বাচ সলালোঁ।

'গ্ৰেণ্ড্ কেনিয়ন'ৰ অভিমুখে আমাৰ যাত্ৰা আৰম্ভ হ'ল।

মিচ্ ব্ৰেণী আৰু মই ওচৰা-ওচৰিকৈ বহি গৈছিলোঁ।

আমি বেজীটোৱে পৰা আৰম্ভ কৰি হাতীটোলৈকে নানা তৰহৰ গল্প-গুজব কৰি গৈছিলোঁ।

আমেৰিকান ছোৱালীবিলাক সাধাৰণতে অনুভূতি-প্ৰৱণ নহয়।

পিচে ব্ৰেণীয়ে অনুভূতি-প্ৰৱণ ভাবেই আৰম্ভ কৰিলে, "মাগি! সঁচাকৈয়ে আজি মন মোৰ উৰি গৈছে সুদূৰৰ অতীতলৈ—যেতিয়া ব্ৰাউন আৰু মই প্ৰথম 'গ্ৰেণ্ড্ কেনিয়ন' চাবলৈ আহিছিলোঁ।… মই 'ষ্টেনফোৰ্ড'ত পঢ়ি থাকোঁতেই তেওঁৰ লগত প্ৰেমত পৰো।… আমি 'ষ্টেদি' হৈছিলোঁ—অৰ্থাৎ পাৰম্পৰিক বাগদত্ত হৈ আঙঠি বিনিময় কৰিছিলোঁ।—আমাৰ বিয়াৰ সকলো ঠিক-ঠাক হৈছিল।…

…বিয়াৰ কেইসপ্তাহ মানৰ পূৰ্ব্বে আমি আহিছিলোঁ বিশ্ব-বিদ্যালয়ৰ দলৰ লগত 'গ্ৰেণ্ড্ কেনিয়ন' চাবলৈ।

ব্ৰাউনে আৰু ময়ে ছাগলী-পোৱালিয়ে ডেও দি দি ফুৰাৰ দৰে জপিয়াই জপিয়াই আনন্দত আৰু উল্লাসত—'গ্ৰেণ্ড্ কেনিয়'ন চাই ফুৰিছিলোঁ। কলেৰেডোৰ এই গভীৰ উপত্যকাই আবেলিৰ বেলিৰ পোহৰত ৰঙৰ পোহাৰ মেলিছিল। 'গ্ৰেণ্ড্ কেনিয়নৰ' এই অসংখ্য ৰঙৰ সাঁথৰ—সঁচাকৈয়ে এক বিস্ময়ৰ বস্তু।

ব্ৰাউনে মোক কৈছিল, "ব্ৰেণী, আহাঁচোন, হাঁহি এটা মাৰি থিয় হোৱা। তোমাৰ ফটো এটা লওঁ।"

মই তেওঁৰ সমুখা-সমুখি হৈছিলোঁ। তেওঁ গ্ৰেণ্ড্ কেনিয়নৰ বিৰাট গহ্বৰৰ পটভূমিত মোৰ ফটো লবৰ কাৰণে অলপ পিছুৱাই গ'ল…কেমেৰাটোৱে কৰি উঠিল ক্লিক্…আৰু, লগে লগেই দুৰ্ঘটনা-ক্ৰমে মোৰ ব্ৰাউনৰ—মোৰ অতি আপোনজনৰ ভৰি পিছলি তলৰ প্ৰায় দুমাইল গভীৰ মৃত্যু-উপত্যকাত জীৱন্ত-সমাধি হ'ল।

কথাখিনি কৈ যাওঁতে তেওঁৰ চকু সেমেকিছিল।

আকৌ তেওঁ আৰম্ভ কৰিলে, "মই মনত এনে এটা তীব্ৰ আঘাত পালোঁ যে যোৱা দুবছৰ মানসিক চিকিৎসাধীন হৈ 'কেঞ্চাছ'ৰ এটা চেনেটৰিয়ামত আছিলোঁ। চিঠি-পত্ৰত মই নিজকেই 'মিছেচ্ ব্ৰাউন' বুলি লিখিছিলোঁ।

মা আৰু দেউতাই যোৱা দুবছৰে মোক বহুতো বুজনি দিছিল—এইবাৰে। কৈছিল, "আই! ব্ৰাউনৰ লগত তোৰ তো বিয়া হোৱা নাছিল। গীৰ্জ্জাত গৈ বিয়া হব লগা হে আছিল। আমাক দুখ নিদিবি। তই মিচ্ ব্ৰেণীহে সোনজনী! তই আমাৰ মিচ্ ব্ৰেণী···।"

আজি কেইমাহ মানৰ আগতে সম্পূৰ্ণৰূপে আৰোগ্য হৈ—ওলাই আহিছোঁ—জলবায়ু পৰিবৰ্ত্তনৰ কাৰণে। হঠাৎ মাজে মাজে ভুল হব খুজিলেও মই জানো—মই মিচ্ ব্ৰেণীহে। 'গ্ৰেণ্ড্-কেনিয়ন'ৰ সেই ঠাইডোখৰ এখন্তেক চাই লম। আৰু, সেই মৃত্যুগহ্বৰৰ মুখখন—চাই লম—আকৌ এবাৰ—শেষবাৰ। বুজিছা, এৰিজনাতো তো 'বালিৰ ধুমুহা' বলিছিল। সেই ধুমুহাওতো শান্ত হৈছিল।" তেওঁ কলে।

মই মিচিকিয়াই হাঁহি কলোঁ, "এইবোৰ দৰ্শন-মিহলি কথা মই বুজি নাপাওঁ··· · যেন পাওঁ···।"

মিছ ব্ৰেণীয়ে অলপ হাঁহি তেওঁৰ অনামিকা আঙুলিটো মোক দেখুৱাই কলে, "চোৱা!······এইবাৰ আকৌ মোৰ নতুন 'এন্‌গেজ্‌মেণ্ট্ ৰিং'। এনে এটা আঙঠি খুলি আন এটা পিন্ধা কোনো নতুন কথা নহয়।···"

মই কলোঁ, "পিছে স্মৃতি জানো মানুহে খুলি দলিয়াই পেলাব পাৰে—সহজে?"

এজনী বাস্তৱ-ধৰ্ম্মী আমেৰিকান ছোৱালীৰ দৰেই সহজ-সৰল ভাবেই তেওঁ কলে, "মানুহেই সকলো পাৰিব লাগিব···সকলো সময় সাপেক্ষ—"

তেওঁ বাচৰ পৰা নামি যাওঁতে, ৰ'দ পৰি তেওঁৰ নীলা অনামিকাৰ আঙঠিটো—যেন জিলিকি উঠিছিল।

গল্পৰ জন্ম

বুঢ়া লোকে কয়, "শোক চিৰস্থায়ী বস্তু নহয়।" সময়, শোক পাহৰোৱাৰ ডাঙৰ ঔষধি। সময়ৰ সোঁতত মাতৃৰো পুত্ৰ-শোকৰ জ্বালা কমি যায়। মোৰ দেউতাই এগৰাকী মৰাৰ পিচত আন এগৰাকীকৈ পাঁচ গৰাকী পত্নী বিয়া কৰাইছিল। পিতৃ-চৰ্চ্চা মোৰ কাৰণে পাপতুল্য, তথাপিও, আনকি লৰালি কালতো মাজে মাজে ভাবিছিলোঁ, যিজনে বাৰ-বাৰকৈ পাঁচ বাৰ পত্নীশোক পাহৰিব পাৰে, সেইজন বোলে পুৰুষ? বৈবাহিক জীৱনৰ পাঁচোটা প্ৰথম নিশাত, তেখেতে হয়তো মোৰ পঞ্চ-মাতৃৰ প্ৰতিজনাকেই কৈছিল, "তোমাৰ বিৰহত মোৰ প্ৰাণ-ধাৰণেই অসম্ভব।" হয়তো, সময়ৰ সোঁতত, আৰু সাংসাৰিক বিচাৰবুদ্ধিত তেনে প্ৰাণসমা পত্নী তেখেতে পাহৰিবলৈ বাধ্য হৈছিল। সামাজিক জীৱনত দেউতা আছিল এজন আদৰ্শ আৰু কৃতবিদ্য পুৰুষ। আজীৱন তেখেতে সুনাম আৰ্জ্জিলে, এজন সৎ আৰু আদৰ্শ নাগৰিক হিচাবে। লোকে কয়, তেখেত আছিল এজন আদৰ্শ স্বামী, গৃহস্থ আৰু যেন মৰমৰ এক প্ৰশান্ত মহাসাগৰ। তেখেতক কোনেও আঁৰতো চৰ্চ্চা কৰাৰ কথা শুনা নাই। এজন স্বামী হিসাবে দেউতাৰ বিষয়ে মোৰ ধাৰণা আজীৱন ৰ'ব "উৰ্দ্ধৰো উৰ্দ্ধত।"

আজিও মনত পৰে, সংসাৰৰ বিহ-জালে আৰু আৰ তাৰ বাক্য-বাণে সৰু কালত মোৰ ক্ষুদ্ৰ হৃদয় জৰ্জ্জৰিত কৰিলেই ভাবিছিলোঁ: দেউতাই বাৰে বাৰে বিয়া কৰাই জানো সুবুদ্ধিৰ কাম কৰিছিল? সেই সময়ত মোৰ মনত সূক্ষ্ম অনুভূতিয়ে ভুমুকি মৰাৰ বয়স হোৱা নাই। আজি মই এজন গল্প-লেখক। আজি মোৰ দেউতা জীয়াই

থকা হলে, আৰু তেখেতে নীৰৱ আন্ধাৰ সন্ধিয়া হোকাৰ চিলিমৰ জুই নুমাই যোৱাৰ পিচতো অকলশৰে স্মৃতিৰ ৰোমন্থন কৰি চ'ৰাঘৰত বহি থাকোঁতে কিবোৰ ভাবিলেহেঁতেন, বাৰু? এজন গল্প-লেখকৰ মনোদৃষ্টিৰে মই এতিয়া ভাবিলেহেঁতেন, দেউতাৰ স্মৃতিপটত অতীতৰ স্বৰ্গীয়া চাৰি পত্নীৰ মধুৰ স্মৃতিয়ে এইয়া ভুমুকি মাৰিছে। সি সকলৰ লগত জড়িত জীৱনৰ দুখ-শোকৰ, সুখ-মিলনৰ স্মৃতি বিজড়িত অতীতে, তেখেঁতক বিন্ধি সুত্ লগাই দিছে। সাংসাৰিক লাভা-লাভতকৈ তেখেতৰ অতীত ভাৱাক্ৰান্ত মন, আৰু অশ্ৰু-সিক্ত চকু কেইটাৰ কথা যদি মই ভাবিব নোৱাৰোঁ, তেন্তে লিখিবলৈ বুলি কলম হাতত লোৱা মোৰ কাৰণে এক মহা ধৃষ্টতা মাত্ৰ।

ডাঙৰ হলত, এটনিন চেখভৰ 'চিৰ চেনেহী' (Darling) গল্পটো পঢ়িছোঁ। এজনী নাৰীয়ে জীৱনত বাৰ বাৰকৈ কেইবাজনো পুৰুষৰ লগত বিয়া সোমাবলৈ বাধ্য হ'ল নিয়তিৰ কঠোৰ বিধিত। প্ৰতি বাৰেই, সহজ ভাবেই, তেওঁ প্ৰতিজন গিৰিয়েকৰ লগতেই নিজৰ জীৱনক চেনেহী ৰূপত খাপ খুৱাই ল'ব পাৰিছিল। এইজনী নাৰী অকল নাৰীয়েই নহয়, পৃথিবীৰ পত্নীৰ এক সনাতন শ্বাশ্বত স্ৰোতস্বিনী। চেখভৰ দৰে শিল্পীৰ হাতত পৰা হ'লে মোৰ দেউতা হয়তো হ'ব পাৰিলেহেঁতেন পৃথিবীৰ আদৰ্শ স্বামীৰ এক সনাতন শাশ্বত সোঁত। কিয়নো, জীৱনত কোনো পত্নীৰ লগতেই তেখেতে স্বামী হিচাবে কেতিয়াও যে ব্যৰ্থ হোৱা নাছিল, এই বিষয়ে এই অঞ্চলৰ কোনো বুঢ়ালোকৰো দ্বিমত নাই।

এজন আধুনিক গল্প-লিখক হলেও মই আপোনালোকৰ ওচৰত সাধুভাবেই স্বীকাৰ কৰোঁ যে মনে মোৰ বহুতো কথা জানিলেও বহুতো সময়ত সেই মন হৈ পৰে ৰক্ষণশীল আৰু সংস্কাৰাচ্ছন্ন। ইতিমধ্যে এখন কাকতৰ সম্পাদক এজনৰ পৰা তাগিদা পাই আছোঁ। বৰলাৰ বিষয়ে গল্প এটা লিখি সোনকালেই পঠাব লাগে। এই কথাটোও মই নিশ্চয়কৈ জানো যে দেউতাকক নায়ক কৰি তেনে এক

গল্প লিখিলে সি ৰসোত্তীর্ণ নহৈ নোৱাৰে। তাকে কৰিবলৈ মোৰ সাহে মুকুলালে। মই বিশ্বাস কৰোঁ, গল্পৰ মাজেদি মানুহক এটুপি চকুলো, অকণি আঁয়ে দেহি, আৰু অন্ততঃ হাঁহিৰ এডালি ৰঙীন আঁচ উপহাৰ দিয়া উচিত—যদি পাঠকৰ সেই উপলব্ধি সমূহীয়া হয়। দেউতাকৰ অবৰ্ত্তমানত তেখেতৰ বিষয়ে গল্প লিখি তাক এক পৰিয়ালৰ মাজতেই আবদ্ধ কৰি থলে সি জানো মহৎ গল্প হ'ব? আৰু কেনেবাকৈ অপ্ৰিয় সত্য লিখি মাইতৰ মনত, বা মোৰ পৰিয়ালৰ অন্তৰত ভুলতো আঘাত দিবৰ ইচ্ছা মোৰ আগেয়ে নাছিল, এতিয়াও নাই।

মোৰ মনৰ মাজত স্থকৌশলৰে সজাই অনা, বৰলাৰ চিৰ-সেউজীয়া গল্পৰ ঘৰুৱা 'প্লট' টোক ইমানতেই মানস-পটৰ পৰা বিদায় দিলোঁ।

···বৰলাৰ গল্প বিচাৰি সম্পাদকৰ তাগিদা আহিয়েই থাকিল।

মোৰ মানস-পুখুৰীত ইতিমধ্যে বহুতো কল্পনাৰ ইন্দ্ৰজাল পেলালোঁ—সৰু-সৰু পুঠি-খলিহাৰ টুকুৰা ধৰিবলৈ···যাৰ সহায়ত গল্পৰ এক অপূৰ্ব্ব ব্যঞ্জন তৈয়াৰ কৰিম।

যেনে,···'ক' এজন মানুহ দাং বৰলা আছিল।···পত্নী বিয়োগৰ পিচত মানুহজনে ছমাহকৈ দাড়ি খুৰোৱা নাছিল। আমি ভাবিছিলোঁ, 'ক' বৰলা হৈয়ে ৰ'ব। 'ক'ৰ চৰিত্ৰৰ বিষয়ে ইতিমধ্যে সমাজত নানা বু-বু বা-বা চলিল। তাৰ পিচত নানা যতি-বিৰতি, আৰু গল্পৰ 'ক্লাইমেক্স্' 'এন্টিক্লাইমেস্ক্'। গল্পটোৰ শেষ হ'ব, হয়তো সাধাৰণতে আপোনালোকে আশা কৰা মতেই। 'ক'ই শেহান্তত 'গ'ক বিয়া কৰাই আনিলে।

এনে গল্প লিখি উঠাৰ পিচত, তাক সম্পাদকৰ কাকতলৈ পঠোৱাতকৈ মোৰ পুৰণি ফাইলতেই বন্দী কৰি ৰাখিম বুলি আপোনালোকে নিশ্চিত থাকিব পাৰে। এই গল্প গতানুগতিক, অসাধাৰণ নহয়। সম্পাদকে যাৰে-তাৰে পৰাই এনে প্লটৰ গল্প পালেহেঁতেন।······

আকৌ,······

'জ' বৰলাই কিয় বিয়া নকৰালে ?

হয়তো, সি তাৰ মৃত পত্নীক খুব ভাল পাইছিল······।

নহয়, তাৰ মাক-বাপেকে, তাৰ ককায়েক বন্ধু-বান্ধৱে তাৰ পৰা টকাহে বিচাৰিলে। আকৌ এজনী বিয়া কৰালে সি তেওঁলোকক টকা-পইচা দিয়াত ব্যাঘাতহে ঘটিব ভাবি, কোনেও তাক দ্বিতীয় বাৰ ঘৰ-সংসাৰ পাতি দিবলৈ নোলাল······ইত্যাদি।

মোৰ মনৰ আকাশত এইদৰে নানা টুকুৰীয়া মেঘৰ চলাচল হৈয়ে থাকিল······বৰলাৰ গল্প নবৰষিল।

ইতিমধ্যে, সম্পাদকৰ শেষ চিঠি······'হয় দান, নহয় শেহ সমিধান।'

প্ৰথম পুৰুষতেই গল্পটো লিখি উলিয়াম বুলি কাকত-কলম লৈ এইবাৰ দৃঢ়-সংকল্প হলোঁ। নিজকে কল্পনাতেই এক বৰলা বুলি ধৰি লৈ আৰম্ভ কৰিলোঁ। সম্পাদক মহোদয়কো কল্পনাৰেই তেখেতৰ টেবুলৰ কামৰ পৰা আজুৰি আনি মোৰ এজন প্ৰশ্নকৰ্ত্তা নায়ক ৰূপে অৱতীৰ্ণ কৰালোঁ।

······প্ৰাণ-সমা পত্নীৰ মৃত্যুত, মোৰ মনত যি শোকৰ উৎপত্তি হ'ল সি আৰু নকমিল। দিন যোৱাৰ লগে লগেই সেই শোক পাতলক ছাড়ি গাঢ়তকৈও গাঢ়তৰহে হ'ব ধৰিলে। বিয়া কৰোৱাৰ পিচত মহাকালে তেওঁৰ লগত মোক চাৰিমাহ কালেই বঞ্চিবলৈ নিদিলে। এই চাৰিমাহৰ ভিতৰতেই আৱিষ্কাৰ কৰিছিলোঁ যেন আমি দুয়ো দুয়োকো যুগ-যুগান্তৰ ধৰি চিনি আহিছিলোঁ। পৃথিবীৰ আলহী ঘৰত খন্তেক জিৰণি ললেও আমাৰ যাত্ৰা আছিল যেন অনন্ত। আমি কোনোবা অতীতৰ পৰা আহিছিলোঁ। মহাপ্ৰস্থানৰ পথত আমি কেতিয়াবা হেৰাই গলেও, সেই ভৱিষ্যতে আকৌ বাৰে বাৰে কালৰ কোলাত বৰ্ত্তমান হৈ থিয় হ'ব। আমাৰ যি যাত্ৰাৰ আৰম্ভ হ'ল, তাৰ অন্ত নাই।···

মটৰ দুৰ্ঘটনাত তেওঁ ঢুকাল। অকল তেওঁৱেই নহয়, তেওঁৰ গৰ্ভত আমাৰ এক সাঁচতীয়া আশাৰো পৰিসমাপ্তি ঘটিল। নিষ্ঠুৰ ভাবেই।

......বহুতো দেশ-দেশান্তৰ ভ্ৰমিলোঁ। মোৰ শোকৰ হ'লে নিৰ্ব্বাণ নহ'ল।......

ইতিমধ্যে, বহুতো বছৰ কালৰ কোলাত বাগৰি পৰিল।......

......মানুহে মোক মাজে মাজে প্ৰশ্ন কৰে, মই কিয় আজীৱন বৰলা হৈ কাল কটাবলৈ ভীষ্ম প্ৰতিজ্ঞা কৰিছোঁ? এই প্ৰশ্নৰ কোনো উত্তৰ তেওঁলোকে কেতিয়াও মোৰ মুখৰ পৰা নাপালে, আৰু নাপাব।

কাকতৰ সম্পাদক জন আছিল—এজন মোৰ নলে গলে লগা বন্ধু। এদিন আহি তেওঁ মোক কলে, "শইকীয়া! আপোনাৰ বন্ধু হিচাবে আপোনাক মই ইমানকে ক'ব পাৰোঁ যে, মানুহবোৰে আপোনাৰ চৰিত্ৰৰ বিষয়ে ৰটিবলৈ একো বিচাৰি পোৱা নাই। তথাপিও, দুখ লাগে যেতিয়া শুনো, সিহঁতে মন্তব্য প্ৰকাশ কৰে বোলে আপুনি হোনো এক নিষ্ঠুৰ পুৰুষ। আপোনাৰ পত্নী-বিয়োগৰ পিচত সিহঁতে আপোনাক ৰাজহুৱা ভাবে হা-হুমুনিয়াহ পেলোৱা আৰু দুখ কৰা শুনা নাই। আপুনি কোনো দিন জনতাক আপোনাৰ বৰলা জীৱনৰ দুখৰ অনুভূতি দিয়া নাই। আপোনাৰ কলমে, সেই শোক যুগমীয়া কৰিব পৰা নাই। সিহঁতে চাগৈ ভাবে, আপুনি হয় অনুভূতিহীন, নহয় এক ভণ্ড বিড়াল তপস্বী।"

সম্পাদকে মোৰ পৰা কোনো সমিধান নেপালে।......

মোৰ শোকৰ কথা মোৰ নিজা হৈ থাকক। কাৰোবাক কলে সি পাতলিহে যাব। মোৰ পত্নী-শোকে চিৰজীৱন শাশ্বত হৈ মোৰ অন্তৰ ভাৰাক্ৰান্ত কৰি থওক। এদিন আমাৰ ফুল-শয্যাৰ বিছনা-খনত মোৰ আৰু পত্নীৰ মাথোন এদিনীয়া অধিকাৰ আছিল। মোৰ শোকো সেইদৰে মোৰ মাজতেই থাওক। আমাৰ দুখ-শোকৰ ভাগ জীয়াই থকা হলে মোৰ পত্নীয়েই পালেহেঁতেন। তেওঁৰ ভাগটো এতিয়া সিপুৰীলৈ বুলি মই সাঁচি থ'ম।......

সাধাৰণ দহজনৰ দৰে চেল্‌চেলাই বেল্‌বেলাই দুখৰ বোজা মই কোনো দিনে পাতলাব খোজা নাই। এতিয়াও নোখোজোঁ।

·····মোৰ দুখ প্ৰকৃতিয়েই বহন কৰক। বসন্ত কালৰ নিৰ্মেঘ পূৰ্ণিমাৰ জোনটোত মই প্ৰিয়া-মুখৰ হাঁহি দেখা পাওঁ। সেই হাঁহিয়ে বিহ হৈ মোৰ মনটো দংশি দিয়ে। শক্তি থকা হলে কলোঁহেঁতেন···, "মাধ্ববীলতা! তই মুফুলিবি। ভোমোৰা, তই মুৰিবি······, পখিলা! তঁই, ফুলৰ ৰেণু নিবিচাৰিবি······, কুলি! তই কুউ, কুউ, কৰি নামাতিবি······, শেহৰাতি! তই নাহিবি······কেতেকী! তই নিবিনাবি······। মোৰ ভৰা অন্তৰ আজি শূন্য······। কাৰণ প্ৰিয়া মোৰ কাষৰত নাই।······" গল্পটো মই এনেদৰে লিখিহে আনিছোঁ······এনেতে, এক অভূতপূৰ্ব্ব ঘটনা ঘটিল।

সেইদিনা পুৱা মই আৰু সম্পাদক মহোদয়ে মোৰ ঘৰত কথা পাতি আছিলোঁ। বাৰটো আছিল দেওবাৰ। সম্পাদকৰ গাড়ীত উঠি আমি এফালে ফুৰিবলৈ যোৱা কথা আছিল।

এনেতে, মোৰ চুবুৰীয়া অৰুণহঁতৰ ঘৰৰ ছোৱালী এজনীয়ে আমাক কান্দি কান্দি কলেহি, "মহাদেউ! আমাৰ হাঁহজনীক আজি মিলিটেৰীৰ মটৰৰ চকাই চেপি মাৰিলে······।"

"তই নাকান্দিবি, জোনমণি! ব'ল মই গৈছোঁ······।"

একৰকম জোৰ কৰিয়েই মই সম্পাদকক বিদায় দিলোঁ। কাৰণ আজি আৰু মই ফুৰিবলৈ নাযাওঁ।······

যাবৰ সময়ত সম্পাদকে কৈ গ'ল ·····কাইলৈ ৰাতিপুৱা তেওঁ গল্প নিবলৈ আহিবই।

জোনমণিহঁতৰ ঘৰৰ আগত দেখিলোঁ······বহুতো ডাঙৰ আৰু সৰুলোকৰ সমদল।······সিহঁতৰ বগী হাঁহজনী আলিৰ মাজতে পৰি মৰি আছে। মটৰৰ চকাৰ চেপাত তাইৰ নাড়ী-ভূৰু ওলাই গৈছে। তাইৰ পেটৰ সাঁচতীয়া কণী এটা মাটিত ভাঙি পৰি আছে। মানুহ-বিলাকে গোটখোৱালৈ চাই দূৰৰ পৰাই হয়তো আন মানুহে ভাবিব

এজনী মানুহৰ হে যেন তাত দুৰ্ঘটনা ঘটিছিল……এজনী হাঁহৰ নহয়।

পলকতে, মন মোৰ উবি গ'ল আজি বহুতো বছৰৰ আগৰ মোৰ জীৱনৰ সেই পৰম দুৰ্ঘটনাটোলৈ।……

জোনমণিয়ে মোৰ ডিঙিত ধৰি ইনাই-বিনাই কান্দিছে।…… আৰু কান্দিছে, মোৰ ফালে চাই এটা প্ৰাণীয়ে—হাঁহজনীৰ গিৰিয়েক সেই মতা হাঁহটোৱে…পাক্…পাক্…পা…ক্।

মানুহে টানি আজুৰিও মতা হাঁহটো আলিৰ মাজৰ পৰা খেদি আঁতৰাব পৰা নাই। তাৰ পুৰুষ কণ্ঠৰ চিঞৰটো যেন করুণ আৰু গম্ভীৰ হৈ উঠিছে।

ৰং চোৱা মানুহবোৰ আঁতৰিল। জোনমণিৰ মাকে কোনোৰকম কষ্ট কৰি সেই মতা হাঁহটো নি গৰালত ভৰাই থলেগৈ।

গৰালৰ পৰা দীঘলীয়া আৰু একটানা বিলাপ এটা বতাহত ভাঁহিয়েই থাকিল……পাক্……পাক্……পা……ক্!……

পাক্…পাক্…পা…ক্!

নহয়, তাৰ মাতৰ প্ৰতিটো শব্দৰেই কোন নিষ্ঠুৰ নিয়তিয়ে আজি এইদৰে মোৰ অন্তৰত পূৰ্ণহুতীয়াকৈ বজুৱাই দিছে…ঘাপ্…ঘাপ্ ঘা…প্।

পাক্…পাক্…পা…ক্…ঘাপ্…ঘাপ্…ঘাপ্…ঘা…প্…।

মোৰ মনৰ পৰা যেন গোটেই পৃথিৱী খনেই নোহোৱা হৈছে। সংসাৰত দুটা প্ৰাণীয়েই যেন তেতিয়া থিয় দি আছিলোঁ। … মই মোৰ……অপ্ৰকাশিত ভাষাৰে……, আৰু সেই হাঁহটোৱে তাৰ অবুজ বিলাপেৰে।……পৃথিৱীখন যেন ধ্বংস হৈ যাওক। জীয়াই থাকোঁ, মই এই 'ৰবলাটো' আৰু যেন 'মতা হাঁহটো'।……

গৰালৰ ভিতৰৰ পৰা আকৌ সেই মাতটো……পাক্……পা ক্।……

সিইঁতহালে আজি পুৱাতে চৰি ফুৰা স্থিৰ পুখুৰীটোৰ পানীখিনি

যেন আৰু স্থিৰ হৈছে। মাইকী হাঁহজনীৰ বিৰহত পুখুৰীৰ ভেঁট-কলি কেইটাইও যেন মুখ লুকাইছে। গৰালৰ আৰু পুখুৰীৰ পানীখিনিৰ ওপৰৰ বতাহখিনিও যেন সোঁ সোঁ শবদেৰে বলিব ধৰিছে—এক গম্ভীৰ বিষাদত।......

জোনমণিয়ে অলপ সনা ভাত আনি, বৰলা হাঁহটোক দিলেহি। সি নাখালে। গৰালৰ দুৱাৰখন তাই অলপ খুলি দিলে। দেখিলোঁ, হাঁহটোৱে মাথোন অলপ সময় সাঁতুৰি, সেই দিন দুপৰতেই আকৌ গৰালত সোমাই থাকিলহি।

শূন্য আকাশলৈ চাই হাঁহটোৰ আকৌ সেই করুণ মাত...পাক্ ......পাক্......পা......ক্।

উঃ......অসহ্য......।

ঘৰলৈ উভতি আহি লগুৱাটোক কলোঁ, "জয়! মোৰ মোনাটো আৰু চাইকেলখন উলিয়াই দে। আজি মই কেতিয়াকৈ উভতিম ঠিক নাই। পলম হলে মোৰ ভাত-সাজ ঢাকি থবি।"

চাইকেলখনত উঠি মই মাথোন আগ বাঢ়িছোঁ। হয়তো মোক তেনে বেশত দেখি বাটত মোৰ চিনাকি মানুহবিলাক আচৰিত নোহোৱাকৈ থকা নাছিল। কাৰণ দীঘল মোনা এটা চাইকেলত আঁৰি এইদৰে মই বজাৰ কৰিবলৈ হয়তো এইফালে এই প্ৰথমবাৰেই ওলাইছিলোঁ।

আপোনালোকে বুজিছেই মোক কি লাগে। মোক লাগে, হাঁহ, এজনী কণী-পৰা হাঁহ। সেইজনী হাঁহৰ দাম যিমানেই নহওক, মই আজি দিবলৈ সাজু।

বজাৰত বহুতপৰ বিচৰাৰ পিচতহে হাঁহ এজনী কিনিব পাৰিলোঁ। এজনী বগী হাঁহ। বেচা মানুহটোৱে কলে, "সেইজনী 'আকবেলীয়া' (এবছৰীয়া) হাঁহ। এটা দুটা কণী পাৰিবলৈ আৰম্ভ কৰিছে।"

হাঁহজনী লৈ জোনমণিহঁতৰ ঘৰ পাওঁতে আবেলি তিনি বাজি

গ'ল। গোটেই ঘৰখনতেই হুলস্থুল লাগি পৰিল। হাঁহজনী লাহেকৈ মোনাৰ পৰা উলিয়াই পুখুৰীৰ ফালে এৰি দিলোঁ।

জোনমণিয়েও লৰি গৈ সেই মতা হাঁহটো থকা গৰালৰ দুৱাৰখন খুলি দিলে।

নতুন মাইকী হাঁহজনী দেখিয়েই সেই বৰলা হাঁহটো খন্তেক থমকি ৰ'ল।

আকৌ মাতিলে, পাক্......পাক্......পা......ক্।

এইবাৰ মোক বুকুত কোনেও কুঠাৰ মৰা নাই। কাৰণ এইবাৰ সেই স্বৰ বিৰহৰ নহয়, মিলনৰ। অলপ সময়ৰ পিচতে, হাঁহহাল, আকৌ যোৰ পাতি পাতি পুখুৰীত চৰিবলৈ লাগিল।

......কাইলৈ পুৱা সম্পাদকে গল্পটো বিচাৰি আহিবই।

তেখেতলৈ বুলি লিখি থকা এই গল্পটো হয়তো শেষ কৰিম এই-দৰেই......ইমানদিনে মোৰ দেউতাৰ সাময়িক বৰলা জীৱনৰ অনুভূতি মই গভীৰ ভাবে উপলব্ধি কৰিব পৰা নাছিলোঁ। মোৰ ব্যক্তিগত বৰলা জীৱনৰ অনুভূতিয়েও ইন্দ্ৰিয়াতীত ৰূপে ইমানদিনে মোক ধৰা দিয়া নাছিল। এদিন পুৱা সেই বৰলা হাঁহটোৰ অকল দুখতেই হঠাৎ মোৰ অন্ধ চকু মুকলি হৈ গ'ল। কাৰণ, তাৰ কাহিনী-টোৰ উপলব্ধিৰ গভীৰতাতেই, ইমানদিনে মোৰ পিতৃ, মোৰ বা পৃথিবীৰ বহুতো বৰলাৰ কাহিনীও বুৰ গৈ আছিল। সকলো সেই হাসাগৰৰেই জল।......

......মই ইমানদিনে মানুহবিলাকক মোৰ দুখৰ কথা নোকোৱাত তওঁলোকে মোক ক্ষমা কৰক। দুখৰ কথা যি কোৱা হয় সি দুখ। কিন্তু, নোকোৱাকৈয়ে যি দুখ আনে অনুভৱ কৰিব পাৰে, সিহে আচল দুখ।......

সম্পাদক ডাঙৰীয়াই এতিয়াও বাক মোক কবনে মই নিজৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি বৰলাৰ বিষয়ে গল্প লিখিব লাগে?

দামোদৰ

"দামোদৰৰ চকু দুটাৰ পৰা নিজৰি ওলাই কিয় বাৰু লো-তুধাৰিয়ে আঁজি তাৰ গালৰ দুয়োফালে দুটা শুকান সাঁচ বহুৱাইছিল? বছেৰেকৰ বিছুৰ দিনা কিন্তু এনে হ'ব নালাগিছিল।

সঁচাকৈ অলপ আগতে তাৰ চকু কেইটা পানীৰে তিতি গৈছিল।

সি নিজেই ভাবি ওৰ পোৱা নাই কিয় সি আজি লগৰ জ্ঞাতি-ভাই বিলাকৰ লগত ৰং কৰি জপিয়াব পৰা নাই।

সৰু ল'ৰা এটাই তাক নদীলৈ গা ধুৱাবলৈ আনিছে। ডিঙিৰ পৰা খুলি গোহালীৰ পৰা আনিব খোজোতে প্ৰথমতে সি নাহিব-লৈকে বাগি ধৰিছিল। ল'ৰাটোৰ এচাৰিৰ কোবত আহিব লগা হ'ল যদিও তাৰ খঙহে উঠিছিল। কোনোৰকমে ধৈৰ্য্য ধৰিহে সি ল'ৰাটোক শিঙেৰে খুচি নিদিলে।

দগ্ডিত বান্দৰো নাচে। সি এটা বপুৰা নিৰীহ বলদহে। ল'ৰাটোৱে তাক জোৰ কৰি গা ধুৱালে। মাখিয়তি, মাহ-হালধিৰ গোন্ধ পায়েই তাৰ এসময়ত নলে-গলে লগা লগৰীয়া হলধৰলৈ মনত পৰিল।

গা ধুওৱাৰ পাচত সি নদীৰ পাৰৰ ঘাঁহত কামোৰ মাৰি থক যেন দেখুৱাই মাথোন ভাবিহে আছে। ল'ৰাটোৱে একাঠুমান খৰালিৰ নদীখনত নাদুৰি আছে।

দামোদৰে ভাবিছে,—

.....এইবাৰহে সি অকলে অকলে গা-ধুবলৈ আহিব লগা হ'ল। যোৱা বাৰ গৰু-বিহুত সি আৰু হলধৰে একেলগেই নাচি-বাগি গা ধুবলৈ আহিছিল। দুয়োটাই আছিল 'কান্ধ সমনীয়া' হালৰ গৰু।

"লাও খা, বেঙেনা খা, বছৰি বছৰি বাঢ়ি যা—" বুলি সেইবাৰ স্বয়ং গৃহস্থই সিহঁত হালক নোৱাইছিল-ধুৱাইছিল। আজিহে সি অকলে অকলে গা-ধুব লগা হ'ল। আজি সি গোহালীতো অকল-শৰীয়া—পথাৰতো অকলশৰীয়া। তাৰ কামৰ লগ নাই। বছৰি সিহঁতক গা গৃহস্থই ধুৱায়, এইবাৰ দৰমহা খোৱা লগুৱা ল'ৰা এটাইহে তাৰ গা ধুৱাইছে।······

'কালস্য কুটিলা গতিঃ'।······

······দামোদৰে ঘাঁহত আৰু এটা কামোৰ মাৰোঁতেই তাৰ অতীতৰ কথাবিলাক মনত পৰি গ'ল। তাৰ মুখৰ ঘাঁহ মুখতেই ৰ'ল।

······সি সুঁৱৰিছে কেনেকৈ 'গ'ল তেজৰ বছৰ' গৃহস্থই সিহঁতক দক্ষিণহেঙেৰা হাটৰ পৰা কিনি আনিছিল। সিহঁতে এদিন-এৰাতিৰ বাট খোজকাঢ়ি আহিছিল। গৃহস্থই এটা লেম লৈ লৈ ৰাতি বাট দেখুৱাই আহিছিল। ৰাতিও সিহঁতে খোজ কাঢ়িছিল। দুটা গৰু আৰু এটা মানুহ। তেখেতে, গাত দুখ পাব ভাবি সিহঁতক ক'তো কোব এটাকেই মৰা নাছিল। তাৰ ৰিণিকি ৰিণিকি মনত পৰিছে, সেইদিনা বাটত আহোঁতে কেনেকৈ আলিবাটৰ কৃষক মানুহ বিলাকে সিহঁতৰ দাম কিমান পৰিল বুলি গৃহস্থক সুধিছিল। এই সূত্ৰেই সিহঁতৰ গৰাকীজনৰ, বাটৰ ভালেমান লোকৰ লগত চা-চিনাকি হৈছিল। কিছুমানে সিহঁতক গৰাকীক কোৱা শুনিছিল, "বেথাৰাম তুমি 'বজালা'। এনেহাল গৰু পছিচ কুৰি ৰূপ দিলেও পোৱা টান। হৰিয়ে কৰালে এই 'লখিমী'হালে অহা বছৰৰ পৰাই তোমাৰ আকাল তৰাবহে!"

······গৃহস্থজনে বিনয়েৰে হাঁহিছিল আৰু দুই এজনক কৈছিল, "মোৰ ৺বোপায়েও এনে এহাল গৰু কেতিয়াও বাবলৈ নোপোৱা-কৈয়ে মৰি গ'ল। মোৰ লাম-লাকটু সকলো বেচি নগদ সোতৰ কুৰি ভৰি এই হাল কিনি আনিছোঁ। তৰালে ইহঁতেই তৰাব, ডুবালে ডুবাব।"······

……বাটত কিছুমানে আকৌ গৰু কিনি ঘৰমুৱা হোৱা বেথাৰামক কোৱা শুনিছিল, "বেথাৰাম! ডেকাটো হলিয়েই। ছুবছৰ ভাল খেতি-বাতি হলেই গাঁৱৰে পদুমীৰ লগতেই বিয়াখনটো তোৰ হবই। হালৰেই বৰ মিল। একেলগে যোৱা বাৰ বিহুও মাৰিছে।"……

……কিছুমানে আকৌ সিহঁত চেঙা হ'বনে নহয় চাবলৈ বাটতেই সিহঁত হালৰ নেগুৰ পকাই দিয়ে। সিহঁতে ততালিকেই লৰ মাৰে। তেতিয়া মানুহ বিলাকে বেথাৰামক কয়, "চাবাইচ! বঢ়িয়া গৰু কিনিলা। ডাকে কৈছেই, 'টিক্ বলধা, ওলাই মাটি।"

……সৰু ল'ৰাটোৱে নদীত সাঁতুৰি নাদুৰিয়েই আছিল। সি ভাবিছিল দামোদৰে ঘাঁহ খাইহে আছে।

……দামোদৰৰ মনত পৰিছে বেথাৰামে কেনেকৈ তাক হলধৰেৰে সৈতে সাঁঙুৰি প্ৰথম প্ৰথম সেই গাওঁখন পোৱালেহি। বেথাৰামৰ জুপুৰী সোমোৱাৰ লগে লগেই সিহঁতক পকা কল খাবলৈ দিয়া হ'ল। বেথাৰামে সিহঁতৰ ভৰি ধুৱাই দিলে, ডিঙিত নতুন পঘা লগাই দিলে।

……ৰাতি সিহঁতে উচাপ্ খাই উঠিছিল। দেখে যে এজনী গাভৰুৱে সিহঁতৰ গা কেইটা লাহে লাহে পিহি মৰম কৰি আছে। ওচৰতে বেথাৰাম থিয় হৈ আছে। ছোৱালীজনীয়ে বেথাৰামক লাহে লাহে কোৱা শুনিলে, "শুনা, এই গৰুটোৰ নাম মই ৰাখিলোঁ 'দামোদৰ', সিটোৰ নাম তুমিয়েই কিবা এটা থব লাগিব।" বেথাৰামে ক'লে, "পদুমী! মই তাৰ নাম ৰাখিলোঁ 'হলধৰ'।"

……তেতিয়া বেথাৰামে আমাৰ গাত হাত ফুৰাই মৰম কৰি আমাক শুনাই শুনাই কৈছিল, "বাঁছাহঁত! এই মানুহজনীয়েই মোৰ লখিমী হ'ব অ'। দুটা বহাগ বিহুৰ পৰা একেলগে বিহু মাৰিছোঁ আৰু নাচিছোঁ। সমাজে দিনত দেখিব কাৰণে কেতিয়াবা

মই নহলেও ৰাতি ৰাতি আজি তহঁতক দানা খুৱাব আৰু আঁল ধৰিব। তহঁতে আকৌ তাইক নুখুচিবি আৰু নলথিয়াবি দেই।”

গৰুহালে তেতিয়া দানা খাই মূৰ দুটা জোকাৰি যেন কৈছিল, ওঁ……ওঁ।……বেথাৰামে পদুমীক মৰমতেই—হাতত ধৰিব খোজোঁতে তাই মৰমেৰেই মাত দিছিল, ‘ওঁহো। বিয়াৰ পিছতহে পায়, এতিয়া নেপায়, দেই।”—তাই, চাট্ কৰে আঁতৰি গৈছিল।……

গৃহস্থ বেথাৰামে সিহঁতৰ ডিঙিকেইটা সুত লগাকৈ খজুৱাই কৈছিল, “মোৰ গোঁসাই হাল! ঘৰ, ভেটি-মাটি বেচি তহঁতক আনিছোঁ। তহঁতে কৃপা কৰিলে এবছৰৰ ধানেৰে মোৰ ধাৰ মৰিব। আন বছৰৰ ধানেৰে পদুমীৰ লগত বিয়াখন পতাৰ খৰছটো ওলাব।”……আনন্দত যেন অজলা চকুৰে অমাত জন্তু হালে তেখেতৰ হাতখন খহটা জিভাৰে চেলেকি দিছিল।

সিহঁত কিছুদিন বৰ ফুৰ্ত্তিতেই আছিল। বেথাৰামে সিহঁতক ভালকৈ খুৱাইছিল, কেতিয়াও নমৰিয়াইছিল আৰু বেলি দুপৰলৈকে পথাৰত হালো নটনাইছিল।

এটা বহাগৰ বিহু আহিল। তাৰে আৰু হলধৰৰে গৃহস্থৰ মহৰ শিঙৰ পেঁপাৰ মাত শুনি মনত বৰ ‘হাউচ’ লাগি গৈছিল। গৰু হলেও সিহঁতে গীত-বাদ্য বৰ ভাল পায়। বিহুতলীত পদুমীয়ে কঁকাল ভাঙি ভাঙি নাচিছিল। গোটেই বহাগ মাহটোৱেই সিহঁতৰ গাত বটা-মাহ আৰু হালধিৰ গোন্ধ লাগি আছিল।

কিন্তু, হাঁয়! বেথাৰামৰ কপালৰ প্ৰতি বিধাতা ঈশ্বৰৰ কিবা শাওপাত আছিল হবলা। জেঠমহীয়া এদিন ৰাতি গোহালীতেই হলধৰে ক'লে, “দামো! হঠাতেই মোৰ বৰ জ্বৰ উঠিছে, অ’। মোৰ পেটটোও ফুলিছে, ডিঙিটোও উখহিছে। জানিছোঁ মোক কালে পালেহি। ৰাতি নৌ পুৱাওঁতেই মই মৰি থাকিম। তই মোৰ ওচৰ নাচাপিবি অ’। এই সোঁচৰা ব্যাধিটো হ’ব লাগিলে তোৰো

ৰক্ষা নাই। তয়ো কেনেবাকৈ মৰিব লগা হলে আমাৰ গৰাকীজনো বেজাৰত আপোন-ঘাতী হ'ব।"

তেতিয়া দামোদৰে হলধৰক ক'লে, "নিতাল মাৰি শুই থাক। ভাল হবি।"

হলধৰে ক'লে, "দামো! আমি তেখেতৰ ধাৰ শুজিব নোৱাৰিলোঁ। পদুমীয়েও আমাক ইমান মৰম কৰিছিল। সমাজক ভোজ-ভাত দি বিয়া পাতিবলৈ বেথাৰাম দেউতাই আৰু ক'ত ধন পাব?......"

হলধৰৰ মাত ক্ষীণ হৈ গৈছিল। দামোদৰে বুজিলে হলধৰে তাক এৰি যাব চিৰদিনৰ কাৰণে। কাৰণ, এইবিধ ৰোগ হলে গোজাতিৰ আৰু নিস্তাৰ নাই। সি কান্দি কান্দি হলধৰক ক'লে, "ভাই, কেতিয়াবা যদি কিবা দোষ কৰিছিলোঁ ক্ষমা কৰিবি।"

উত্তৰত হলধৰে মাথোন ডিঙিটো অলপ বেঁকা কৰি তাৰ ডাঙৰ ডাঙৰ চকু কেইটা মেলি করুণ ভাৱেৰে চাই পঠিয়ালে। সি সেঁহাই সেঁহাই ক'লে, "দামো! বেথাৰাম দেউতাক কিজানি এবাৰ দেখা পাওঁৱেই। মোৰ জিভা লুটি খাই আহিছে। তয়েই......"

শেহৰাতি দামোদৰে গৃহস্থক জগাবলৈ প্ৰাণপণে চিঞঁৰিলে, "হেম্বা! হেম্বা! হেম্বা!......হে......ম......"

বেথাৰাম উঠি নাহিল। তেখেতে সাৰ নাপালে কাৰণেই হেম্বেলনি নুশুনিলে।

ৰাতি পুৱালৈ হলধৰ গোহালীতেই মৰি থাকিল। দামোদৰে উচুপি আছিল।

বেথাৰাম পিছত বলিয়া হোৱাৰ দৰে হৈছিল। পদুমীয়ে পিছদিনা ৰাতি আহি মনে মনে গোহালীত কান্দিছিল। তাই দামোদৰকেই তাৰ ডিঙিটোতে সাৱটি ধৰি মৰম কৰিছিল।

'এক পোৱে 'পো', বা এক গোৱে 'গো' নহয়। হলধৰ মৰাত বেথাৰামৰ ভৰি ভাগিল। সি আৰু দামোদৰ দুয়োটাই 'খোৰা' হ'ল।

এদিন ৰাতি গোহালীত দামোৰে বেথাৰাম দেউতাকে পত্নীক কোৱা শুনিলে, "পত্নী, মই নগৰলৈ ওলালোঁ। এটা কাৰখানাত বনুৱা কাম এটা পাইছোঁ। মোৰ কপালত আৰু নহল। হিচাব কৰি পাইছোঁ, হাতত টকা গোট খালে দুবছৰৰ পিচতহে আমাৰ বিয়াখন পাতিব পাৰিম। দামোদৰক মৌজাদাৰৰ ঘৰতেই বন্ধক দি যাম। আহি মোকোলাম। তাক বেচিবলৈ সত্ নাযায়।"

তেতিয়া পত্নীয়ে হলধৰক বন্ধা গোহালীৰ খুটাটোতে ধৰি কান্দি কান্দি কৈছিল, "প্ৰাণেশ্বৰ! কাৰখানাত বোলে বিশ্বকৰ্ম্মা পূজাৰহে ছুটী পায়। বিহুত ছাগৈ আহিব নোৱাৰে। দুটা বৰ-বিহু মোৰ কাৰণে দুকুৰা জুঁইহে হ'ব। তাকে লৈ জীয়াই থাকিম। ৰঙালী বিহুৰ ৰং-ৰহইচ্ তুমি নহালৈকে মোৰ ন'হব।......"

"পত্নী! ছুটী পালেতো আহিমেই, পোৱাহে টান। মাটিৰ লগতহে বিহু। মেচিনৰ লগত বিহু-তিহু নাই।" বেথাৰামে হুমুনিয়াহ কাঢ়িলে।

* * *

......আজি এবছৰো সৰহ কাল ধৰি দামোদৰ—বলদ, মৌজাদাৰৰ গোহালীতে বন্ধকত আছে।

আজি গৰু বিহুৰ দিনা তাক নোৱাবলৈ মৌজাদাৰৰ লৰাটোৱেই লৈ আহিছিল।

দামোদৰে ভাবিছে, তাৰ বেথাৰাম দেউতাকি নগৰৰ 'মেচিন'ৰ বান্ধোনত আছে। বিহুত ছুটী নাপালে। নহলে, সি তাকে আৰু পত্নীকে চাবলৈ আহিলহঁতেন।

পত্নীয়েও, বেথাৰামৰ চিন্তাত মাকৰ ঘৰত চকুৰ পানীৰে বাট নেদেখা হৈ কাঠখৰি শুকুৱাদি শুকাইছে। তায়ো এইবেলি বিহু নানাচে। কাৰণ, তাইৰ বেথাৰাম আহিব নোৱাৰিলে।

সি মানে 'দামোদৰ বলধ' মৌজাদাৰৰ বান্ধোনত আছে। সি

আঁশা ৰাখিছে, ৰেথাৰামে আহি অহা বহাগ-বিহুৰ পিছতেই এদিন তাক মোকোলাব। আৰু, তাৰ যোবৰ আন এটা বলধ কিনিব।··· আকৌ, এহাল বলদ, আৰু 'ৰেথাৰাম-পতুমী'······

কিন্তু, তাৰ চেনেহৰ কুটুম! হলধৰ বলধতো সিপুৰীৰ পৰা আৰু কেতিয়াও উভতি নাহিব!

আজি গা ধুৱাওঁতে এই কথাবোৰকেই মনত পৰি দামোদৰ বলদৰ চকু কেইটা পানীৰে উপচি পৰিছিল।

মৌজাদাৰৰ গৰখীয়াটোৱে 'এটা গৰুৰ বেদনা'ৰ কি ভু ৰাখিব?······সি আকৌ, দামোদৰক এচাৰিৰে মৰিয়াই মৰিয়াই নদী-ঘাটলৈ লৈ গ'ল।··· ··

প্ৰথম প্ৰেম

••••••এজনী ছোৱালী আছিল।••••••তাইৰ লগত এসময়ত মোৰ চিনাকি হৈছিল। হঠাৎ সিদিনা এখন আস্পতালত তাইক লগ পাই মনটো দেখোন বেয়াহে লাগি গ'ল।••••••

আজি প্ৰায় পাঁচ বছৰৰ আগতে এখন সৰু নগৰত তাইক মই প্ৰথম দেখিছিলোঁ। এটা ভাল চাকৰি লৈ—সৰু ঘৰ এটা ভাড়া কৰি মই নগৰখনত আছিলোঁ। মোৰ ভাড়া ঘৰৰ দাঁতিতেই আছিল এখন ছোৱালীৰ স্কুল।••••••

পানী খোৱাৰ ছুটীত কিছুমান ছাত্ৰীয়ে মোৰ ঘৰত সোমাই লগুৱাটোক খুজি পানী-ছুনি এটোপা খোৱাটো আছিল নিত্য-নৈমিত্তিক ঘটনা।••••••ইয়াত সমাজৰ ফালৰ পৰা কাৰো আপত্তি নাছিল। কিয়নো, অবিবাহিত হলেও, এজন সৎ-চৰিত্ৰবান যুৱক হিচাবেই নগৰ খনত মোৰ অলপ নাম আছিল। সঁচা কথা কবলৈ গলে, হাঁহি-খিকিন্দালি মাৰি সেইদৰে জাক-ছোৱালী মোৰ ঘৰত পানী খাবলৈ সোমালে—মনত মোৰ অস্বস্তিবোধহে লাগিছিল। ••••••সিহঁতে হুলস্থূল কৰি—পানী-ছুনি খাই গুচি যোৱাৰ পিছতহে যেন মোৰ স্বস্তিৰ নিশ্বাস পৰিছিল। সিহঁতৰ ভিতৰত কিছুমান ধুনীয়া ছোৱালীও আছিল। সিহঁতৰ লগত কথা কমেই পাতিছিলোঁ।

এদিন অকলশৰে ঘৰত আছোঁ।

—"মামা! মামা! মামা!" মোৰ ঘৰৰ দুৱাৰ ঠেলি এমুঠি হাঁহি যেন বতাহৰ ৰূপত মোৰ ঘৰলৈ সোমাই আহিল। তাই সেই ল-নি, ধুনীয়া চকুৰ মোৰ চিনাকি ছোৱালীজনী!

"মামা! আমাৰ স্কুলত পৰহি থিয়েটাৰ। আপোনাক মাতিবলৈ আহিলোঁ। মোক মতা-মানুহৰ পোছাক লাগিব।"

"অ'। পৰহিচোন মই নাথাকিম"—এনেয়ে ধেমালি কৰি কলোঁ। তাইৰ মুখখন যেন বিবৰ্ণ হৈ গ'ল ঃ "তেনেহলে মোৰ কি হব?"

"তোমাৰ কি হব মই কি জানো?" তাইক ধেমালি কৰি এনেয়ে অলপ দুখ দিবলৈ কলোঁ।

ইতিমধ্যে, ছোৱালীজনী দৌৰ মাৰি যোৱাৰ দৰে ঘৰৰ পৰা গুচি গ'ল। কাৰণ স্কুলৰ বে'ল তেতিয়াও পৰা নাই।

যথা সময়ত তাই আকৌ কিছুমান ছোৱালীৰ সৈতে আহিল। আৰু সিহঁত গোটেই জাকেই খিকিন্দালি পাতি মোৰ বাকচ খুলি মোৰ কামিজ আৰু পেণ্ট আদি মতা মানুহৰ পোচাক তাই ভাও দিবলৈ লৈ গ'ল।

সিহঁতৰ মাজৰ সেই চিনাকি ছোৱালীজনীয়ে যেন অকল কামিজ বা পেণ্টেই নহয় আৰু আন কিবাহে যেন মোৰ ওচৰত দাবী কৰি ৰহিল।

পিছত শুনিছিলোঁ, লগৰ ছোৱালীবিলাকে তাইক জোকাইছিল। ......আৰু......আৰু......। পিছৰখিনি যে অতি মাৰাত্মক। বেচেৰীজনীয়ে হেনো মোক ভাল পাইছিল।

* * *

ছোৱালীজনী আজি কালি ছুটীত পানী খাবলৈ নাহে। আৰু তাতোকৈ ডাঙৰ কথা, তাই মোৰ চকুৰে চকুৰে আতঁৰেৰে পৰাই চাব নোৱাৰে।

ল-নি দেহৰ সেই মিঠা বৰণীয়া ছোৱালীজনী শান্ত আৰু নিৰীহ ছোৱালী। তাই মোক ভাল পোৱাত মই দুখহে পাইছিলোঁ। কিয়নো, বেচেৰীয়ে হয়তো নাজানে যে মোৰ অভিভাৱকে মোৰ বিয়াৰ বন্দোবস্ত আন ছোৱালীৰ লগত পকা কৰি থৈছে।

আন ছোৱালীৰ দৰেই—এইয়ো মোৰ এজনী চিনাকি ছোৱালীয়েই হে থাকক। তাইক মই বিশ্বাসঘাতকতা কৰিব নোৱাৰোঁ। তাইৰ মনটোত আউল-বাউল লগাই দিবও নোৱাৰোঁ।

তাই এজনী সৰল স্কুলীয়া ছোৱালী……। তাইৰ প্ৰথম প্ৰেম পবিত্ৰ। ইয়াক তাই কেনেকৈ পাহৰিব?……মোৰ কথা ভাবি ভাবি তাই হয়তো কান্দিব। মই এই নগৰৰ পৰা অন্য নগৰলৈ বদলি হৈ যোৱাৰ পিছত তাই হয়তো কাঠ-খৰি শুকুৱাদি শুকাব। তাইৰ অপ্ৰকাশিত বেদনাৰ অলপ ভূ পাব হয়তো তাইৰ লগৰ ছোৱালী বিলাকেই। তেতিয়াতো মই বহুত দূৰত থাকিম। হয়তো, তাইৰ লগত মোৰ কেতিয়াও দেখা নহব।

সঁচাকৈয়ে সেই নিষ্ঠুৰ বাস্তবটো 'বদলিৰ হুকুম' ৰূপত এখিলা ইংৰাজী টাইপ্ কাগজৰ অৰ্ডাৰৰ ৰূপত এদিন মোলৈ নামি আহিল। ভাবিলোঁ, ছোৱালীজনীক এবাৰ এনেয়ে মাত লগাই যাওঁ। তাতে তাইক কেইমাহমান দেখাও নাই।

বহুতক সুধি সুধি নগৰৰ এটা চুকত তাইৰ ঘৰটো বিচাৰি উলিয়ালোঁ।

তাই মাকক চিনাকি কৰি দি কলে, "মা! আমাৰ স্কুলৰ কাষতে ভাড়া ঘৰ এটাত থাকে। সেই মই যে থিয়েটাৰৰ পোছাক আনিছিলো। আমি ছোৱালী বিলাকে এখেতক মামা বুলি মাতোঁ।"

মই যে দুই এদিনতেই নগৰখন এৰিম—এই নিষ্ঠুৰ কথাটো বাৰু এই কোমল-মনা ছোৱালীজনীক মই কেনেকৈ কম?

মোৰ আগমনত তাইযে কিমান আনন্দ পাইছিল ছাগৈ। তাইৰ ৰুগ্ন দেউতাকৰ ওচৰলৈ মোক লৈ গৈছিল। চিনাকি কৰি দিছিল। তাই ক্ষীণাইছিল, অলপ ক'লা পৰিছিল আৰু তাইৰ হাঁহো হাঁহো কৰা চকু কেইটাই যেন আজিকালি কান্দো কান্দোহে কৰি আছিল। ……তাই চাগৈ মোৰ কথা ভাবিয়েই……। তাইক সুধিলোঁ, "তুমি কেইবামাহো স্কুললৈ যোৱা নাই?"

"নাই"

"কিয় ?"

"উঃ। সুধিবলৈ যে ভাল সময় পালে।"

"সুধিলে জানো জগৰ লাগে ?"

"নিশ্চয় নালাগে। ধনী মানুহে পিছে, দুখীয়াৰ দুখৰ কথা সোধা বহুত সময়ত এটা বিলাসিতাহে। আন কথাই সোধক।"

তাই এজনী আচৰিত ছোৱালী। মোৰ এই চিনাকি ছোৱালী-জনীয়ে এই প্ৰথম মোক কথাৰেই পৰাজিত কৰিলে। হব পাৰে, তাই এজনী দুখীয়া ঘৰৰ ছোৱালী। তাইৰ তীব্ৰ আত্মসন্মান বোধ আছে। সমাজৰ নিম্ন-মধ্যবিত্তৰ দাৰিদ্ৰ্যৰ চাপ তাইৰ ঘৰখনতো আছে। থাকিলেও কোনো 'স্খলন' নাই, মনটো ভাল লাগিল। তাইক 'আৰু ভাল' লাগিল। কিন্তু আজি যে মই আনৰ বাগদত্ত।

সংস্কাৰে আমাক সংযত কৰে।......তাতে মই যে সমাজৰ এজন গণ্য-মান্য যুবক।

মোক তামোল এখন দিবৰ সময়ত বটাটো হাতত লৈ তাই কান্দো কান্দো ভাবত কলে, "মই সকলো শুনিছোঁ। বিয়ালৈ হলে মাতিব। আৰু ইয়ালৈ আহিলে মামীকো আনিব।"

আকৌ মোৰ মনটো হয়তো অহেতুক ভাবেই বৰ বেয়া লাগি গ'ল। এই ছোৱালীজনীক দুই-তিনিদিনৰ পিছত এই ঠাই এৰি যাম বুলি বাৰু কেনেকৈ কওঁ ?

আগেয়েই কৈছোঁ,—তাই বহুতো ছোৱালীৰ দৰেই মোৰ এজনী চিনাকি ছোৱালীহে। মই যোৱা কথাটো নকলেও পিছত তাই গম্ পাব। তাই আঘাত পাব। ঠিক যেন এজনী আঁজলী-হৰিণী, বাণ-বিদ্ধা হৈ আছিল, এনেতে কোনোবাই পেটত গোৰ মাৰিহে দিলে।

মোৰ যোৱাৰ কথা শুনি তাইৰ চকু চল্চলীয়া হ'ল। তাই একো কব নোৱাৰিলে। বেচেৰীয়ে জীৱনত এবাৰ সেই থিয়েটাৰৰ

কামিজটোকেই পালে, 'কামিজৰ গৰাকী'ক আৰু নাপালে…… পিন্ধা কামিজটোৰ দৰেই—তাইৰ দাবী যেন মোৰ ওপৰত থাকি যাব—আজীৱন। মোৰ ওপৰত থকা বা হোৱা তাইৰ অপ্ৰকাশিত অভিমান হয়তো আজীৱন তাইৰ অন্তৰতেই সঞ্চাৰিত হৈ ৰ'ব।

* * *

মই বদলি হৈ গৈ নতুন ঠাইত কামত 'জইন' কৰিলোঁ। পুৰণি নগৰৰ পুৰণি স্মৃতিক বিসৰ্জ্জন নিদি নোৱাৰিলোঁ। ছোৱালী বিলাকৰ স্মৃতিৰ বহুতো 'মিছিল'ৰ মাজতেই পৰি থাকক মোৰ সেই চিনাকি ভাল লগা ছোৱালীজনীৰ স্মৃতিখিনিও।……

সময়ত বাগ্‌দত্তা পত্নীৰ লগতেই মোৰ বিয়া হৈ গ'ল।

কালৰ কোলাত এবছৰ দুবছৰকৈ কেইবা বছৰো বাগৰি পৰিল। অতীতৰ মোৰ প্ৰেমৰ মানসিক পৰিধি সৰু হৈ হৈ মোৰ ঘৰ-সংসাৰ আৰু লৰা-ছোৱালীৰ মাজতেই আবদ্ধ হৈ পৰিল এতিয়া।

এজন সংসাৰী হিচাবে এসময়ত হয়তো অৱস্থাই মোক সঙ্কীৰ্ণ-মনা হবলৈ বাধ্য কৰিলে। কিন্তু, মানুহ হিচাবে, লেখক হিচাবে, মনে মোৰ সদায়েই মুক্ত নীলা পখীৰ দৰেই আকাশত বিচৰণ কৰিছিল। মোৰ পত্নীয়েও এই কথা জানিছিল। তেওঁ এইবাবে সংকীৰ্ণ ভাব লোৱা নাছিল। কাৰণ, স্বামী হিচাবে মোৰ পৰা আশা কৰা সকলো তেওঁ পাইছিল।

সেই 'চিনাকি ছোৱালী' জনীৰ কথা মাজে মাজে ভাবিছিলোঁ। তাইৰ চাগৈ বিয়া হৈ গ'ল। কিছুমান লৰা-ছোৱালীৰ মাক হৈ তাই চাগৈ ইমানদিনে কাৰোবাৰ অন্তৰ পোহৰাইছে! কথাবিলাক ভাবি ভাবি ভাল লাগিছিল।

……এদিন তাইক হঠাৎ দেখিলোঁ নগৰ খনৰ এখন বিয়াত। তাই দৰাঘৰীয়া হৈ আহিছিল। ময়ো কন্যাঘৰীয়া দৰ্শক হিচাবে বিয়াৰ ৰভাতলীত বহি আছিলোঁ।

মই গৈছিলোঁ—মোৰ পৰিয়াল লৈ। কইনাঘৰীয়া ছোৱালী-বিলাকৰ লগত তাই বহি আছিল। চালোঁ—তাইৰ শিৰত সেন্দুৰ আছেনে নাই। নাই। তাৰ মানে, তেতিয়াও তাইৰ বিয়া হোৱা নাই।

বোধহয় তাই তাইৰ সৰ্ব্বোৎকৃষ্ট পোছাক পিন্ধি আহিছিল। বিয়ালৈ আহিলে যথাসাধ্য ভাল পোছাক পিন্ধি অহা ছোৱালী বিলাকৰ সাধাৰন ধৰ্ম্মই। পোছাকৰ শ্ৰেষ্ঠতাৰ কাৰণে তাইৰ চেহেৰা-পাতি কেনে আঁছে, আজি ঠাৱৰ কৰাত অসুবিধা পাইছিলোঁ।

মই তাইৰ চকুলৈ চাওঁতেই তাই মোৰ ফালে এবাৰ চালে যেন লুকাই চুৰকৈ। কিন্তু, তাইৰ সেই চাৱনিত যেন প্ৰেমৰ দৃষ্টি নাছিল—আছিল ঈৰ্ষা আৰু করুণ-কাতৰ এযুৰি সজল নয়নৰ নিৰীহ প্ৰাৰ্থনা।

এইবাৰ তাই মোক ঈৰ্ষা কৰিছে। কিয় বা, কি দোষ মোৰ এইবাৰে? কি অদ্ভুত এই ছোৱালী বিলাকৰ মানসিক বুদ্ধি!

ভাবিলোঁ, তাইক এবাৰ লগ ধৰিম। খবৰ বাতৰি সুধিম।

ছোৱালী জাকৰ বিয়ানামৰ ছন্দে ছন্দে মোৰো চকুৰ ছন্দ মিলাই তাইক চাইছিলোঁ। মোৰ কাষতে বহি থকা গৃহিণীয়ে মোৰ গাত লাহেকৈ চিকুটি দিছিল। হয়তো মনৰ ভাব, 'তুমি এতিয়া মোৰ। আনলৈ তেনেদৰে জানো চাব পায়?'

চিনাকি ছোৱালীজনী বিয়া নৌ ভাগোতেই উঠিল। লগতে আৰু দুজনীমান ছোৱালীও।

মোৰ গৃহিণীয়ে তেতিয়া বহি বহি টোপনিয়াইছিল। মই লাহেকৈ উঠি গৈ ছোৱালীজনীৰ পিনে চালোঁ। চিনাকি ছোৱালী-জনীক উপযাচিয়েই সুধিলোঁ, "কি খবৰ?"

তাই তেতিয়া ষ্টাৰ্ট্ দি থকা মটৰখনত উঠি যাবলৈ ওলাইছিল। তাই মোলৈ মাথোন চালে যেন এক অৱজ্ঞাৰ দৃষ্টিত। তাই মোক নামাতিলে।

মটৰখনত উঠি ছোৱালীবিলাকৰ লগত তাই গুচি গ'ল।

জীৱনত এই দ্বিতীয়বাৰ—মোৰ চিনাকি ছোৱালীজনীয়ে মোক পৰাজিত কৰিলে।

*　　　*　　　*

তাৰ ভালে দিনৰ পিছত আকৌ এবাৰ তাইক লগ পাইছিলোঁ। এইবাৰ তাইৰ শিৰত সেন্দুৰ পৰিছে। তাইৰ বিয়া হৈছে। এটা চিনেমা ঘৰত তাইক বহি বহি চিনেমা চাই থকা অৱস্থাত পাইছিলোঁ। কাষতে বহি আছিল হয়তো তাইৰ গিৰিয়েক। সাজপাৰৰ পৰাই ধৰিলোঁ এজন মধ্যবিত্ত লোকৰ লগতেই তাইৰ বিয়া হৈ গ'ল। এই বিষয়ত তাই মোৰ ঘৈণীতকৈ জয়ী হব পৰা নাছিল। কিয় কব নোৱাৰোঁ, ভাবি ভাবি ভালো পাইছিলোঁ।

এইবাৰ তাই সহজ সৰল হৈছে। প্ৰথমতেই উপযাচি মোক গিৰিয়েকৰ লগত চিনাকি কৰি দি কলে, "এখেতেই আমাৰ 'ছাৰ'।" মই মনতে ভাবিলোঁ, মোৰ চিনাকি ছোৱালীজনীৰ প্ৰতি এই সম্বোধনৰ দ্বাৰা কি অবিচাৰ! মই বাৰু কেতিয়া পঢ়াইছিলোঁ—তাহানিৰ এই ছোৱালীজনীক?

পলকতেই ভাবিলোঁ, আমাৰ সমাজৰ বহুতো গিৰিয়েকে ঘৈণীয়েক বিলাকৰ 'দাদা' আৰু 'মামা' সম্বোধনক সহজ সৰল ভাবে সদায় হয়তো নলয় বা লব নোৱাৰে। ছোৱালীবিলাকে বহুত ক্ষেত্ৰতেই বিয়াৰ পিছত নিজক খাপ খুৱাই লব লগা হয়, বা লবও জানে। মোৰ চিনাকি ছোৱালীজনীও এই বিষয়ত দেখিলোঁ বেচ বুদ্ধিমতী। তাইৰ গিৰিয়েক হ'ল বেচ্ ৰসিক আৰু কথকী। মোৰ লগত ৰং-ৰহইচ্ কৰিয়েই কথা পাতিলে। প্ৰথম চিনাকিতেই চিনেমাৰ ইন্টাৰভেলত আমালৈ বুলি তামোল কিনি আনিবলৈ গল।

এইবাৰ চিনাকি ছোৱালীজনীক কি সুধিম একো ঠিক কৰিব পৰা নাছিলোঁ।

লাহেকৈ সুধিলোঁ, "তোমাক তেওঁ মৰম কৰেনে?"

"কিয় নকৰিব? খুব কৰে। আপুনি জানো মামীক মৰম নকৰে?"

এখন কাগজৰ ওপৰত কটা-তামোলপাণ লৈ গিৰিয়েক সোমাই আহিল।

এইবাৰো, মোৰ চিনাকি ছোৱালীজনী বিজয়িনী হ'ল।

তাই এইবাৰো এষাৰ সংক্ষেপ উত্তৰতেই মোক বেচ্ হকুৱালে।

অন্তৰত আঘাত পালোঁ। মূক, অকমান আঘাত। তাক হয়তো বুজাব নোৱাৰোঁ।

* * *

জীৱন যেন এটা ৰেলৰ ডাঙৰ জংছন। ইয়াত বহুতকেই বাৰে বাৰে লগ পাওঁ। কিছুমানক এবাৰ পাওঁ,—মাত্ৰ এবাৰেই।

মোৰ সেই চিনাকি ছোৱালীজনীকো লগ পালোঁ আকৌ এবাৰ—চিনেমাত লগ পোৱাৰ প্ৰায় ৫ বছৰমান পিচত।

তেতিয়া মোৰ গৃহিণীৰ লৰা-ছোৱালীৰ সংখ্যা পাঁচলৈ উঠাত তেওঁক অপাৰেচনৰ কাৰণে ডাক্তৰৰ লগত কথা-বতৰা হবলৈ আস্পতাললৈ গৈছিলোঁ। এসোপামান লৰা-ছোৱালী টেটুত লৈ পুণ্য হওক বুলি দাৰিদ্ৰ্যৰ গঙ্গা-স্নান নালাগে। এনেয়ে দৰমহাৰ পইচাৰে মাহেকটোৱেই খাবলৈ নাটে—ইমান মহঙাৰ দিনত।

চিনাকি ছোৱালীজনীক সেইবাৰো আকৌ আস্পতালতেই দেখিলোঁ তাইৰ গিৰিয়েকৰ লগত। মই আৰু গৃহিণীয়ে শেহতীয়া লৰা-ছোৱালী হাল ঘৰত ৰাখিব নোৱাৰি—এটা মোৰ কোঁচত—আনটো তেওঁৰ কোলাত লৈয়েই আস্পতাললৈ গৈছিলোঁ।

সেই চিনাকি ছোৱালীজনীক আৰু তাইৰ গিৰিয়েকক এইবাৰ মোৰ শ্ৰীমতীৰ লগত চিনাকি কৰি দিলোঁ।

মোৰ চিনাকি ছোৱালী মানে এতিয়া আনৰ চিনাকি 'গৃহিণী' জনাৰ গা জিলিকিছিল নে কি পলকতেই চাই ললোঁ। তেওঁ-

লোকৰ লগত কোনো লৰা-ছোৱালীও অহা নাছিল। হয়তো ঘৰত থৈ আহিবও পাৰে। কাৰণ ৫।৬ বছৰ বিবাহিত-জীৱন যাপনৰ অন্তত মানুহ পিতৃ-মাতৃ হোৱাই স্বাভাবিক।

গিৰিয়েকৰ লগত আস্পতালৰ বাৰাণ্ডাতেই কথা পাতিছিলোঁ। মোৰ গৃহিণীয়ে সেই চিনাকি ছোৱালীজনীৰ লগত বাৰাণ্ডাৰ আন এটা কোণত থিয় হৈ কথা পাতি আছিল।

গিৰিয়েকক আমাৰ আস্পতাল আগমনৰ কাৰণ খোৰতে কলোঁ।

মানুহজনে কলে হাঁহি-হাঁহি, "বুজিছে, আপোনালোকলৈ ঈৰ্ষাহে লাগিছে। আজিলৈকে, 'উই হেভ্ ন' ইচু'। তাকে 'চেক্ আপ'ৰ কাৰণে আহিলোঁ। কি বা ৰিজাল্ট্ পায়?"

এনেতে ভিতৰৰ পৰা নাৰ্চ এজনী ওলাই আহি কলে, "আপোনালোক ভিতৰলৈ আহক।"

মোৰ 'অতীতৰ সেই ছোৱালীজনীয়ে' গিৰিয়েকৰ সৈতে সোমোৱাৰ আগতে মোলৈ আকৌ এবাৰ মাথোন বেঁকাকৈ চাই গ'ল।

তাইৰ চকু হাল গোপনে গোপনে পানীৰে উপচি পৰিছিল।

এইবাৰ দেখোন সঁচাকৈয়ে তাইৰ পৰাজয় হ'ল!......

আস্পতালৰ পৰা ওলাই আহোঁতে ভিতৰত বহি থকা মোৰ গৃহিণীয়ে সুধিলে, "দেখোন মনে মনে আছে। নে আস্পতালত লগ পোৱা সেই সুন্দৰীজনীৰ কথা ভাবিছে?"

মই কি ভাবিছিলোঁ,—এওঁক কেনেকৈ কওঁ? মানুহে কেতিয়াবা নিজে কি ভাবে, আনকি নিজকেই ফুটাই কব নোৱাৰে।

তেতিয়া মই ভাবিছিলোঁ, 'মোৰ চিনাকি ছোৱালীজনীয়ে' আগতে যেতিয়া মোক বাৰে বাৰে পৰাজিত কৰিছিল, মোৰ অলপো 'ভাল আৰু বেয়া' লাগিছিলু।

কিন্তু আজি আস্পতালত প্ৰথম বাৰ মই জিকাৰ কাৰণেহে সঁচাকৈয়ে মোৰ দুখ লাগিছে।

বিসৰ্জ্জন

শঁৰতৰ তৃৰা-বছা আকাশখনলৈ সবিতাই একে থিৰে চাই আছিল। দূৰৰ বিৰিণা কেইজোপা, জোনাকৰ মাজেদিয়েই জিলিকি উঠিছিল। দ'মাই থোৱা বগা ধুনা কপাহৰ দৰে মেঘবিলাকক যেন কোনোবাই—আকাশৰ কোণে কোণে থূপাইহে থৈছিল।

সবিতাৰ গিৰিয়েক—স্থানীয় অফিচ এটাৰ কেৰাণী, উমাৰাম পটঙ্গীয়া—তেতিয়া বজাৰলৈ বুলি ওলাই গৈছে। সবিতাই বাহিৰৰ শৰতৰ তৰা-বছা আকাশৰ তল'ত অলপ জুৰ লৈছে। অকমানি ভণ্টিজনীয়ে বৰ আমনি কৰিছে। নিচুকনি নামেৰে সবিতাই তাইক শুৱাবলৈ যত্ন কৰিছে।

এনেতে সবিতাৰ কণ কণ লৰা-ছোৱালীবিলাকে তেওঁক আগুৰি ধৰিলে। সিহঁত এটাৰ পিছত আন এটাকৈ আহি ওজৰ তুলিলে সবিতাৰ ওচৰত, "মা! পূজা আহিল নহয়? নতুন কাপোৰ লাগিবই।"

পোনাকণ নামৰ ল'ৰাটোৱে ক'লে, "মা! মোক মটৰ চাইকেল, পুতলা-চিপাহী, ঘোঁৰা, বেলুন, 'চব্' লাগিব।"

টুনটুনে ক'লে, "মা! অকণহঁতে যি ধুনীয়া ধুনীয়া বেলুন কিনিছে। সাপ-বেলুন, বাঘ-বেলুন, হাতী-বেলুন আৰু যে কিমান কি!"

তুলনাত অধিক জ্ঞানী ডাঙৰ পুতেকৰ প্ৰদীপে মাত লগালে, "নালাগে বাৰু বেলুনবিলাক কিনিব। ধুপ্ কৰে ফুটি থাকিব। মিছামিছি পইচা খৰছ।"

টুনটুনে চিঞৰি উঠিল, "বাৰু প্ৰদীপদা বুজিছোঁ। তুমি বিজয়া

দশমীৰ দিনা চিলঙলৈ যাবাগৈ নহয়? তাততো যি ইচ্ছা তাকেই ল'ব পাৰিবা। আমি ইয়াত কিবাকিবি নলম কিয়?"

সিহঁতে দেউতাকক ক'বলৈ সাহ নাপায় কাৰণে তেখেত নোহোৱা সুৰুঙাতেই—মাককে নিজৰ নিজৰ লাগতিয়াল বস্তুৰ কথা কৈছিল।

সবিতাই গোটেই বিলাককে একেলগেই কৈ উঠিল, "প্ৰদীপে কোৱা কথাই ঠিক। মিছাই পইচা খৰছ কৰিব নালাগে। পূজা হ'ল কি হ'ল? যধে মধে এইবিলাক কিনি পইচা ভঙাতকৈ সেই ধনেৰে এখন লেপকেই ল'ব লাগিব। জাৰৰ দিন লাহে লাহে আহিলেই নহয়?"

গোটেই জাকেই আকৌ চিঞঁৰিলে, "মা! আমি কিন্তু এইবোৰ একো নামানিম দেই।"

টুনটুনে ক'লে, "সিবাৰ আমি 'মহাপুৰুষীয়া' কাৰণে পূজা-সেৱা কৰিব নাপায় আৰু পূজাত বস্তুও কিনিব নাপায় বুলি কৈ দেউতাই আমাক ভাল ফুচুলালে। পিচত দেখোন, অষ্টমীৰ দিনা মা আৰু দেউতাই পইচা দি গোঁসানী সেৱা কৰা নিজ চকুৰেই দেখিছিলোঁ।"

পোনাকণে ক'লে, "এইবাৰ পইচা দিবৰ সময়ত, 'মহাপুৰুষীয়া'ৰ ভাও ধৰিলে নহব। মই 'বাটাত' ধুনীয়া জোতা এযোৰ চাই থৈছোঁ।"

সবিতাই ক'লে, "নিদিম কিয় অ'? দেউতাৰে তহঁতক নিদি কাক দিব, বাৰু? মুবুজ কিয়, দেউতাৰলৈ তহঁতৰ মৰম নালাগে?" তেতিয়া গোটেই জাকেই টলকা মাৰিলে।

মাকে যেন সিহঁতৰ 'কিবা' এক দুৰ্ব্বল সন্ধিস্থলত আঘাত কৰিলে। বিজুলী সংযুক্ত সোকাৰ আগত চাৰ্কাছৰ বাঘৰ দৰেই ততালিকে সিহঁত বশীভূত হ'ল।

দুৰ্গাপূজাৰ পটভূমিত, এয়েই নগৰীয়া উমা কেৰাণীৰ সংসাৰ।

উমা কেৰাণীৰ ল'ৰা-ছোৱালী 'এগড়াল'। দৰ্ম্মহা পায় মাহে তিনিকুৰি দহ টকা। ঘৈণীয়েক সবিতা বৰ ঘন পোঁৱাতী তিৰোতা।

প্ৰতি বছৰেই তেওঁ মাতৃ হৈ এচকুৰে হাঁহে, আৰু গৃহিণী হৈ আনটো চকুৰে কান্দে।

উমাবাবু আপোন-ভোলা স্বভাৱৰ ধৰ্ম্মপৰায়ণ লোক। তেওঁৰ মত, ভগবানৰ বস্তু ভগবানে দিছে। পাৰিলে খুৱাম-পিন্ধাম, নোৱাৰিলে নাই। তাতে 'থাকি' যি হয়।

সবিতাহঁতৰ সংসাৰ ইয়াৰ পিচতে বহুতো জাৰ আৰু জহৰ মাজেদি পাৰ হ'ল। সূৰ্য্যৰ বহুতো উত্তৰায়ণ আহিল আৰু গ'ল। সবিতা আৰু ছুটিমান ল'ৰা-ছোৱালীৰ মাক হ'ল। উমাৰ দৰ্ম্মহাও অলপ বাঢ়িল।

উমাবাবু হেনো লেতেৰা আৰু জধলা। তেওঁৰ মূৰৰ চুলি সদায় থিয় হৈয়েই থাকে। তেওঁক হেনো অফিচত বহুতেই হাঁহে। ছুটামানে যে দূৰতে দেখিলেই ফিচিঙা-ফিচিঙিখন কৰে। কিছুমান চৌখিন নতুন ডেকা কেৰাণীয়ে নিজৰ ভিতৰতেই ছন্দ লগাই গাই ৰহস্য কৰে ঃ "উমা-ভায়াৰ এখন ধূতি, পোন্ধ্‌টো লৈয়েই লটি-ঘটি।"

কিছুমানে কয়, উমাবাবুৱে পুহমহীয়া নিশা জুহালৰ গুৰিতেই কেতিয়াবা শুই থাকে। ল'ৰা-ছোৱালী বিলাকৰ গাত থৈলা কম্বল জাপি দিয়ে। আকৌ, উমা মানুহজন বৰ 'আনচোচিয়েল', 'মস্ত', 'ছিনিক' ইত্যাদি।

মুঠতে, উমাবাবু অসামাজিক নহয়। কথা হৈছে, মেল-মিটিংলৈ যাবলৈ, মানুহৰ লগত বা ঘৰত বহি আড্ডা দিবলৈ তেওঁৰ মুঠেই সময় নাই। অফিচৰ কামত উমাবাবু নিয়মীয়া। ওপৰৱালাৰ কলমলৈ ভয় কৰি চলে। নিয়মমতেই তেওঁ অফিচলৈ অহা-যোৱা কৰে। একে দিনতেই বিভিন্ন সময়ত তেওঁ একেধাৰে কেৰাণী, পিতৃ, গৃহস্থী, গৃহ-শিক্ষক আৰু বজাৰ-সমাৰ কৰোঁতা লোক। আহৰি সময় কণত তেওঁ ছুটা চিন্তাই কৰে। প্ৰথম কাইলৈ কাৰ ওচৰত খাবলৈ টকা বিচাৰিব? দ্বিতীয়তে, অলৌকিক ভাৱে, এদিন 'ডাৰ্বি লটাৰী'ত বহুতো টকা পোৱাৰ বাতৰিৰে টেলিগ্ৰাম এখন যদি হঠাতেই পালেহেঁতেন।

উমাই দিঠকত 'ডাৰ্বি'ৰ টিকট কিনিব নোৱাৰে। তেওঁ সপোন দেখে। ভাল সপোন ভাল পায় কাৰণে কলাঘুমটিও তেওঁ ভাল পায়। 'লেজাৰ'ৰ সময়ত অফিচত টোপনি যায়। আচলতে টোপনি নাযায়। লগৰ কৰ্ম্মচাৰীবিলাকে চাহ খালে, উমাবাবুৱে হয় তেওঁৰ মেজৰ ওপৰৰ ফেনখনলৈ চাই থাকে নহয় টোপনি অহাৰ ভাও জোৰে। বাকীবিলাকৰ মুখত চাহৰ চোঁথ আৰু বিস্কুটৰ 'মচ্ মচ্' শব্দৰ ঐক্যতান শুনা যায়। লগৰ বিলাকেও উমাবাবুক সদায় চাহ যাচিবলৈ নিঃসহায় ভাৱেই সহায় কৰিব নোৱাৰে। কাৰণ, সকলো সেই একে অফিচৰেই মানুহে ইঁহা, 'মাখি-মৰা কেৰাণী'। কেৰাণীৰ জীৱনত অভাবেই নাই, মহত্বও আছে। সেয়েহে, কেতিয়াবা তেওঁলোকৰ ভাগৰেই চাহ উমাবাবুলৈ আগবঢ়ায়।

উমাই ধন্যবাদ সহ উত্তৰ দিয়ে, "আজিকালি বেচি চাহ এৰি দিছোঁ। পেটৰ অসুখ মানে,......'গেষ্ট্ৰিক' বুজিছে?" ঘৰতো উমা আৰু সবিতাৰ ল'ৰা-ছোৱালীবিলাক যেন 'গিনিপিগ'ৰ পোৱালিহে। চেঁচুকৰ ডামডেউকাৰ দৰেই সিহঁত বাঢ়ি আহিছিল। সিহঁতৰ পেটৰ জুই কেইকুৰাত খৰি-খেৰ যোগাই মাক-দেউতাকৰ তৰণি নাই। সিহঁতৰ মাথোন 'খাওঁ' 'খাওঁ' মূৰ্ত্তি। কিবা বস্তু ঘৰখনলৈ আনিলেই চেলেকনা মাছৰ দৰেই সিহঁতে টপাটপ্ আজুৰি খায়। ঘৰলৈ মাছ আনিলে মাছৰ মূৰ খোৱা লৈ নিজৰ ভিতৰতেই খোৱা-কামোৰা লগায়। কাঁহি-বাতি কম কাৰণে একেখন কাঁহীতেই দুই তিনিটাই ভাত খায়। সবহকৈ খোৱাৰ আশাত, বা আনটোৱে আগতেই খাই ঢুকুৱাব ভাবি তপতে তপতে ভাত গিলোঁতে জিভাৰ ছাল যায়। ঘৰত নিমিলিলে মনে মনে ওচৰ-চুবুৰীয়াৰ বাৰীৰ আম, কঠাল খুজি বা চুৰি কৰি খোৱাৰ অভ্যাস কেৰাও সিহঁতে আৰ্জ্জিলে। ঘৰলৈ বিশিষ্ট আলহী অতিথি আহিলে, তেওঁলোকৰ জেপত হাত ভৰায়, পইচা খোজে আৰু লুচিৰ থালৰ এৰেহা খাবলৈ টনা-আজোৰা কৰে। আলহীৰ সাক্ষাতত সবিতাইঁতে লাজতে দেখিও নেদেখাৰু

ভাও ধৰে। গধূলি সবিতাই সিহঁতক 'এপিটন' দিয়ে। সিহঁতে কান্দি টেঁটুফালি চিঞঁৰে। ঘৰখনত কি হ'ল বুলি ওচৰ-চুবুৰীয়া চাপি কুচিং আহে। সন্ধিয়া উখহা হাত-মুখেৰেই সিহঁতে কয়হি ঃ "মা! ভাত দে, আমাৰ ভোক লাগিছে।"

সবিতাই সন্ধিয়া ভাত নাখায়।

"অভাৱেই বাছাহঁতৰ স্বভাৱ নষ্ট কৰিছে"—তেওঁ টোপনিত লালকাল দি শুই থকা সিহঁতৰ মুখৰ উখহা খিনি পিহি দিয়ে আৰু কান্দে। উমাই সিটো ৰুমত কাঁহে। নাইবা, অফিচত শেষ কৰিব নোৱাৰা 'ফাইল'ৰ কাম ঘৰতেই আনি কৰি থাকে।

সিহঁতৰ পৰা সবিতাৰ সুখ নহ'ল। জোৰা-তাপলি মাৰি কিনি দিয়া ছিলঠ পেঞ্চিল সিহঁতে ঘনে ঘনে ভাঙে। বাটত আনৰ ল'ৰা-ছোৱালীৰ ছিলঠ কাঢ়ি আনোঁতে তুমুল যুদ্ধ হয়। কেতিয়াবা, সাধুকথাৰ অকণি আহত সৈন্যৰ দৰেই সিহঁত ক্ষত-বিক্ষত অৱস্থাত কান্দি কান্দি ঘৰ পায়হি।

ভাগ্যে, যেনিবা, পিন্ধা-উৰা আৰু শোৱাত সিহঁতৰ বৰ ধূন-পেঁচ নাই। সন্ধ্যা লাগিলেই এপেট ভৰাই লৈ যেনি তেনি বাগৰ সলায়। মহৰ দিনত টোপনিতেই সিহঁতৰ উস্ আস্ কৰি বাগৰ সলোৱাৰ শব্দ আৰু ঢুপ ঢাপ মহ মৰাৰ শব্দ শুনা যায়। ফটা আঠুৱাৰ তলত সোমাই থকা দাৰিদ্ৰ্য-দৈত্যক সবিতাই এটা বেজিৰ আগেৰে কেনেকৈ হকুৱাব?

সিহঁতৰ আৰু এটা অভ্যাস আছিল জন্তু-প্ৰীতি। বাটত মেকুৰী, কুকুৰ-পোৱালি, টিঁয়া ভাটৌ, এইবিলাক পালে সিহঁতে ধৰি আনে আৰু পোহে।

ল'ৰাই-ছোৱালীয়ে, কুকুৰে-মেকুৰীয়ে, চৰাইয়ে-চিৰিকতিয়ে, উমা কেৰাণীৰ ' ঘৰ নহয়, জানিবা যাদু-ঘৰহে। ঘৰটো কেঁচা আৰু ভেঁটিটো জেকা কাৰণে অনবৰত ঘৰখনত কাঁহ আৰু পানীলগা সুগুছে। কেইটামানৰ ৰাতি ৰাতি জ্বৰ উঠে। বেজিনী বুঢ়ীয়েই

ঘৰখনত চিকিৎসক। দৰবৰ বানচ লয় চাউল বা আলুটো, বেঙেনাটো। চিকিৎসাৰ নামত তাই বহুত সময়ত সৰ্প হৈও দংশে, বৈদ্য হৈও জাৰে।

ঘৰখনত হেনো দ্বিতীয় ল'ৰাটোহে ওপজাৰ পিছতেই মৰিছিল।

তাৰেই কথা উলিয়াই কেতিয়াবা উমাই হুমুনিয়াহ পেলায়। সবিতাই একো নামাতে। বেজিনী বুঢ়ীয়ে কয়, "বোপাই! ভৰা গছৰ গুটিও গোটেইবিলাক নাথাকে নহয়?"

উমাবাবুৰ আশা আৰু বয়স ভটিয়াইছে। আগদাঁত সৰিছে। চুলিও পকিছে অকালতেই। তেওঁ সংসাৰ চলাইছে, অফিচ কৰিছে আৰু যন্ত্ৰৰ দৰে চলি আছে। সবিতাই আজুৰি আজুৰি ঘৰৰ বন কৰিছে। চুবুৰীয়া ৰূপাইঁতৰ চুৰেটাৰ গুঠিছে। শালত একোহাঁলি দুকোহাঁলি কাপোৰ বৈছে। বেজিনীয়ে তাকেই বজাৰত বেচি লাভৰ টকা নিজলৈকেই সৰকাইছে।

নগৰখনত আন কেইবাৰৰ দৰে এইবাৰো দুৰ্গা-পূজাৰ কাৰণে দল-দোপ্ হৈছে। পূজালৈ আৰু কেইদিন মানহে বাকী আছে। অকণি অকণি ছোৱালী ৰিহা-মেখেলা পিন্ধি পুতলা-কইনা একোজনী যেন হৈ ধুনীয়া ধুনীয়া হাঁহি মাৰি বায়েকহঁতৰ লগত আলিলৈ ওলাইছে, ল'ৰাবিলাকৰ গাততো তত্ নাই। নগৰৰ কোন জনা প্ৰতিমা বেছি ভাল হৈছে, তাকেই নিৰীক্ষণ কৰি ফুৰিছে। কিছুমানে বা চান্দা তুলিয়েই ব্যস্ত আছে।

সবিতাৰ ল'ৰা-ছোৱালীবিলাকে পূজাৰ বস্তু কিনিবলৈ হুলস্থুল লগাই দিছে। মাজ-মূৰকত উমাবাবুৰ ধন নাই। ভয়তেই পূজা এড্ভান্সৰ ধন নললে। নহলে যে অহা মাহত ঘৰে ঘৰোৱালে লঘোণে মৰিব লাগিব। উমাবাবুৱে পূজাৰ কেইদিন গধূলি ল'ৰা-ছোৱালী জাকক লৈ পূজা দেখুৱাই ফুৰিছে। সিহঁতে বস্তু কিনিব নোৱাৰিলেও সেইবোৰ চায়েই তৃপ্তি লভিছে। ভিতৰৰ দাৰিদ্ৰ্যই যেতিয়া মানুহক দুখ দিয়ে, তেতিয়া বাহিৰৰ পাব নোৱাৰা সম্পদলৈকেই

চাই মানৱ প্ৰাণে শান্তি পায়। উমাৰ ল'ৰা-ছোৱালীবিলাকে পূজাৰ বজাৰত বিনা টিকটৰ বাৰোৱাৰী যাত্ৰা চায়েই চকুৰ তৃপ্তি পলুৱালে। লাহে লাহেঁ পূজাৰ অষ্টমী গৈ নবমীত পৰিল।

* * *

সেইদিনাই সন্ধিয়া সবিতাহঁতৰ ঘৰত এক ঘৰুৱা আলোচনা বহিল। উমাবাবুৱে ঘৈণীয়েকক ক'লে, "বুজিছা সবি! কথাটো মই বৰ পছন্দ কৰা নাই। হাকিমৰ ঘৰত থাকি ডাঙৰ দীঘল হৈ প্ৰদীপে যদি পিছত আমাকেই পাহৰি পেলায়?"

সবিতাই 'চৰম' সুৰতেই মাতে, "প্ৰদীপ মোৰেই ল'ৰা বা বাই-দেউৰেই ল'ৰা একেই কথা। ঘৰখনৰ ভিতৰত হয় যদি তেও এটা ল'ৰাই 'মানুহ' হওক। বছেৰেকীয়া পূজাটো আহিল, পাৰিলে জানো প্ৰদীপক নতুন পোছাক এযোৰ দিব?"

"এৰা, সিহঁতক পোছাকো দিব নোৱাৰিম, কিজানি তাক 'মানুহ' কৰি দিও মৰিব নোৱাৰিম, সবি!" উমাই হুমুনিয়াহ এটা পেলাই ক'লে।

সবিতাই মাত লগালে, "কিযে কথাবিলাক কয়! মই জানো আপোনাক কেতিয়াবা তেনেদৰে কৈছোঁ? অ' আই! মনৰ দুখত দুই আষাৰ কলেও 'মানুহে' বেজাৰ পায়......"

দীঘলীয়া আলোচনাৰ অন্তত প্ৰদীপক পঠোৱাটোৱেই ঠিক হ'ল। এনেতে সবিতাই ভাবিলে, 'মোৰ বাছাটোক' বাইদেউহঁতে আৰু ক'ৰ এনে ফটা ঘুগুলা বিছনাত শুবলৈ এৰি দিব। আজি-য়েই সি ঘৰৰ বিছনাত শুই লওক।'

প্ৰদীপ তেতিয়া ভায়েক-ভনীয়েকহঁতৰ লগত শুইয়েই আছিল। ৰাতি ৰাতিয়েই সবিতাই প্ৰদীপৰ কাৰণে টালি-টোপোলা বান্ধিলে। তাৰ 'হাফ্‌পেণ্ট'টো গাৰুৰ তলত ইস্ত্ৰি হ'বলৈ থৈ দিলে। প্ৰদীপ পুৱাই যাবগৈ। কিয়নো দশমীৰ দিনা যাত্ৰা কৰিলে হেনো, আৰু যাত্ৰা নকৰিলেও হয়।

সবিতাৰ বায়েক ওৰফে ছিলঙৰ অপুত্ৰকা হাকিমনী মিছেচ্ ৰাজখোৱাই প্ৰদীপক তোলনীয়া পো কৰি লবলৈ বহুত দিনৰ পৰাই ভনীয়েকহঁতক খুজি আছিল। উমাবাবুহঁতৰ মোহ লাগিছিল। এটা স্থিৰ সিদ্ধান্তলৈ অহাৰ আগতেই বহুতো গুণা-গঁঠা কৰিছিল। কাৰণ, প্ৰদীপ ঘৰৰ ডাঙৰ লৰা। দেখাত সি বৰ ধুনীয়া। পঢ়া-শুনাতো আনবোৰতকৈ চোকা।

মিঃ ৰাজখোৱাই ছিলঙৰ পৰা গাড়ী আৰু ড্ৰাইভাৰ পঠাই দিছে দশমীৰ দিনাই গধূলিকৈ প্ৰদীপক পঠাই দিবলৈ। চিঠিত লিখিছে, 'প্ৰদীপক তেওঁলোকে নিজৰ ল'ৰাৰ দৰেই পালন কৰিব।'......

......জেঠায়েকে তো প্ৰদীপ বুলিয়েই পৰি মৰে; আৰু লগতে প্ৰদীপৰ জন্ম তাৰিখটোও যেন লিখি পঠিওৱা হয়। কাৰণ তাৰ জন্ম দিন প্ৰতি বছৰেই পালন কৰা হ'ব।......'

* * *

......দেবী বিসৰ্জ্জনৰ দিনা...... প্ৰদীপ সাজি-কাচি ওলাল। সবিতাৰ ঘৰখনত হুলস্থুল লাগি পৰিল। ল'ৰা-ছোৱালী বিলাকে কথাটো এতিয়াহে যেন গম পালে। প্ৰদীপক সিহঁতে বেৰি লৈ ক'লে, "দাদা! তুমি বজালা। ছিলঙত মিঠা 'ৰসগোল্লা' আৰু 'পানতোৱা' খাবলৈ পাবা। ধুনীয়া ধুনীয়া মটৰত উঠিবা; পূজাৰ বেলুন উৰুৱাবা।"......

সৰু ল'ৰা কাৰণে প্ৰদীপৰ বেয়া লগা নাছিল। বৰং ছিলঙত পঢ়াৰ কথা ভাবি ৰঙহে পাইছিল। ইয়াৰ স্কুলঘৰটো যে সিহঁতৰ ঘৰতকৈয়ো ভগা-ছিগা! ছিলঙৰ স্কুল ছাগৈ পকী আৰু চূন দিয়া কথাটো ভাবিয়েই তাৰ ভাল লাগিল।

প্ৰদীপে অকণি ভন্টীক কোলাত লৈ চুমা এটা খাই ক'লে, "ভন্টী! তোলৈ 'ৰসগোল্লা' চিঠিৰ ভিতৰত পঠিয়াই দিম, দেই।"

ভন্টীয়ে থুন্নুক্ থানাক্‌কৈ ক'লে, "বা-লু।"

সবিতাই প্রদীপক ক'লে, "বাপুকণ! জেঠায়েৰক আৰু জেঠ-পাৰক মা আৰু দেউতা বুলিবি। অবাধ্য নহবি, পঢ়া-শুনা কৰিবি। আজিৰ পৰা তেখেত সকলৰেই ল'ৰা হলি।"

প্রদীপে' ক'লে, "মা! আজিৰ পৰা মোৰ দুটা দেউতা, দুজনী মা হ'ল, নহয়?"

সবিতাই, একো নামাতিলে। লাহেকৈ কলে, "কৰ, যোৱাৰ আগতেই দেউতাৰক সেৱা এটা কৰ।"

উমাবাবুৱে সেৱা গ্রহণ কৰিলে। প্রদীপক তুলি ধৰিলে। চুমা নাখালে। ক'ৰবাত মায়া হ'ব। মায়া প্রৱঞ্চক, ই ছলনাময়.... ।

তেওঁ শূন্যৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। যেন, সংসাৰত একো হোৱাই নাই। তেৱেঁা তাত থিয় হৈ থকা নাই।

প্রদীপ গাড়ীত বহিলগৈ।

এনেতে ঘৰখনত হুলস্থূল লাগি পৰিল। তেওঁলোকৰ পঞ্চম আৰু ষষ্ঠ পুত্রই কিবা কথা এটা কৈ কাজিয়া কৰি মূৰ-ফালো ফালো কৰিছে। মুমলীয়া যঁজা কেঁচুৱাহালে গাখীৰ খাবলৈ সবিতাক দুয়োফালৰ পৰাই আক্রমণ কৰিছে। ক'ৰবাৰ ক'লী গাই এজনী আহি সবিতাই ধাৰলৈ অনা চাউল খিনি পাক-ঘৰ সোমাই খাবলৈ আৰম্ভ কৰিছে।

সবিতাই কোন ফালে কি কৰিব, ভাবি উৱাদিহ নোপোৱা যেন হ'ল।

প্রদীপ গলগৈ.......

সবিতাই ভাবিলে, 'তেওঁৰ এতিয়া সময় নাই। ভাবিবলৈকে আহৰি নাই। যেতিয়া ঘৰখন শাঁত হ'ব, অলপ নিজম পৰিব, তেতিয়া তেতিয়া নিশা, তেওঁ প্রদীপৰ কথা ভাবিব। প্রদীপৰ কাৰণে তেওঁৰ চকুৰ পানী বব ৰাতি ৰাতি। আৰু......।'

দশমীৰ দেবী বিসর্জ্জন হয়, বছৰেকত এবাৰ। কিন্তু উমা কেৰাণী আৰু ঘৈণীয়েক সবিতাই আজি যাক বিসর্জ্জন দিলে, সি জানো বছৰে বছৰে ষষ্ঠীৰ দিনা ছিলঙৰ পৰা নামি আহিব?

হাড়শুচি

"হৈছে খুৰীদেউ! তাৰ পিছত কি লিখিম?"

"লিখ যা……'তোমালোক দেখোন বহাগৰ বিহুতেই অহাৰ কথা আছিল। এতিয়া, চাওঁতে চাওঁতে পূজাই পালেহি। বিমলী-জনীৰ পৰাও চিঠি-পত্ৰ এডুখৰি নোপোৱা হ'লোঁ। মোৰে কপালৰ দোষ। নিজৰ পো-পৰিয়াল বুলিবলৈ কোনো নাই। তোমালোক জী-জোঁৱাইৰেও দিছা পিঠি। মইনো জুই একুৰা বুকুত বান্ধি কেনেকৈ থাকোঁ? যমেও মোলৈ বাট নেদেখা হ'ল…… ।"

"খুৰী! চিঠিত 'মহাভাৰত' লিখিব নোৱাৰি। আপুনি ইমান খৰকৈ নকব। ৰ'ব। কথা বিলাক থুপাই লিখোঁতে মোৰ সময় লাগে নহয়? অ'……তাৰ পিছত?"

"লিখ, মোৰ গা বৰ ভাল নহয়। ভালকৈ চকুৰেও নমনা হ'লোঁ। তাতে, জেঠত বাত বিষটোৱে উক্ দি মোক তেনেই কোঙা কৰিলে। ৰান্ধিব-বাঢ়িব নোৱাৰা হ'লোঁ কাৰণে ভাত-পানী মাজে মাজেহে খোৱা হয়। পানীৰ লগত যমদূতৰ শাস্তি, মোৰ লগত বাইদেউৰৰ লঘোণ। মই নাখালে তায়ো নাখায়।"

"তাৰ পিছত?"

"লিখ, মহাপ্ৰভুৰ কিৰপাই মা-জী দুয়োজনী নমৰি জীয়াই আছোঁ।"

"এ' খুৰী! এবাৰ ক'ব, 'বাত-বিষ', এবাৰ ক'ব 'ভালে আছোঁ'। কোনটোনো এৰোঁ, কোনটোনো ধৰোঁ? চিঠিত এটা কথাইহে লিখিব লাগে।"

"মই বুঢ়ীয়ে লিখিব-পঢ়িব জনা হ'লে তোক এইদৰে ধৰি

বান্ধি আনি লিখাওঁহি নে? তাতে তই আকৌ বোলে 'ল' পাছ। মই দেখোন 'ক' পাছেই নহওঁ। লিখ বোপাই! মই মুখেৰে কোৱা বুঢ়ী, কৈ যাম। তই তাকে জুকিয়াই মেলি ভালকৈ লিখিবি। আৰু বেলি তই লিখা চিঠিয়েই হে জী-জোঁৱাইক টানি আনিব পাৰিছিল।"

"লিখিলোঁ খুৰী। এতিয়া আপোনাৰ নাতিনী ঢুজনীলৈ মৰমৰ চুমা?"

"অ......দিছোঁ, লিখ।"

"জী-জোৱাইলৈ আশীৰ্ব্বাদ?"

"নকলেও দেখোন জানিছই। আকৌ এবাৰ 'বধ শপত' দি সিহঁত হালক মাতি পঠিয়াব লাগে। লিখ, ঘৰ-দুৱাৰ সামৰিব-সুতৰিব লাগে বুলি 'বিমলী' আহিব নোৱাৰিলেও সিয়েইতো ছুদিনৰ ছুটী লৈ পাক এটা মাৰি যাব পাৰে। মুঠতে আজি বছৰেকে কোৱা-চিলনীৰ মুখেও সিহঁতলৈ বতৰা পঠিয়াই ভাগৰিলোঁ।"

"খুৰী, চিঠিখন দীঘলেই হ'ল, সামৰোঁ। বাৰু, আগৰে পৰা গুৰিলৈকে গাই দিওঁ শুনক।"

চিঠিখন শুনি শুনি বুঢ়ী গৰাকীৰ চকু ছুটা যেন প্ৰফুল্লিত হৈ পৰিল। 'নাতিনী কেইটাক মৰমৰ চুমা' বুলি পঢ়া শুনিয়েই বুঢ়ীৰ এমোকোৰা তামোলৰ পিক্ মুখৰ পৰা বৈ পৰিল।......

এনেতে জীয়েক কমলাই এবাটি চাহ আৰু শুকান কল-পাতত অলপ গুৰ আনি মোৰ ওচৰতে থলেহি। কমলাক মই 'বাইদেউ' বুলি মাতো। কাৰণ, বয়সত তেখেত মোতকৈ ভালেদিনৰ ডাঙৰ। লিখা-পঢ়া নজনা মানুহৰ চিঠি লেখকৰ, স্বাক্ষৰী গৌৰৱেৰে মই চাহৰ বাটিত মুখ দিলোঁ।

বুঢ়ীয়ে চকু মুদি, মই পঢ়ি দিয়া চিঠিখন শুনিছিল। এনেতে, হঠাৎ মাত দিলে, "বোপাই! পাগলী মন পাহৰিছিলোৱেই...লিখ... ...লিখ......তাতে জোৰা দি আৰু এবাৰ কমলীৰ কথা। বোলোঁ,

তাইক কি চিন্তাই খুলি খুলি খাইছে, ক'ব নোৱাৰোঁ। ছোৱালীজনী শেঁতা হৈ গৈছে, মনটো সদাই মাৰি থাকে।"

দুৱাৰৰ সিফালে বৈ থকা কমলা বাইদেৱে মাত লগালে, "আই! সেইবোৰ কথা লিখিব লাগিলে চিঠি গৈ আৰু যোৰহাট নাপাব। ইয়াতেই ফালিম। কাৰোবাৰ মনত কিবা বেজাৰ থাকিলেই বা নাথাকিলেই, সেইবোৰ চিঠিত লিখি আনৰ মনত ৰং বা বেজাৰ দিয়াৰ কি আৱশ্যক?"

বুঢ়ীয়ে জীয়েকক দবিয়াই কোৱাৰ দৰেই ক'লে, "তই কি জান, আইটি! তই কি জান? বোপাই! বাৰু তাইৰে কথা ৰক, নালাগে সেইবিলাক লিখিব। বিয়াখনৰ কথা হলে লিখ। আহিনৰ একুৰি সাত দিন যাওঁতে জী-জোঁৱাই আহি পাবই লাগিব।"

মোৰ কাম শেষ হ'ল। লিখা চিঠিখন খামটোত ভৰাবলৈ ভাজ কৰিলোঁ। তেতিয়া কমলা বাইদেৱে বাহিৰৰ চোতালত শুকাবলৈ দিয়া ধান, ৰইনাৰে মেলি দিয়াৰ শব্দ হৈছিল। খুৰীয়ে আধা খুন্দা তামোল আধাতেই এৰি বাজলৈ বৈৰাগী দৃষ্টি যেন নিক্ষেপ কৰিছিল। তেখেতৰ কুমৰ কোঁচ খোৱা বাৰ্দ্ধক্যৰ ৰেখা কেইডাল যেন জিলিকি উঠিছিল।

* * *

বুঢ়ীয়ে নিশ্চয় ভাবিছিল অতীতলৈ। অৱশ্যে এই বয়সত তেখেতে নিজৰ অতীত—বৰ্ত্তমানতকৈয়ো নিজৰ স্বামীৰ আৰু পুত্ৰ কন্যা পৰিয়ালৰ কথা চিন্তা কৰাটোৱেই স্বাভাৱিক। স্বামীৰ কথা আৰু কি ভাবিব? বিমলা আৰু কমলা দুজনী ছোৱালীক মাথোন কোঁচত দি প্ৰায় ডেৰকুৰি বছৰৰ আগতেই তেখেতৰ ভনুৰা গিৰিয়েক এদিন সন্ন্যাসী হৈ ঘৰৰ পৰা ওলাই গৈছে।

খুৰীৰ জীৱনত কি কম দুখ গৈছে? লগতে বিমলী আৰু

কমলীৰো। জীৱনত সিহঁতৰ সুখে আৰু ডিল মেলিব নাজানিলে। আনৰ নাও ডুবে পানীত। বুঢ়ীৰ কেতিয়াবা ভাব হৈছিল, আপদ কালত• সিহঁতৰ জীৱনৰ নাও, বামতেই বুৰিব। দুখৰ দীঘলীয়া ৰাতি আৰু নুপুৱাব।······

তথাপিও বুঢ়ী জীয়াই আছিল বিমলা-কমলাৰ কাৰণে। মাতৃত্বৰ কৰ্ত্তব্যৰ বেদীত জীয়াতু ভুগিও জীৱন এইদৰেই যুগে যুগে জীয়াই আহিছে।

প্ৰায় ডেৰকুৰি বছৰৰ আগৰ কথা—

······বুঢ়ী······ডাম-ডেউকাৰ দৰে বাঢ়ি অহা দুজনী জীয়েক আৰু ৰাশি ৰাশি দাৰিদ্ৰ্য, শাক, কচু, পচলা, ফটাকানি, ফটা বিহাৰ মাজেদিয়েই যৌৱন বিকশিত হয় বিমলা-কমলাৰ। দুয়ো-জনীয়েই এনে বয়সত উপনীত হয়, যি বয়সত গাৱঁৰ ফাগুণৰ পছোৱা বা বসন্তৰ বা ছাটিয়ে মনত ছাটি-ফুটি লগায়।

এতিয়া যেন বুঢ়ীৰ প্ৰতি সমাজৰ বহুতৰেই লেৰেলা মৰম উপচি পৰে। গাৱঁৰ বহুতো ডেকাই বুঢ়ীৰ তালৈ উপযাচি অহা-যোৱা কৰে, আৰু লাচনি-পাচনি কাম কৰি বুঢ়ীৰ মনত ৰং লগাবলৈ যত্নপৰ হয়।

বুঢ়ীয়ে বুজে, সাৱধান হয়। এজাক ডেকাৰ আগত ছোৱালীহঁতক ওলাবলৈ নিদিয়ে। কাৰণ, জানে যে সিহঁতৰ 'আইতা' সম্বোধন মাথোন উপলক্ষ্য, হয়তো জীয়াৰীহঁতেইহে লক্ষ্য। সংসাৰ চক্ৰত ইতিমধ্যেই জুলুকি জুলুকি পানী খোৱা খুৰীদেউ হয়তো এনে উদাৰতাৰ কাৰণে অপৰাগ। আখৰ বা কিতাপ নিচিনিলেও মানুহ চিনোতে বুঢ়ীৰ সৰহ সময় নালাগে।

খঙত, হতাশাত, সিহঁতে দাঁত কৰচি কেতিয়াবা বুঢ়ীৰ ঘৰৰ আন্ধাৰখিনিকেই যেন চোবাই খাব।

বুঢ়ীৰ হাতত অলপ সাঁচতীয়া ধনো আছিল। ছোৱালীহঁতৰ আছিল ৰূপ আৰু গুণ। সিহঁত দুখীয়া হলেও দৰ্বা ওলাব।

বুঢ়ীয়ে ভাবে, গাৱঁৰ এইবোৰ লাপি-লুপা লবাক মোৰ মাণিক দুজনীক সঁপিব নোৱাৰি।

বুঢ়ী, দুজনী জীয়াৰী, গাৱঁৰ মাজৰ এটা জুপুৰী আৰু সমাজ। বিমলা আৰু কমলা দুয়োজনীয়েই পাট-গাভৰু। কমলা ডাঙৰ হলেও দুয়োজনী কানসমনীয়া যেন। দুয়োজনী একে লগেই ফুৰে। গাৰ-ছাঁৰ দৰে ইজনীৰ লগত সিজনী সদায় লগ লাগিয়েই থাকে,— পথাৰলৈ যাওঁতে, খাওঁতে-শোওঁতে, আনকি ৰাতি বিয়লি চুৱনিত কাঁহী-বাটি ধোওঁতেও।

মাজতে অলপ দুষ্টালি কৰি বিমলাই কমলাক কয়, "বাইদেউ! তই মোক কেতিয়াও এৰি নাযাবি, দেই।"

কমলাই হাঁহি এটা মাৰি কয়, "ধেৎ, পাগলীজনী! কিযে কথা বিলাক কৰ!" হয়তো মনৰ ভাৱ, "বাৰু, ভন্তী! দেখিলেহে লেখিম?"

আজি চোতালত ধান চপাই থকা কমলাৰ মনত অতীতৰ সেই স্মৃতিয়ে জুমুৰি দি ধৰিছে। মৰমৰ ভনীয়েকে তাইক এৰি থৈ যোৰহাটত সুখেৰে সংসাৰ কৰিছে। আৰু কমলাৰ?

জীৱনৰ সামান্য ঘটনা এটাই তাইৰ জীৱনৰ সুঁতিটিকেই বদলাই দিলে। ধৰ্ম্ম-পৰায়ণা মাকৰ মুখে মুখে শুনি সৰুৰে পৰাই তাই নিজকেই নল-দময়ন্তী, বেফুলা-লখিন্দাৰ, সত্যবান-সাবিত্ৰীৰ কাহিনীৰ নায়িকাৰ দৰে সতী সাধ্বী কৰি গঢ়ি তুলিবলৈ হাবিয়াস কৰা নাছিল? মাটিৰ পৃথিবীত তাইৰ জীৱনটোত কিয় বাৰু আউল লাগিল? সত্যৱতী হৈয়ো তাই কিয় জীৱনত কোনো সত্যবানকেই লগ নাপালে? কথাবিলাক ভাবি-ভাবি কমলাৰ, মানে দুকুৰিবো ওপৰ বয়সীয়া এজনী আবিয়ৈ ছোৱালীৰ মূৰটো আচন্দ্ৰাই কৰে। ধান চপাবলৈ এৰি—পিৰালিৰ ছাঁত খন্তেক বহি মূৰত এচলু পানী দিয়।

বিমলাক তাই খঙেই কৰিবনে ক্ষমা কৰিব ভাবি পাৰ নাপায়,— মানে তাৰ আত্মাটোক।

জীয়াৰী কালৰ তাহানিৰ সেই ঘটনাটো তাই সোঁৱৰে। সি এটি সাধাৰণ ঘটনা। তাই সেইটোকে মনত পেলাবলৈ বাধ্য হৈছে। কাৰণ সেই ঘটনাই তাইক এটি অবিস্মৰণীয় বেদনা দান দিছে।

বিমলৰ কথা তাই কেতিয়াও ভবা নাছিল। তাই কেতিয়াও নাজানিছিল গাৱঁৰ ধুনীয়া, কেঁকোৰা চুলিৰ, ধীৰ আৰু শান্ত স্বভাবৰ ল'ৰা বিমলে আচম্বিতে আহি তেনে কাণ্ড কৰিব।

এৰা, বিমলেই তাইৰ......। কমলাহঁতৰ দিনত পৰ-পুৰুষৰ মুখলৈকে চোৱা পাপ হেনো—বিয়াৰ আগতে। এদিন সন্ধিয়া ঘৰত কোনো নথকাৰ চেলু লৈ সেই বিমলেই আহি কমলাৰ হাতত ধৰি ক'লে, "কমলি! কবলৈ আহিছোঁ, তই মোলৈ নাহিলে বিহ খাই মৰিম।"

কমলাৰ মূৰ ঘূৰি গ'ল। পৰ-পুৰুষে তাইৰ হাতত ধৰিলে। তাই অসতী হ'ল,—সাৱিত্ৰী, সত্যব্ৰতী হোৱাৰ সপোন হেৰাই গ'ল। সত্যক তাই গছকি ৰাখিব নোৱাৰিলে। তাই পাৰে মানে কান্দিলে আৰু চিঞৰি হুৱা-হুৱা লগাই দিলে। মানুহ-তুনুহ ওচৰ চাপি আহিল। বিমলে পলাই সাৰিবলৈ নৌ-পাওঁতেই গাৱঁৰ মানুহে তাক খুটাত বান্ধি কিলালে।

গাৱঁৰ সংস্বভাবৰ ল'ৰা বুলি খ্যাতি থকা বিমলে সঁচাকৈয়ে লাজে অপমানে পিছদিনা কণী বিহৰ গুটি খাই মৰিল। সি মৰিল, লগতে কমলাকো মাৰি গ'ল।

পৰ-পুৰুষৰ হাঁত লগা ছোৱালী কমলালৈ আৰু কোনো দৰা নোলাল। সেই সময়ৰ সমাজৰ কোনেও বিয়া কৰাবলৈ সাহ কৰি আগ নাবাঢ়িল। কোনোবাই খুজিব বাঢ়িব আহিলেও মানুহে ভণ্ডাই দিয়ে, "ছোৱালীৰ ৰূপ থাকিলে কিটো হ'ব? স্বভাৱ ভাল হলেমো আনে হাতত ধৰি টানে নে? কৈছেহে হাতত ধৰা বুলি। আৰু বা কি? সিটো মৰি নোযোৱা হলে আৰু বা কিমান কথা শুনিলে হেঁতেন!"......

......অতীতৰ সেই কথা বিলাক ভাবি ভাবি কমলাৰ গাটো ৰাই-জাইখন কৰিলে। তাই গামোছাখন পাৰি পিৰালিতেই বাগৰ দিলে। আজি-কালি অসময়তেই তাইক আহি বায়ু বেমাৰে লম্ভিছে।

তাই চকু মেলিছে আৰু ভাবিছে। ভনীয়েক বিমলালৈ তাইৰ মনত পৰিছে। তাইলৈ মৰম লাগিছে। বিমলাইও নো কমটো মৰমত বায়েকৰ বিয়া নোহোৱাকৈ নিজে আগতেই বিয়া নো-সোমাবলৈ খুঁজিছিল নে? কম বেজাৰতনো বিয়াৰ দিনা তাই বায়েকৰ ডিঙিত ধৰি হুৰাও-ৰাৱে কান্দি অচেতন হৈ গৈছিল নে?

কথাবিলাক ভাবি ভাবি কমলাৰ চকুৰ পৰা দুধাৰি লো বাগৰি পৰিল। কিন্তু বিয়াৰ পিছৰ বিমলা...। সংসাৰত অকল মৰমৰ অমৃতেই নাই, আছে বিহ। সেই বিহ হজম কৰি 'নীলকণ্ঠ' জানো হ'ব পাৰিলে মাটিৰ কমলাই? তাইৰ জানো বুজিবলৈ বাকী আছে যে ভনীয়েক বিমলাৰ তাইলৈ অটুট থকা মৰমৰ পদুম পাহি এতিয়া পাহ পাহ হৈ যোৱা নাই? ভনীয়েকৰ গিৰিয়েকলৈ এতিয়া পুৰা মৰম, মাক বা বায়েকলৈ যেন ভক্তিৰ এখুদ নিৰ্ম্মালি। নহলে সিবাৰ ভনীয়েক বিমলাৰ ঘৰলৈ যাওঁতে তাই এদিন টনা টনা চকুৰে খোকোজা মাতেৰে করুণ সুৰে তাইক বাৰু কিয় কৈছিল, "বাইদেউ! কালি মানেই যাগৈ তই ঘৰলৈ। আই অকলে আছে। তোৰ ৰেলৰ টিকটৰ পইচা আৰু আইৰ মেখেলাৰ যোগাৰ হ'ল।"

সঁচাকৈয়ে কমলাৰ সেইদিনা অভিমান হৈছিল। তাই বাৰু কি খাই ঢুকুৱাব ভনীয়েকৰ ঘৰত? ভনীয়েকৰ ছোৱালী দুজনীলৈ তাইৰ মৰম লাগে। ভনী-জোঁৱায়েকে তাইক 'বাইদেউ' বুলি পৰি মৰে। কমলাৰ দোষ তাই ৰেছি ধুনীয়া। বিমলাই বায়েকক অলপ আশঙ্কা কৰে। সেয়ে চাগৈ সোনকালে গ'লেই ৰক্ষা পৰে। কমলাই বুজিছে সংসাৰৰ মায়া, মৰম, অমৃত আৰু বিহ।

কমলাৰ সেইদিনা চকুৰ পানী ওলোৱা নাছিল। বহুত দুখ তাই সহি আছে নীৰৱে, অপ্ৰকাশিত ভাবেই। সেইদিনাও তাই সহিলে।

তেতিয়া আবেলিৰ ৰ'দ চেৰেঙা কোমল হৈ আহিছিল। বুঢ়ী ইতিমধ্যে গোঁসাই ঘৰ সোমাইছিল। কমলাই শোৱাৰ পৰা উঠি বাঢ়নীটাৰ হাতত লৈ চোতালৰ বোকা ধান খিনি চপাইছিল। সেইখিনি তাইৰ 'বিয়াৰ' ধান, মানে, মাকে তাইৰ আবিয়ৈ হাড়গুচি পৰিবলৈ আয়োজন কৰা 'অনুষ্টুপীয়া' বিয়াৰ ধান। কমলাৰ মাকে আজি-কালি ৰান্ধিব-বাঢ়িব নোৱাৰা হ'ল। জীয়েক কমলাৰ হাড়ডাল বিয়া পাতি শুচি কৰি ললে তাইৰ 'আবিয়ৈ' ভাগিব, আৰু মাকক এমুঠি ৰান্ধি খুৱাব পাৰিব।......

কমলাৰ এইবোৰ সংস্কাৰত বিশ্বাস বহুতখিনি হেৰাই গৈছে। তথাপিও, এই ভেকুলী বিয়াতকৈও ভুৱা বিয়াত তাই সম্মতি দিব লগা হৈছে। কাৰণ, মাকক এমুঠি খুৱাই জীয়াই ৰাখিবলৈ তাই এইখিনি কৰিব পাৰিব। বুঢ়ীৰ এই বয়সত ৰন্ধা-বঢ়া কাম শৰীৰে নসহে।

......সেইখন বিয়ালৈকে বিমলাহঁতক মাতি খুৰীদেৱে মোৰ হতুৱাই লিখা চিঠিখন ডাকত দিবলৈ কেতিয়াবাই মই ওলাই গৈছিলোঁ।

* * *

বিমলাহঁত বেলত উঠি মাকৰ ঘৰলৈ আহিছে আজি এবছৰ মানৰ মূৰত। বেলখনত উঠি আহোঁতে ক্ষণে ক্ষণে বিমলাৰ কইনা বায়েকলৈ মনত পৰিছিল।

সবল প্ৰকৃতিৰ গিৰিয়েকে ডাঙৰ জনী ছোৱালী কোলাত লৈ বিমলাৰ চিন্তান্বিত মুখখন নিৰীক্ষণ কৰিছিল। তেওঁ বুজি পোৱা নাছিল, মুখেৰে ফুটাই নকলেও তাই কিয় গিৰিয়েকক কমলাহঁতৰ ঘৰত বেছিদিন থকাটো ভাল নাপাইছিল, আৰু, কিয় তেওঁক শাহুৱেকৰ ঘৰলৈ পৰাপক্ষত ৰাতি থকাকৈ যাবলৈ অকলে এৰি নিদিছিল?

চলন্ত বেলৰ কোঠাটোত বহি বিমলাইও দেখিলে, গিৰিয়েকে কিবা ভাবি আছে।

তাই সৰুকৈ কলে, “আপুনি বাৰু কি ভাবিছে, কওঁনে?” কথাৰ লগে লগেই তাই অকমানিজনীক কোলাত তুলি ললে।

“কোৱা……যদি পাৰা……”

“এ’……নকওঁ,……যাওক……”

“কোৱা, কব পাৰিলে তোমাৰ গাৱঁত তোমাক ‘সৰবজান’ বুলি ঢোল পিটি শুনোৱাৰ ব্যৱস্থা কৰা হব।”

“তেনেহলে নকওঁ।”

“বাৰু, ঢোল পিটি নহয়……আ…”

“মানে……মানে……আপুনি ছাগৈ ভাবিছিল, গুৱনী বাই-দেউৰ বিয়াখন যদি আপোনাৰ লগতেই হ’লহেঁতেন।” কওঁতে বিমলাৰ কাণ গাল ৰঙা পৰিছিল। গিৰিয়েকৰ সঁচাকৈয়ে খং উঠিছিল। ৰেলৰ কোঠা কাৰণেহে একো নকলে, বা নকৰিলে। ঘৈণীয়েকে য’তে ত’তে এনে অবান্তৰ কথাবিলাক কলে, কোনো মতাৰেই খং মুঠি নোৱাৰে।

……পলকতে বিমলাৰ মনলৈ আহিল—এক অজান মেঘৰ টুকুৰা……গোপন বেদনা। ছিঃ! তাই আজি ইমান নীচ্ হৈছে ……তাই এইবোৰ কি ভাবিছিল? বায়েক কমলাৰ বিয়ালৈ তাই আজি ভনীয়েকজনী আহিছে।……কমলাৰ বিয়া……? ……দৰা কোন?…ভাবি ভাবি তাইৰ চকুৰ কোণবোৰ পানীৰে পূৰ হ’ল।

গিৰিয়েকে সুধিলে, “বিমলা! তুমি কান্দিছা?”

বিমলাই চকুত ৰেলৰ ইঞ্জিনৰ কয়লা পৰা বুলি কৈ চকুলো লুকুৱাবলৈ চেষ্টা কৰিলে।

কমলাৰ হাড় গুচি বিয়াখনৰ পিছদিনা ৰাতি। দুই বায়েকে ভনীয়েকে আজি বছৰেকৰ মূৰত একেলগে শুইছে। কথা পাতি পাতি বিমলাৰ তেতিয়া টোপনি আহিছে। কমলাৰ অহা নাই। তাই চেষ্টা কৰিলে টোপনি যাবলৈ। ওহোঁ··কোনোমতেই তাইৰ আজি টোপনি নাহে।

তাই একে চাবেই শোৱাৰ পৰা উঠিল। অলপ ভাবিলে, আৰু বাকচ খুলিলে। তাই হাত আৰু ডিঙিত অয়-অলঙ্কাৰ, গাত ৰিহা-মেখেলা পিন্ধিলে। শিৰত ললে সেন্দুৰ আৰু মূৰত ওৰণি। এলান্ধুৰে ঢাক খাই থকা দাপোনখন মচি তাই চাকিৰ পোহৰত নিজৰ মুখখন চালে। ঠিকেই, বয়স 'চৰি' গলেও, আজি তাইক নিজৰেই—ধুনীয়া কইনা এজনী যেন হে লাগিছিল।

কমলাই মাজৰাতি অকলশৰে, এইদৰে 'কইনা' সাজি আগদিনাৰ হাড়-শুচি বিয়াৰ অকণমান ৰভাখনৰ ফালে আগবাঢ়িল।

বিমলাই হঠাৎ সাৰ পাই দেখে, বায়েক শোৱা-পাটিত নাই। বাহিৰৰ ফালে চাকিৰ পোহৰ যেন দেখি বিমলাই খুপি খুপি আগ বাঢ়িল। এনেতে দেখিলে, ৰভা ঘৰৰ পৰা আগবাঢ়ি তাইৰ ফাললৈকে আহিছে—এজনী আদহীয়া বয়সৰ 'অপেচৰী' দিপ্ লীপ্ 'কইনা'—মানে, তাইৰেই বায়েক—কমলা।... ..

"বাইদেউ!"—বিমলাই লাহেকৈ মাতিলে।

কমলাই একো নকৈ খিক্‌খিক্‌কৈ হাঁহিছেহে। ঠিক যেন এজনী যখিনী বা উন্মাদিনীৰ হাঁহি। হাঁহি হাঁহিয়েই তাই কলে, "বিমলী! সৌ চাচোন, কাপোৰ কানি পিন্ধোৱা মোৰ কালিৰ সৌ কল-গছৰ দৰাটোক একেগোৰেই বগৰাই আহিছোঁ। সি মোক ভাতেই দিব, নে মাছেই দিব, নে কোলাত কেঁচুৱাই .....হি...... হি......হি...... ।"

বিমলা সেইফালেই থৰ লাগিল—কিন্তু থিৰে ৰব নোৱাৰিলে। বায়েকক সাবটি ধৰি মুখখন বুকুত গুজি উচুপিবলৈ লাগিল।

এনেতে, হাঁহি থকা কমলাজনীয়েও হালি পৰা ভনীয়েকক কোঠাৰ ভিতৰলৈ টানি নি—তাইৰ কোলাত মুখ লুকুৱাই এজনী সৰু ছোৱালীৰ দৰেই কান্দিলে,—"উ......উ......উ...... ।"

বন্ধন

সমুখত এটা অতি সাধাৰণ দৃশ্য। তেওঁৰ ঘৰৰ আগৰ পথাৰ-খন বাঢ়নী পানীৰে উপচি পৰিছে। ক'ৰবাৰ পোহনীয়া হাঁহ এযোৰাই পোৱালি কেইটা লৈ তাত বং-মনেৰে সাঁতুৰি ফুৰিছে। পানীৰ সোঁতে হাঁহ যোৰাক উটুৱাই নিব খুজিও নিব পৰা নাই।

"হাঁহ হলেও সিহঁত সুখী," পুলকে ভাবিলে। "সিহঁত এহাল যেন দম্পতি, দুয়োৰো জীৱনৰ গীত যেন একে সুৰতেই ৰচা।"

পলকতেই মনটো ভাল লাগি গ'ল পুলকৰ। বহি থকা চকীখনৰ পৰা উঠি পুলকে হাঁহৰ দৃশ্যটো ভালকৈ এবাৰ চালে। খন্তেক পিছতেই দুখৰ ভাৱবোৰ আহি তেওঁৰ মন আৱৰি ধৰিলে। তেওঁ মানুহ হৈয়ো সুখী নহয়, অথচ সেই হাঁহ হাল কিমান সুখী!

পুলকে ভাবিলে, "ইতৰ প্ৰাণী বিলাকৰেই ভাল। বিচ্ছেদৰ দুঃখ স্থায়ীভাৱে বহন কৰিবলৈ ইহঁতৰ স্মৃতি চুটি।"

কিন্তু, তেওঁৰ ?......

আকৌ তেওঁ গৈ চকীখনত বহিল। চিগাৰেট এটা মুখত লৈ দিয়াচলাইৰ কাঠি এটা মাৰিলে। সৰু বঙলাৰ বাৰান্দাত শুই থকা ভতুৱা কুকুৰটোৱে হঠাৎ ভুকি উঠিল, ভুক্ ভুক্। লগে লগেই পুলকৰ চিন্তাৰ গতি দোঁ খালে অন্যফালে।

কিবা বিয়াৰ কথা তেওঁৰ মনত পৰিল।

তেওঁ ভাবিলে, "আজিওতো আমাৰ সমাজত আগতে কেতিয়াও নেদেখা নুশুনা এহাল ডেকা-গাভৰুৰ মাজত বিয়াৰ মাজেদিয়েই অভিভাৱকে সম্বন্ধৰ প্ৰথম যোগ-সূত্ৰ স্থাপন কৰে। তাতোতো মানুহৰ সুখৰ সংসাৰবেই ৰচনা হয়! তাতোতো পতিব্ৰতা ৰমণী

আৰু বিশ্বাসী স্বামীয়ে ৰচা সংসাৰ সুখময় হয়। মাথোন প্ৰথম নিশা, প্ৰথমবাৰ উভয়ে উভয়কে লগ পাই পিছলৈ এনে ব্যৱহাৰ কৰে যেন—তেওঁলোক ভালেদিনৰ চিনাকী।

* * *

জ্বলি পুৰি শেষ হৈ যোৱা জীৱন এটাৰ দৰে পুলকৰ জ্বলোৱা চিগাৰেটটোও শেষ হৈ গ'ল। তেওঁ আৰু এটা চিগাৰেট জ্বলালে, আৰু বাৰান্দাত সেইদৰেই বহি বহি ভাবিবলৈ লাগিল।

এনেতে, সৰু ভনীয়েক তমালে, ৰাতি ন মান বজাত মাত লগালে, "ককাইদেউ! উঠা, ভাত দিছোঁ।"

পুলক ভাত খাবলৈ উঠিল। আজিলৈ তেওঁৰ মনৰ খেলি-মেলি ভাৱৰ ইমানতেই অন্ত পৰিল।

* * *

তমালেই ঘৰখনত ভাত ৰান্ধে। লাচনি-পাঁচনিখন কৰিবলৈ তেওঁলোকৰ এটা লগুৱা ল'ৰাও আছে। পুলকৰ মাক-দেউতাক ঢুকুৱাৰ পিছত ঘৰখনত মানুহ বুলিবলৈ তেওঁলোক তিনিটাইহে। তমালজনীৰ কাৰণেই চৰকাৰি চাকৰি এৰি দি আহি পুলক ঘৰতেই আছে। চাকৰি কৰিবৰ তেওঁৰ আৱশ্যকো নাছিল। মাক-দেউতাকে তেওঁলৈ এৰি গৈছিল বহুতো সম্পত্তি। মাথোন, তেওঁলোকৰ জীৱিত অৱস্থাত, বিশেষকৈ মাকে পুলকক—"বোপাই! তই বিয়া কৰ, বিয়া কৰ"—বুলি অনুৰোধ কৰা মৃতা মাকৰ করুণ মাতটোৱে পুলকৰ বুকুখনত আজিও মাজে মাজে বিন্ধি দিয়ে। তেওঁৰ মাকে পুতেকক বিয়া কৰাবলৈ কোনোমতেই ঘূৰাব নোৱাৰি প্ৰায়েই গোঁসাই ঘৰত প্ৰাৰ্থনাৰ অন্তত গোহাৰি জনায়, "প্ৰভো! মোৰ ল'ৰাটোৰ মতি-গতি ঘূৰাই দিয়া। সংসাৰ পাতিবলৈ তাৰ অন্তৰত খুন্দিয়াই দিয়া জগন্নাথ!"......

শিলৰ ভগবানৰ বিগ্ৰহ অলৰ-অচৰ হয়, লগতে পুতেক পুলকৰো।

পুলকে আজি পলমকৈ অনুতাপ কৰে। কেতিয়াবা ভনীয়েকৰ অসাক্ষাতে তেওঁ মাক-দেউতাকৰ ফটোখনলৈ চাই স্বগতঃ উক্তি কৰে, “মা! আইঁ! দেউতা! নামি আহক, মই বিয়া কৰাম, মা……”

পুৰুষ হৈয়ো পুলকৰ চকুৰ পানী ওলায়। আন্ধাৰৰ ভিতৰত মনে মনে সেই চকুলো তেওঁ মচি পেলায়।

ৰাতি ভাত-পানী খাই উঠাৰ পিচত পুলক শুই থাকেগৈ। নেপালী ল'ৰাটোৱে বাচন-বৰ্ত্তন ধোৱা-পখলাত লাগি যায়।

আকৌ ৰাতি পুৱায়। পুলকে মন গ'লে, মাজে মাজে দুই এটা গল্প বা কবিতাকেই লিখে, যদিও তেওঁ জানে যে, সেই গল্প কোনেও নপঢ়িব, সেই কবিতা কোনেও চকুৰে দেখিবলৈ নাপাব।

বাংঢালী তমাল স্কুললৈ যায়; আৰু লগৰীইঁতৰ লগত পঢ়ে আৰু খেলে। তমালে বিয়া কৰোৱা সম্পৰ্কত পুলকক 'টু'টোকে কবলৈ সাহ নাপায়। পুলক স্বভাবত গহীন। তাতে বয়সত তাই পুলকতকৈ ভালেমান দিনৰ সৰু।

আবেলিৰ লগে লগেই পুলকে প্ৰায়েই ঘৰৰ সমুখৰ সদায়েই বহি অহা আৰামী চকীখনতেই বহে, আৰু সমুখৰ পথাৰখনলৈ উদাস দৃষ্টি নিক্ষেপ কৰে। ভিতৰত তমালে ভাত ৰন্ধাৰ আগতে চিঞৰি চিঞৰি 'ইংলিছ ৰীদাৰ'খন পঢ়ে।

এইদৰেই সুখে-দুখে এহাল পিতৃ-মাতৃহাৰা ককায়েক আৰু ভনীয়েকৰ দিনবিলাক অতিবাহিত হয়। ৰাতিবিলাক আহে, আৰু পুৱায়।

* * *

পুলকে লক্ষ্য কৰে, লাহে লাহে তমাল বৰ এজনী হৈ আহিছে। তাইলৈকো দৰা বিচাৰিবৰ হৈছে। পুলকে কিন্তু

তমালক এৰি অকলশৰীয়া ভাৱে থকাৰ কথা ভাবিবই নোৱাৰে। তমালক মুখেৰে ৰৰকৈ মাত-বোল নকৰিলেও তেওঁ ভিতৰি ভিতৰি ভনীয়েকক কিমান যে মৰম কৰে! মৰমৰ কথা মুখেৰে কোৱাতকৈ আনক সেই মৰম অনুভৱ কৰিবলৈ দি পুলকে ভাল পায়। তমালৰো বুজিবলৈ বাকী নাছিল ককায়েকৰ তাইলৈ কি অসীম স্নেহ! কিন্তু, পুলক ককায়েকক কিহে ইমান খুলি খুলি খাইছে, তাঁই ভাবি পাৰ নাপায়। কিয় বা ইমান বয়স হোৱাটো ককায়েকে বিয়া-বাৰু কৰাবলৈ মন কৰা নাই!

……সেইটো তমাল সৰু ছোৱালীজনী হৈ থকা কালৰেই কথা।……

চেনেহৰ শেলেই পুলকক বিন্ধিছিল প্ৰথমবাৰ। সেই প্ৰেমৰ অন্তঃসলিলা ফল্গুধাৰা তাৰ যৌৱনৰ অন্তৰখনেদি এসময়ত ছুয়োপাৰ উপচাই বৈ গৈছিল। পুলকৰ অতীতৰ মৰমৰ সেই ফল্গু আজিও সুশুকাল। হিয়াৰ বালি খান্দিলে সেই ক্ষীণস্ৰোতা নদীত বহুত দিনলৈকে উটি গৈছিল, মৰমৰ সোৱণশিৰীৰ সোণৰ চেঁকুৰা। সময়ে নদী শুকুৱালে, সোণ সুশুকাল।

পুলক দোলাৰ কথা লৈ এসময়ত সেই সৰু নগৰখনত মানুহৰ মুখে মুখে কিমান কথাই যে নোলাইছিল! সেইটো আজি প্ৰায় এযুগ আগৰ কথা। তমালজনী তেতিয়া আছিল নিচেই অকণমানজনী। তাই মোমায়েকৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল কাৰণে এইবিলাক কথাৰ একোকেই গম পোৱা নাছিল।

সেইবিলাক গুলাবৰ কথাও। যুৱক পুলক, ধনী পুলক, ধুনীয়া পুলক আৰু মৰমেৰে ভৰা নিষ্পাপ যৌৱনৰ ফুল, শ্ৰীপুলকচন্দ্ৰ দাস। আনহাতে দোলাৰ আছিল ৰূপ, আছিল যৌৱন, স্বাস্থ্য-চৰিত্ৰ, যদিও নাছিল ঐশ্বৰ্য্য। দোলাৰ ৰূপৰ দোলাত ছুলিবলৈ নগৰৰ কিমান যুৱকৰ যে আছিল ইচ্ছা, কিন্তু নাছিল প্ৰচেষ্টা। তথাকথিত প্ৰেম বহুতেই কৰিব পাৰে—কিন্তু 'অনুপান' নাপায়

কাৰণেই ভীৰুহঁত আঁতৰি পলায়। মকৰধ্বজৰ অনুপান মৌ-জোলৰ দৰেই তেওঁলোকক ধুনীয়া ছোৱালীৰ লগে লগেই লাগিব ধন-ঐশ্বর্য্য, মটৰগাড়ী, ৰেডিঅ', বিলাত যাত্ৰাৰ যোগাৰ, আৰু আন বহুতো অনুপান।

পুলক কিন্তু এই দলৰ নাছিল। তেওঁ আছিল সৰল। দোলাৰ প্ৰতি তেওঁৰ প্ৰেমৰ উৎস আছিল ভিতৰত। যিদিনা তাইক তেওঁ প্ৰথম দেখিলে আৰু কথা পাতিলে, সেই দিনাই পুলকৰ মনত পুলক জাগি উঠিল। গভীৰ ভাৱেই।......

উভয়ে উভয়কেই ভাল পালে। বিয়াৰ প্ৰশ্ন আহি পৰিল।

এদিন গধূলি দোলাই তেওঁক সৰল ভাৱেই ক'লে, "চাওক পুলকদা। আপোনাক মই কথা দিয়া নাই। বিয়াৰ ফালৰ পৰা আমি আগ নবঢ়াই ভাল। আপোনাক নকৈ নোৱাৰোঁ, আজি এবছৰে কান্দি-কাটি, অনুনয়-বিনয় কৰি মাক কোনোমতেই মান্তি কৰাব নোৱাৰিলোঁ। মায়ে মোক 'জাতলৈ নমাই' দি কোনোমতেই আপোনালৈ বিয়া দিব নোৱাৰে।" কথাষাৰ কওঁতে দোলাই কঁপিছিল, আৰু খৰকৈ উশাহ লৈছিল।

পুৰুষ-সুলভ গাম্ভীর্য্যৰেই পুলকে ক'লে, "আমাৰ মিলনৰ অন্য পথ নাই জানো দোলা?"

"স্বাভাৱিক ৰূপে বিয়া হোৱাৰ সামাজিক প্ৰথাকেই যে সাৱটি ল'ব লাগিব, মাৰ কাৰণে—পুলকদা!"

"তাৰ মানে, তোমাৰ সাহ নাই!"

"আছে, শক্তি নাই।"

"এৰা, মানুহ হোৱাত মোৰ দোষ নহ'ল, হ'ল, 'জাত সৰু' হোৱাতহে।"

দোলা নিৰুত্তৰ হৈ ৰ'ল।

পুলকেই আৰম্ভ কৰিলে, "মোৰ লগত বিয়া নহ'লে, তুমি জানো আনৰ লগত বিয়া হ'ব পাৰিবা?"

"হ'বই লাগিব, পুলকদা। এদিন বিয়া কৰাবই লাগিব। কথাষাৰ গভীৰ ভাবেই এবাৰ ভাবি চাওক। তাতে মোৰ দৰে ছোৱালী এজনীৰ ক্ষেত্ৰত ইযে অধিক সত্য। আমি কেতিয়াবা হৈ পৰোঁ কিমান নিৰুপায়। সংসাৰত মানুহ কিমান নিঃসহায় হয় কেতিয়াবা। মুখেৰে এতিয়া ক'লে কি হ'ব? মই জানো আপোনাক কেতিয়াবা ফাঁকি দিছো পুলকদা?"

দোলাক পুলকে ক্ষমা কৰিব নোৱাৰিলে; ক'লে, "তেনেহলে, তুমি মোক ভালপোৱা নাছিলা, দোলা?"

"ঠিকেই পুলকদা! ভালপোৱাৰ আগতেই, আপোনাক বিয়া কৰাম বুলি চৰ্ত্ত বান্ধি লৈহে ভাল পাইছিলোঁ। ঠিকেই"—কথাষাৰ শেষ নকৰাকৈয়ে দোলাই ফুলি ফুলি কান্দিবলৈ ধৰিলে।

পুলকে তাত এখন্তকো ৰোৱাৰ আৱশ্যকতা বোধ নকৰিলে। দোলাক নমতাকৈয়ে তেওঁ উঠি আহিল। দোলাৰ মাকে চাহ একাপ হাতত লৈ আহি মাতিলে, "পুলক! পুলক! পুলক বোপা!"......

বাহিৰত কোনোবাই মাথোন দুৱাৰখন জপাই যোৱাৰ শব্দ এটাহে শুনা গ'ল।

ঘৰলৈ আহি পুলক শুই থাকিল। মাকক ক'লে, "মা! মূৰটো বৰকৈ কামুৰিছে।"

পুলকে প্ৰতিজ্ঞা কৰিলে জীবনত তেওঁ দোলাৰ ঘৰলৈ কেতিয়াও নাযায়। তেওঁ নিজৰ কথাই ৰাখিলে। আনকি দোলাৰ বিয়ালকো পুলক ন'গল। দোলাই নিজ হাতে চিঠি লিখি মতা বিয়াখনলৈকো তেওঁ ন'গল। চিঠিখনৰ শেহৰ ফালে ৺ৰবীন্দ্ৰনাথৰ 'শেষেৰ কবিতা'ৰ......উদ্ধৃতিৰে লিখা—'মোৰ লাগি কৰিয়ো না শোক......' চিঠিখনি পঢ়াৰ লগে লগেই পুলকৰ চকু দুটা সেমেকি উঠিল। দোলাক পুলকে কেতিয়াও ক্ষমা কৰিব নোৱাৰিলে কাৰণেই হয়তো কেতিয়াও পাহৰিবও নোৱাৰিলে। দোলাৰ গতানুগতিকতা আৰু দুৰ্ব্বলতাক সৰল পুলকে কোনোমতেই গ্ৰহণ কৰিব নোৱাৰিলে।

কিয় বাৰু তাই স্বাভাৱিক ৰূপে এইদৰেই সমাজৰ ওচৰত আত্ম-সমৰ্পণ কৰিলে! পুলকৰ প্ৰেমে জানো তাইক দুৰ্ব্বল হ'বলৈ শিকাইছিল কেতিয়াবা?

* * *

অতীতৰ হেৰাই যোৱা এই কথাবিলাককে ভাবি ভাবি পুলকে বাৰান্দাৰ চকীখনতেই বহি থাকে। নিজে অবিবাহিত হৈ থাকিব বুলি কৰি অহা প্ৰতিজ্ঞা আজি প্ৰায় বাৰ বছৰে তেওঁ ৰক্ষা কৰি আহিছে।

এদিন আবেলি ফুৰি আহোঁতেই পুলকক ভনীয়েকে ক'লে, "ককাইদেউ, তুমি মোক ঘৰত এইদৰে অকলে এৰি থৈ নাযাবা। তুমি নথকা অৱস্থাত কোনোবাই মোলৈ খিৰিকীয়েদি জুমি চাইছিল।"

পুলকৰ আজিহে যেন জ্ঞান হ'ল।

এমাহৰ ভিতৰতেই তমালৰ বিয়া পাতি সালঙ্কৃতা ভাৱেই তাইক তেওঁ যোগ্য জনৰ হাততেই সমৰ্পণ কৰিলে।

ঘৰত এতিয়া পুলক আৰু নেপালী লগুৱাটো। লগুৱাটোও ডেকা হৈ উঠিছে। সি আৰু পুলকৰ ঘৰত থাকিবলৈ ইচ্ছা নকৰে। কেতিয়াবাই সি যাবলৈ ওলাইছিল। পুলকে তাক কৈ-মাতিহে ৰাখিছে। কাৰণ টকা ঢালিলেও সেই সৰু নগৰখনত লগুৱা পাবলৈকে নাই।

এদিন ৰাতিপুৱা শুই উঠি পুলকে দেখিলে, লগুৱা নাই। সি ৰাতিয়েই পলাল। হয়তো ক'ৰবাত তাৰ সুখৰ সংসাৰ ৰচনা কৰিবলৈকে। আৰু, পুলকহঁতৰ কুকুৰটোৱেও পলাই গৈ কোনোবা প্ৰেয়সীৰ লগত গুচি গ'ল।

কিমান যে পুলকৰ দুখ গ'ল তাৰ পিচত। বহুত দিন নিজ হাতেই আলু সিজোৱা আৰু কণী ভাতত দিয়াতেই চলি গ'ল। ইফালে, পুলকৰ ঘৰৰ পৰা হোটেললৈকো ভালেখিনি দূৰ।

পুলকে এলাহ কৰিলে বা গা-মন বেয়া লাগিলে কেতিয়াবা অনাহাৰেই থাকে।

আচম্বিতেই এদিন তেওঁ ভনীয়েকৰ পৰা এখন চিঠি পালে। বহুত কথাৰ মাজতেই তমালে লিখিছে,……“তোমাৰ দুখ দেখি মোৰ ইয়াত চকু-পানী টোকোঁতেই গৈছে। আমাৰ ‘তেখেতে’ও ইচ্ছা কৰে যে তুমি বয়সীয়াল ছোৱালী এজনীকেই বিয়া কৰোৱা। তোমাৰ যদি আপত্তি নাই, আমাৰ ইয়াৰে ৰস্তা মাষ্টৰণীৰ জীয়েক ‘ফুল’কেই ঠিক কৰোঁ। ছোৱালী ধুনীয়া বুজিছা? বয়সত হে উনত্ৰিশ বছৰ মান হ’ব। তুমিও জানো বয়সত কমটো? বেছ যোৰ হ’ব। ছোৱালীৰ ’ওঠৰ বছৰ বয়সতেই হেনো এজন শিক্ষিত ডেকাই আঙঠি পিন্ধাইছিল। এনেতে, বেনামী চিঠি গ’ল—। বিয়া ভাগিল। তোমালোক শিক্ষিত ডেকা বিলাক জানো কম? তোমালোকৰ বহুতৰেই নাই কোনো বিচাৰ, নাই যুক্তি। আছে, মাথোন দুৰ্ব্বল ভয়। তোমাৰ মতামত জনাবা দেই। সেৱা ল’বা। ভাবী ন-বোৰ নামটো আকৌ ‘ফুল’, নাপাহৰিবা।…

চিঠিখন পঢ়ি উঠি পুলকৰ হাঁহিয়েই উঠিল। যি ভনীয়েকে এসময়ত তেওঁক মাতিবলৈকে সাহ কৰা নাছিল, তাই আজি ককায়েকক উপদেশ দিব পৰা হৈছে।……কালস্য কুটিলা গতিঃ।…

লগে লগেই ভনীয়েকলৈ পুলকৰ এবুকু মৰম উপচি পৰিল। এই বিয়াত পুলকে মত দিলে, মানে দিবলৈ বাধ্য হ’ল। এমাহৰ ভিতৰতেই ফুলৰ লগতেই তেওঁৰ বিয়া হৈ গ’ল। তেওঁ ছোৱালী চাবলৈকো ন’গল। বিয়া কৰাই অনাৰ পিচতো পুলকে কইনাজনী ভালকৈ দেখাই নাই।

পুলকৰ বিয়াৰ খোৱা-খুবুনী সবাহৰ দিনা নিশা।……

তেতিয়া ৰাতি এঘাৰ মান বাজিছে। নিমন্ত্ৰিত সকলো সবাহ ভগাত ঘৰা-ঘৰি গ’লগৈ। তমালহঁতো আন এটা কোঠাত শুবলৈ গ’ল।

বাৰান্দাৰ সমুখৰ চিৰদিন বহি অহা সেই আৰামী চকীখনতেই পুলক গৈ বহিল। বাহিৰত তেতিয়া জোনাক। পথাৰখনত পানীও নাই, তাহানিৰ সেই হাঁহজোৰো নাই।

পুলকে চিগাৰেট এটা জ্বলাই ল'লে, আৰু ভাবিলে, দোলাই কিমান সত্য কথাষাৰকেই তাক নকৈছিল! তাইৰ কথাখিনি আজিও যেন তাৰ অন্তৰত প্ৰতিধ্বনিত হৈছে, 'বিয়া কৰাবই লাগিব এদিন পুলকদা! কথাষাৰ গভীৰ ভাবেই ভাবি চাওক।'

ঠিকেই, সি পুৰুষ হৈয়ো এই বন্ধনত সোমাবলৈ বাধ্য হ'ল। 'দোলা' বোলোঁতে এজনী নিঃসহায় ছোৱালী।

পুলকে তেতিয়াও বাহিৰত বহি আছে, ভাবি আছে, আৰু চিগাৰেটবিলাক এটাৰ পিছত এটাকৈ জ্বলাই আছে।

দূৰৈৰ কাছাৰীত ঘণ্টাৰ কোব পৰিছে বাৰ,...এক,...দুই। সিফালে ফুলে শয়নকক্ষত তালৈকে অপেক্ষা কৰি আছে। হয়তো, টোপনি খতি কৰি ৰাতি বাহিৰত এইদৰে গিৰিয়েকক উজাগৰে বহি থকা দেখি নতুন কইনাজনীয়ে মনতে দুখো পাইছে। এদিনো আগতে ভালকৈ নেদেখাকৈ—কথা নপতাকৈ তাইনো বাৰু কোনটো লাজেৰে উঠি আহি—পুলকক এইদৰে টোপনি খতি কৰিবলৈ হাক দিব?

ফুলৰ টোপনি অহা নাই। বিছনাত পৰি তাই ছটফটাইহে আছে। পুলকলৈ তাইৰ সংশয় জাগিছে। মানুহজনে মদ-ফটিকা নাখায়তো? জীৱনৰ অষ্টাদশ বসন্তেই পুৰুষৰ বিশ্বাসঘাটকতাৰ বিষ পান কৰি ফুলেও জানো মাজতে কম জীয়াতুখন ভুগিছে? কোনোৰকমে জীৱনৰ উনত্ৰিশটা বসন্তৰ অন্তত আজি তাই আহি এই প্ৰথম প্ৰথম অচিন ফুলৰ নাওখনত আশ্ৰয় লৈছেহি। যদি, এই ফুলত কাঁইট বা সাপ আছে! প্ৰথম উঠোঁতেই যদি এই নাঁও বুৰে! কিজানি, তাইৰ গিৰিয়েকে বিয়া কৰাব নোৱাৰা আন কোনোবা এজনীকহে ভাল পায়! কথাষাৰ ভাবি ফুলে আৰু ভাবিব নোৱাৰা

হৈ যায়। ফুল-শয্যাত ফুলৰ তপত নিশ্বাস, মৃত্যু-শয্যাত পৰিণত হ'ব এতিয়া ?...

কাছাৰীৰ ঘণ্টাত ৰাতি তিনিৰ কোব পৰি গ'ল। পুলক উঠিবলৈ সাজু হ'ল। অ', তেওঁ মাথোন এবাৰেই ভাবি ল'ব দোলাক এবাৰলৈ আৰু শেষ বাৰলৈ। দোলা এতিয়া পৰস্ত্ৰী। তাই আনৰ গৃহিণী, মাতৃ! হয়তো গিৰিয়েকৰ চেনেহৰ মাজেদি, ল'ৰা-ছোৱালীৰ আমনিৰ আঁৰে আঁৰে; শাহুৱেকৰ শঁপনিৰ ফাঁকে ফাঁকেই দোলাৰো কেতিয়াবা তালৈ গভীৰ ভাৱেই মনত পৰে। দোলাইও হয়তো এনে অস্বস্তি বোধ কৰিছিল, তাইৰ মিলনৰ প্ৰথম নিশাটোত। পিছত দেখোন অভ্যস্ত হৈ যাব পাৰিছিল।

"ঠিকেই", পুলকে ভাবিলে, "এতিয়া আৰু অতীতৰ এই কথা বিলাক ভাবি থাকিলে ফুলৰ প্ৰতি বৰ অন্যায় কৰা হ'ব;" নাভাৱে, তেওঁ আৰু দোলাৰ কথা নাভাবে।

এনেতে, অন্তৰৰ গভীৰ মৰ্ম্মত স্তূপীকৃত লুক্কায়িত শোকৰ সুৰ বাজি উঠিল পুলকৰ—আকৌ এবাৰ, পুনৰ্ব্বাৰ—শেষবাৰ। এৰা, যিটো কথা ভবা অনুচিত, বহুতো সময়ত তাকেই ভাবি যে মিঠা লাগে—। তেওঁ শয়নকক্ষত সোমাবলৈ সাজু হ'ল।

দুৱাৰৰ ওচৰ পাওঁতেই তেওঁ শুনিলে, 'খক্-খক্-খক্—'। তেওঁৰ বুজিবলৈ বাকী নাথাকিল, ফুলে ভিতৰত কান্দিছে আৰু কান্দোনৰ হেন্দোলনিৰ লগে লগেই মিলনৰ প্ৰথম নিশাৰ তাইৰ উকা-পালেঙৰ কাঠখিনি কঁপি উঠিছে। সেই উচুপনিয়ে পুলকৰ বুকুত যেন কুঠাৰহে মাৰিছে। তেওঁৰ মংহ-শৰীৰ-আত্মা সকলো যেন গুৰি হৈ যাব এতিয়া।

ফুললৈ পুলকৰ নতুনকৈ মৰম লাগিল।...

লাহেকৈ দুৱাৰখন মেলি তেওঁ 'শোৱনি কোঠালৈ সোমাই গ'ল।...

এটা বন্দুক, অলপ প্ৰেম

...কাঁড়ৰ বেগত আমাৰ বাছখন চলিবলৈ ধৰিলে। সুন্দৰ পকী হাইওৱে বিলাকৰ মাজেদি, ছবিৰ দৰে নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰা দুয়ো কাষৰ গিৰি-গুহা-প্ৰান্তৰৰ সৌন্দৰ্য্য-মাধুৰী পান কৰি—বোধহয় বহুত ভাবুক যাত্ৰীৰ মনত বাৰুকৈয়ে মাদকতা জাগিছিল। এনেতে, মোৰ কাষতেই বহা যাত্ৰীজনে উপযাচিয়েই মোক সুধিলে, "সম্ভৱ তুমি ভাৰতীয়। শুনিছোঁ তোমালোকৰ তাত বোলে আমাৰ ইয়াতকৈয়ো বহুত ধুনীয়া ঠাই আছে?"

মই বিনয়ৰ সুৰতেই উত্তৰ দিলোঁ, "তোমালোকৰ এই ঠাইবোৰো কিন্তু কম মনোমোহা নহয়।"

"বাহিৰৰ এই প্ৰাকৃতিক সৌন্দৰ্য্যত আমি দেখাত চহকী হব পাৰোঁ। আন্তৰিক মানবোচিত কেতবোৰ সৌন্দৰ্য্যত তোমালোকতকৈ বোধ হয় আমি দুখীয়া।" কথাষাৰ কৈয়েই তেওঁ নীৰৱ হ'ল।

—মোৰ কাষতে বাহ থকা, এইমাত্ৰ কথা-কোৱা এই বগা-চুলীয়া আৰু বাদামী-চকুৱা চেঙেলীয়া ডেকাজনৰ এনেবোৰ কথাৰ দাৰ্শনিক তাৎপৰ্য্য ফঁহিয়াবলৈ মোৰ আজৰি নাছিল। চলন্ত বাছখনৰ পৰা ৰাজপথৰ দুয়ো কাষৰ সুন্দৰ সুন্দৰ 'চয়াবীন' আৰু প্ৰকাণ্ড গোমধানৰ পথাৰ, কাষৰ সিচঁৰতি হৈ পৰি থকা পাম-পথাৰবোৰ, 'ফাৰ্ম্মাৰ'ৰ সৰু সৰু অথচ সুন্দৰ বঙলা আৰু ঘৰ-দুৱাৰ, আলিৰ কাষত চৰি থকা নোদোকা নোদোকা গৰু আৰু গাহৰি বিলাকে আৰু আলিয়েদি লানি নিছিগা অসংখ্য মটৰ-গাড়ীৰ মিছিলেৰে ভৰা এই দেশখনৰ কথা ভাবি মোৰ মনৰ মাকোৱে

তোতয়া যেন সাত-আঠখন তাঁত বাতিহে কৰিছিল। বাছখন চলি যাওঁতে, ৰূপোৱালী হৈ জিলিকি থকা সুদূৰৰ অত্যুচ্চ জোঙামুৰীয়া পানীৰ 'টেঙ্ক'টোৱে তেতিয়া আমি কোনোবা গাঁও বা 'কাউন্টি' যে আহি পাইছোঁ তাকেই সূচাইছিল। আৰু, আহি পালত দেখিছিলোঁ, এই গাওঁবিলাকো গাওঁ নহৈ দৰাচলতে সুশৃঙ্খল ভাৱে সজোৱা একোখন সৰু সৰু নগৰহে। এই কথা ভাবি এজন ভাৰতীয় হিচাবে প্ৰথমতে তুলনামূলক ভাবে মোৰ মনত বিস্ময় যেনেই লাগিছিল। মনকে প্ৰবোধ দিবলৈ ভাবিছিলোঁ, হ'ব পাৰে আমাৰ নিজৰ দেশখন তৃথীয়া, কিন্তু সেই দেশেই আমাৰ প্ৰথম পোহৰ, প্ৰথম প্ৰেম।···

বাছত প্ৰথম উঠাৰে পৰা দিনৰ এই বাৰ ঘণ্টাৰ ভিতৰতেই আমাৰ বাছখনে হোঁ হোঁ শব্দেৰে দুখন 'ষ্টেট' বা ৰাজ্য পাৰ হৈ গ'ল। মিছৌৰী আৰু কেঞ্চাচ্······। আমাৰ বাছখনে আন্তঃ-ৰাজ্যিক উচ্চ পথেৰে (Inter-States Highways) দেশখনৰ পূব মূৰৰ পৰা পশ্চিম মূৰলৈ ভ্ৰমণ কৰিব।

সন্ধিয়া লাগিলত বাছখন গৈ এখন সৰু নগৰত ৰ'ল। যাত্ৰী সকল খোৱা-বোৱাৰ কাৰণে এটা ৰেঁষ্টোৰাত নামিল। ইয়াত হেনো বাছ পছিশ মিনিট ৰ'ব। মোৰ কাষতে বহি অহা সেই মুগা-চুলীয়া লৰাজনৰ বোধহয় ইমান পৰে টোপনি আহিছিল। তাৰ প্ৰমাণ স্বৰূপে, তেতিয়া তেওঁৰ নাকে ঘোৰ-ঘোৰাইছিল। এনেতে আন এজন যাত্ৰীয়ে তেওঁক হেঁচুকি হেঁচুকি জগাই দি ক'লে, "হেৰা, নামা, কিবা এমুঠি এতিয়াই নাখালে ৰাতি বাৰ বজাৰ আগতে ইয়াৰ পিছৰ বাছবোৱা ঠাই নাপাবাগৈ। মৰিবা লঘোণে ভোকে; ৰাতিখন 'কম সে কম', এটা 'হুট্-ডগ্' বা 'হামৱাৰগাৰ'কে পেটত পেলাই লোৱা।" ল'ৰাজনে ক'লে, "ধন্যবাদ, ডাঙৰীয়া! মই খায়েই আহিছোঁ। আপুনিয়েই খাওঁকগৈ—।"

বাদামী-চকুৱা জন যিহেতু মোৰ সহযাত্ৰী, ভদ্ৰতাৰ খাটিৰতেই

তেওঁক মই মোৰ আলহী হিচাবে খাবলৈ মাতিলোঁ। তেওঁ ক'লে, "অসংখ্য ধন্যবাদ, মোৰ ভাৰতীয় বন্ধু! তোমাৰ এই উদাৰ নিমন্ত্ৰণে মোক তোমাৰ প্ৰতি সদায়েই কৃতজ্ঞ আৰু কোমলমনা কৰি•ৰাখিব। বেয়া নাপাবা দেই। তুমিয়েই খোৱাগৈ।" তেওঁ নানামিল।

চাওঁতে চাওঁতেই পছিশ মিনিট পাৰ হৈ গ'ল। বাছৰ টিলিঙা বাজি উঠিল। বাছৰ পুৰণি যাত্ৰীখিনি আৰু হয়তো সেই ষ্টেচনতে উঠা নতুন যাত্ৰীও আহি উঠিলহি।

আমাৰ যাত্ৰীসকলৰ তেতিয়া কিছুমানে টোপনিয়াইছে, কিছুমানে ভাবিছে, কিছুমানে চুৰট খাইছে, আৰু বহুতেই সন্ধিয়াৰ বাতৰি-কাকতৰ পৃষ্ঠা বিলাকৰ ওপৰত চকুবিলাক ৰাখি গৈছে।

"আপোনাৰ ঘড়ীত এতিয়া সময় কিমান হ'ল?" মুগা-চুলীয়া জনে সুধিলে।

মোৰ ঘড়ী পিন্ধি থকা হাতখন বিনয়পূৰ্ব্বক তেওঁৰ চকুৰ আগলৈ আগবঢ়াই দিলোঁ।

তেতিয়া আমাৰ বাছখনে আমেৰিকা যুক্তৰাজ্যৰ 'কলেৰেডো' ষ্টেটৰ ভিতৰত সোমাইছিল। বাহিৰখন ফৰিংফুটা জোনাকেৰে উপচি পৰিছিল। বাছৰ 'হাইওৱে'ৰ দুয়োকাষৰ জোনাক চৰোৱা কলেৰেডোৰ পাহাৰ উপত্যকাৰ লেণ্ডস্কেপ্ বিলাকে যেন এইমাত্ৰ সুদক্ষ শিল্পীৰ ৰঙৰ ফ্ৰেমৰ পৰা নামি আহি মোৰ চকুৰ সম্মুখত জীৱন্ত-জাগ্ৰত হৈ হে দেখা দিছিল।

ক্ষণিকৰ নিস্তব্ধতা ভঙ্গ কৰি আকৌ বাদামী-চকুৱা ল'ৰাজনেই আৰম্ভ কৰিলে, "আহক আমি অলপ কথাকে পাতো। আপুনি এই সন্ধিয়াতেই কলমটিয়াই থকা নাই, নিশ্চয়।"

সঁচাকৈয়ে, জোনাকী সন্ধিয়াই তেতিয়া চতুৰ্দ্দিশ ছাটি পেলাইছিল। দূৰৰ মাইলৰ খুঁটিত, ক'লা আৰু বগাৰ পটভূমিত, আমাৰ বাছখনৰ হেড-লাইটৰ পোহৰ পৰি সাধু-কথাৰ ৰূপালী সাপ একোটাৰ দৰে জিলিকি উঠিছিল।

কথকী ল'ৰাজনেই আকৌ কবলৈ আৰম্ভ কৰিলে, "তুমি যেতিয়াই মোক জেপৰ পইচা ভাঙি খাবলৈ মাতিলা, প্ৰথমতে মই একেবাৰেই তোমাৰ প্ৰতি কৃতজ্ঞ নহৈ নোৱাৰিলোঁ। কাৰণ, প্ৰথমতে মোক জগাই দিয়া মানুহজনে মোক খাবলৈহে মাতিছিল, তুমি কিন্তু মোক জেপৰ ধন ভাঙি খাবলৈ মাতিছিলা।" নকলেও হ'ব যে ল'ৰাজনৰ লগত মোৰ কথোপকথন ইংৰাজী ভাষাতেই হৈছিল। গতিকে ইংৰাজী 'ইউ' শব্দটোক 'তই', 'তুমি' বা 'আপুনি' কিবা এটা অৰ্থত ধৰিলেই হয়।

"সেইটো কোনো ডাঙৰ কথা নহয়। ভালদৰে চা-চিনাকী হোৱাৰ পিছত মানুহে মানুহক চাহ বা কফি এপিয়লা খুউৱাটোনো কি ডাঙৰ কথা?" আকৌ বিনয় কৰিয়েই কলোঁ।

সেই বাদামী-চকুৱা ল'ৰাজনৰ চকুৰ মণি কেইটা যেন জিলিকিহে উঠিছিল। মন কৰিছিলোঁ, চকু কেইটা আছিল কোটৰ-গত, ল'ৰাটোৰ চুলি বিলাক আছিল ৰঙচুৱা কিন্তু শুকান, টিঙনা ওলোৱা গালৰ হাড়, মজবুত্ অথচ ক্ষীণ তাৰ গাৰ 'ফ্ৰেমটো' আৰু সাধাৰণ পোছাক-পৰিচ্ছদ। তাৰ সাজপাৰ, তাৰ চালচলন আৰু কথা-বতৰাই মোৰ মনত তাৰ প্ৰতি এটা বিস্ময় আৰু কৌতূহলৰ ভাৱহে জন্মাইছিল। তাৰ লগত কথা পাতিবলৈ আৰু তাৰ বিষয়ে আৰু অধিক জানিবলৈ সঁচাকৈয়ে যেন মই অজানিতেই আগ্ৰহান্বিত হৈ পৰিলোঁ।

"সুধিব পাৰোনে তোমাৰ ঘৰ ক'ত?" ল'ৰাজনক ক'লোঁ। "ঘৰ ক'ত মই নাজানো। এৰিজনাৰ ফ্লেগষ্টাফ্ নামৰ নগৰ খনতেই মই জন্ম গ্ৰহণ কৰিছিলোঁ।" ইমানকে কৈয়েই ল'ৰাটোৱে আকৌ চুৰট এটা হোপাত লাগিল। মন কৰিছিলোঁ, চুৰট খাবৰ সময়ত সি ৫।১০ মিনিটমান সময় মনে মনে থাকে। আৰু চুৰটটো চুকালেই নতুন এটা নজ্জলাই কথাকেই আৰম্ভ কৰে।

ইতিমধ্যে, সেই 'শুকান-চুলীয়া'টোৰ প্ৰতি মোৰ কিবা এটা

সন্দেহ ভাব আহি পৰিছিল। সি এটা মাত্ৰ ২১।২২ বছৰীয়া চেঙেলীয়া মাৰ্কিণ ল'ৰা! কিন্তু তাৰ কথা আৰু কাম বিলাক যেন পোহৰ আৰু আন্ধাৰৰ দোমোজাৰ সেই সন্ধিয়াটোৰ দৰেই অস্পষ্ট। তাৰ পৰা এটা নিৰাপদ দূৰত্বৰ ব্যৱধানতেই বহিবলৈ মই ভাল পাইছিলোঁ। কাৰণ মই মনতে ভাবিছিলোঁ, এই 'ভব-ঘূৰে' ল'ৰাটোৰ চুলিৰ কেঁকোৰা পাকত আৰু চাৱনিত যেন 'গুণ্ডা'ৰ চেহেৰা আছে।

"শুনিছা, সৰুৰে পৰাই মই মৰমৰ কিমান আকলুৱা তোমাক কেনেকৈ বুজাম ?"··· ·· আকৌ ল'ৰাজনে আৰম্ভ কৰিলে।

"তোমাৰ কথা আৰু ব্যৱহাৰ সঁচাকৈ মোৰ আচহুৱা যেন লাগিছে। কথাবিলাক—'জিলাপীৰ-পাক' নকৰি অলপ পোন-পটীয়াকৈ কবা, মোৰ কুটুম্ব !"······ তেওঁক আকৌ ক'লোঁ।

"মই বহুতৰেই কাৰণে সংশয়-স্বৰূপ হব পাৰো, কিন্তু তুমি বন্ধুৰো বন্ধু, 'আও' বন্ধু। মোক খাবলৈ নিমন্ত্ৰণ কৰি তুমি মোৰ পৰা শ্ৰদ্ধায়েই নহয়, চিৰ-নিৰাপত্তাৰ প্ৰতিশ্ৰুতিও অকথিত আৰু অলিখিত ভাবে আদায় কৰিব পাৰিলা। শুনিবা নেকি মোৰ কাহিনী ?" দূৰৰে পৰাই মই মূৰ দুপিয়াই ক'লোঁ, "নিশ্চয় ! নিশ্চয় !"

ৰঙাচুলীয়া জনে কৈ গ'ল।—ফ্লেগষ্টেফ্ নগৰৰ এটি অখ্যাত আৰু দুখীয়া পৰিয়ালত মোৰ জন্ম হয়। মোৰ জন্মৰ ইতিবৃত্ত লৈ মোৰ আইৰ মনতো ঘোৰ সন্দেহ থাকিল। কাৰণ, আইয়ে এসময়ত ৩।৪ জন মানৰ নাম কোৱা মনত পৰে, তেখেতৰ বিয়া কৰোৱা গিৰিয়েকক—মানে মোৰ তোলনীয়া দেউতাক। প্ৰেমাৰ-গাৰ্ল বা পুৰাপুৰি 'ক্লাব-গাৰ্ল' হৈ জীৱিকা নিৰ্ব্বাহ কৰিবলগীয়া হলে কেতিয়াবা অৱস্থাত পৰি নাৰী যে স্খলিত হ'ব লগা হয়, মোৰ আয়েই তাৰ জীৱন্ত চানেকি। বহুতো ভোমোৰাক তোষণ কৰি তেওঁ প্ৰাণ-ধাৰণৰ খৰচ উলিয়ালে, কিন্তু প্ৰিয়-পুত্ৰৰ প্ৰকৃত দেউতাক কোন হোৱা উচিত, তাকো তেওঁ মন নকৰিলে। ই

হ'ব পাৰে তেওঁৰ কাৰণে এটি সাধাৰণ কথা, মোৰ কাৰণে ই কিন্তু বহুত কিবা।

আয়ে মোক সৰুতে ওচৰৰ এঘৰ মানুহৰ এখন খাটৰ ওপৰত পেলাই থৈ কামত গাথীৰ বিস্কুট কিছুমান ৰাখি গুছি যায়—ৰাতিটোলৈ। তেওঁ নিজেই পৰিয়ালৰ পৰিত্যক্তা আছিল। ধাই বা "বেবী ছিটাৰ' এজনী ৰাখিবলৈ আইৰ পইচা নাছিল। সেই মানুহ ঘৰৰ এজনী বুঢ়ী, তেওঁৰ ঘৰত ৫।৬টা, বোধহয় আমাৰ দৰেই সৰু সৰু ল'ৰা-ছোৱালীৰ ব্যৱসায়িক-ৰখীয়ানী (Professional baby-sitter) আছিল। ধনী ল'ৰা-ছোৱালী বিলাকৰ মাক-দেউতাক বিলাকৰ তুলনাত আয়ে ৰখিয়ানী জনীক বিশেষ পা-পইচা দিব নোৱাৰিছিল। তাৰ ফলত সেই ল'ৰা-ছোৱালী বিলাকৰ ভিতৰত ময়েই অধম ভাৱে ধাইজনীৰ অনাদৃত হৈ পৰি আছিলোঁ আৰু সেইদৰেই কেটেৰা জেঙেৰা খাই ডাঙৰ হলোঁ।

এনেতে আইৰ জীৱনলৈ—আন এজন পুৰুষ নামি আহিল। তেতিয়া মই বুজন হৈছোঁ। মোৰ বয়স ৫।৬ বছৰমান হৈছে। আইৰ মনত বৰ আনন্দ। কাৰণ, হেনো এইবাৰ ৰীতিমতে গীৰ্জ্জা ঘৰত গৈ আইৰ লগত নতুন দেউতাৰ বিয়া হ'ব।

এই মানুহজনে উপাৰ্জ্জন কৰিছিল। নগৰখনতেই তেওঁৰ ভাল ঘৰো আছিল। তেওঁৰো পো-পৰিয়াল বিশেষ নাছিল। এওঁৰ লগত আই সুখীয়েই আছিল। মাথোন মোক লৈ মাজে মাজে তেওঁলোকৰ ভিতৰত কথা কটাকটি হৈছিল। লাহে লাহে নতুন দেউতাই আৰু আয়ে ক্লাবৰ পৰা ৰাতি আহি মাজে মাজে মোক মাৰ-পিট কৰিবলৈ ধৰিলে। দেউতা আৰু আইৰ 'লেকেচা-থেকেচা' খাবলৈ ধৰাত মোৰ চকুপানীয়ে বাট নেদেখা হৈ থকা হ'ল। নতুন দেউতাই কথাই পতিয়ে ক'ব ধৰা হ'ল 'জাৰজ ক'ৰবাৰ'!

মদৰ ৰাগী এবাই গ'লে দিনত আয়ে মোক বুটলি লৈছিল। বুকুৰ মাজত সুমুৱাই লৈ উচুপিছিল আৰু ময়ো—তেওঁৰ কোলাত

মূৰ গুজি উচুপিছিলোঁ। দিনত মোৰ কাৰণে 'মাতৃ', আৰু ৰাতি মোৰ কাৰণে যেন 'ডাইনী' এই আইজনীক এৰিবও নোৱাৰিছিলোঁ, ধৰিলেও বিপদ বিপদ যেন লাগিছিল। কাৰণ নতুন দেউতাৰ জ্বলন্ত চোকা চকু কেইটাই দুটা সতৰ্ক প্ৰহৰীৰ দৰেই কাম কৰিছিল। আৰু আয়ে মোক অলপ মৰম কৰা যেন পালেই আইক একো নকৈ তেওঁ মোৰ গালত 'খাচ্' 'খাচ্' কৰে চৰ ম্যাৰি দিছিল, আৰু মই হুকুহুকাই কান্দিলে আইক কৈছিল, 'ইয়াক দুৱাৰ বন্ধ কৰি থৈ দে। আধাঘণ্টা খাবলৈ নিদিবি।'......

আইক মই ভক্তি নকৰাকৈ থাকোঁ কেনেকৈ? পৃথিবীত মোৰনো আৰু আন কোন আছে? আইৰ পৰিচয়েই যে মোৰ পৰিচয়।"......

আমাৰ বাছখন আহি তেতিয়া 'চেণ্টাফে' নামৰ সৰু নগৰ এখনত আধাঘণ্টা মানৰ কাৰণে ৰ'ল। তেতিয়া ৰাতি এক বাজিছিল। আৰু আকাশৰ পৰা নামি অহা জোনাকে নগৰীখন যেন এটা জোনাকৰ পিয়লাতেই ভৰাই থৈছিল।

'বাদামী-চকুৱা'জনে চিগাৰেট এটা জ্বলাই ল'লে। পাঁচ মিনিট মানৰ পিচত আকৌ আৰম্ভ কৰিলে—

......"মোক স্কুললৈ পঠোৱা কথা লৈ আই আৰু নতুন দেউতাৰ মাজত ঘোৰতৰ বিবাদ হ'ল। আইৰ হাতত সাঁচতীয়া ধন মুঠেই নাছিল। নতুন দেউতাই ক্লাব, মদ আৰু ভোজ-ভাততেই দুয়ো হাতেৰে পইচা উৰুৱাইছিল। ইয়াত আইৰ পছন্দ অপছন্দৰ কোনো কথা নাছিল। এদিন আইক হঠাৎ অপ্ৰস্তুত কৰি নতুন দেউতাই কোৱা শুনিছিলোঁ, 'তোক বিয়া নকৰাই আনে 'ডাইভৰ্চ' কৰোৱা এজনীক ঘৰ চপোৱা হলে মানুহজনী আৰু হয়তো আগৰ গিৰিয়েকৰ ভাগৰ সা-সম্পত্তিকেই পালোঁহেতেন। তইনো মোলৈ কিটো আনিলি? এটা মস্ত ভালুকৰ সাঙী, সেই জাৰজ সন্তানটো।"

আয়ে কান্দি কান্দি মূৰ্চ্ছা যোৱাৰ দৰে হৈছিল।

তিক্ততাত মোৰ মন ভৰি গৈছিল। এনে নতুন দেউতাক ভক্তি কৰা দূৰৰে কথা, পৰাহলে টেঁটুটোতে চেপি দিবৰহে মোৰ মন গৈছিল।

এনেতে আইহঁতৰ সংসাৰলৈ এজনী কন্যা সন্তান আহিল। দেখিবলৈ অতি ধুনীয়া—এজনী ভনী……। তাই উপজি যেন আইৰ জীৱনটোকেই সাৰ্থক কৰিলে; সামাজিক ভাৱে এতিয়াহে যেন আইৰ হাড় শুচি হ'ল।

তাইক নতুন দেউতায়ো বৰ মৰম কৰিছিল। তাইক ময়ো মৰম নকৰি নোৱাৰিছিলো। কাৰণ তাই ওপজাৰ পিছৰে পৰাই, বিশেষকৈ ৰাতি বেলিকা নতুন দেউতা আৰু আইৰ মোৰ ওপৰত কিল-ভুকুৰ মাত্ৰা কমি আহিল। ভনীজনীৰ নাম ৰাখিলে মেৰী। তাই দোপত-দোপে বাঢ়ি আহিল।

টকা-পইচাৰ অজুহাত লৈয়েই মোৰ শিক্ষাৰ কোনো ব্যৱস্থা ন'হল, অথচ প্ৰথম দিনা, নতুন দেউতা আৰু আয়ে মেৰীক স্কুলত দিবলৈ যাওঁতে, মোকেই গাড়ী ড্ৰাইভ কৰি নিবলৈ দিছিল। এবছৰ মানৰ পিছত, মেৰীয়ে যেতিয়া ঘৰত মোক, "দাদা, মোৰ কিতাপৰ এইখিনি পঢ়াই দিয়া"—বুলি মোৰ পিছে পিছে ফুৰিছিল, তেতিয়া, মই হাঁহি ভেঙুচালি কৰি তাইৰ চুলিত ধৰি মৰম কৰি পলাই ফুৰিছিলোঁ। তাই সেইটো ধেমালি বুলি ভাবি খিলখিলাই হাঁহিছিল। মই ৰাতি দুৱাৰ-চুকত সোমাই মনে মনে কান্দিছিলোঁ,—মই পঢ়িব নজনাৰ কাৰণে নহয়, মেৰীয়ে যে, মই পঢ়িব নাজানো, সেইটো নজনাৰ কাৰণেই।

ভনীজনীয়ে সময়ত নিজেই বুজা হ'লত এদিন কান্দি-কাটি হুল-স্থূল লগাই দিলে। দেউতাকক ক'লে, "দাদি! 'ডিক্' দাদাক য'দি স্কুললৈ পঢ়িবলৈ নপঠোৱা, আজিৰ পৰা লাঞ্চ ডিনাৰ একো নাখাওঁ।" আয়েও তাইক বুজাই বঢ়াই স্কুললৈকে পঠিয়াব নোৱাৰিলে আৰু পানী এচলুও তাইক পিয়াব নোৱাৰিলে। মেৰীৰ যত্নতেই স্কুলত ৮।৯ বছৰ শিক্ষা পালোঁ। হাইস্কুলৰ গ্ৰেজুৱেট

হ'ব নোৱাৰিলেও আমাৰ এই শিক্ষিত সমাজতে—ছুষ্টালি কৰি বাচি থাকিবৰ কাৰণে যিখিনি বিদ্যাৰ দৰ্কাৰ সেইখিনি মোৰ হ'ল।……

তথাপিও লাহে লাহে মনত মোৰ প্ৰশ্ন কিছুমানৰ উদয় হ'ল। ইমান দিনে মোক নপঢ়োৱাকৈ 'গোট-গৰু' কৰি ৰখাটো আই-দেউতাই কিয় অন্যায় বুলি ভবা নাছিল? মেৰীয়ে কলতহে যেন সেইটো ন্যায়সঙ্গত কথা বুলি তেওঁলোকৰ ছুচ্ আছিল। মোৰ মনে প্ৰশ্নৰ উত্তৰ বিচাৰি পালে। মেৰী ন্যায়সঙ্গত, সমাজৰ বিধি-সম্মত এটি দেৱশিশু। গতিকে, তাইৰ কথা, মা-দেউতাকৰ ওপৰত তাই কৰা মান-অভিমানখিনিও বিধি-সম্মত। আনহাতে মই নাম-নাচ নথকা, নোম-নেগুৰ বৰ্জ্জিত এখন ঘৰৰ এটা এলাগী সন্তান।

বুজন হ'লত মনে মোৰ বিচাৰিছিল……এইখন ঘৰলৈ অহাৰ আগতে মা আনৰ পৰিত্যক্তা বা 'ডাইভ'ৰ্চী' হৈ আহিব লাগিছিল। তেতিয়া, অন্ততঃ মোৰ বুলিবলৈকে নিজা বোপাই এটা থাকিল-হেঁতেন। নহলেও মোৰ দেউতা এটা থাকিব লাগিছিল, যি এতিয়া মৰি সৰগলৈ গৈছে। তেতিয়াও চকুৰে নেদেখিলেও সমাজে মোক বৈধ-শিশু বুলি মানি ল'লেহেঁতেন। কিন্তু পৃথিবীত মোৰ ন্যায়-সঙ্গত দেউতাই জন্ম গ্ৰহণ কেতিয়াও কৰা নাছিল বুলিয়েই মই তেতিয়া ভাবি নললে উপায় নাই।

ঘৰখনত অভাব বোলা বস্তুটো নাছিল। জুৱা-খেলত, আৰু মটৰ গাড়ীৰ ৰে'চৰ পৰিচালক মেনেজাৰ হিচাপে নতুন দেউতাই বেচ উপাৰ্জ্জন কৰিব পাৰিছিল।

মাজে মাজে মই এই ঘৰখন এৰি পলাই যোৱাৰ কথাকে ভাবিছিলোঁ। নোৱাৰিছিলোঁ, মেৰীৰ কাৰণেই। তাই মোক নিজৰ ককায়েকৰ দৰেই মৰম আৰু শ্ৰদ্ধা কৰিছিল।

শেহত এদিন যেতিয়া মেৰীক, মা-দেউতাকে তাইৰ ইচ্ছা সাপেক্ষেই যোগ্য এজনৰ হাততেই বিয়া দিলে, মই নিশ্চিন্ত হ'লোঁ। মই পলাই যোৱাৰ পথ পৰিষ্কাৰ হ'ল।

তথাপিও, যোৱা নাছিলোঁ, সেই নগৰ নিবাসিনী 'মাৰ্জ্জি'ৰ ভাল-পোৱাৰ কাৰণেই। মাৰ্গাৰেট মোৰ হাইস্কুলীয়া বান্ধৱী। আমি উভয়েই উভয়কে প্ৰাণ ভৰি ভাল পাইছিলোঁ আৰু আমাৰ মাজত বিয়া হোৱাটো একৰকম নিশ্চিত আছিল। মোৰ জন্মৰ আদ্যো-পান্ত কোনো কথাকেই তাইক লুকুৱা নাছিলোঁ। তাই তথাপিও মোঁক গ্ৰহণ কৰিছিল।

এদিন মাৰ্জ্জিৰ পৰা চিঠি এখন পালোঁ, তাই লিখিছে, "তুমি অকণো আচৰিত নহবা। মই যোৱা ৰাতি টমৰ লগতেই বিয়া হ'ম বুলি ঠিক কৰিলোঁ। তুমি মোৰ লগত দ্বিমত নহৈ নোৱাৰা, যে সকলো ফালৰ পৰাই টম তোমাতকৈ শ্ৰেষ্ঠ। আমি কল্পনা-বিলাসী হোৱা অনুচিত। মোৰ বিয়াত তুমি নিশ্চয় ভাল উপহাৰ পঠাবা, তোমাৰ বিয়াতো আমি—মানে মই আৰু টমে, ধুনীয়া উপহাৰ পঠাম। বিদায়!"

মাৰ্জ্জিক দোষ দিয়েইবা লাভ কি? তাই মোক চিৰজীৱনলৈ গ্ৰহণ কৰিব বাৰু কি বুলি? তাতে জানে মোৰ ভাৰতীয় বন্ধু, সেই ৰঙা-চুলীয়াজনে অনৰ্গল কৈ গ'ল···· ·"আমাৰ দেশৰ ল'ৰা-ছোৱালী বিলাকৰ স্বাধীন-চিতীয়া মন বিলাকক আমি হাজাৰ দোষ-গুণৰ মাজতো পাৰস্পৰিক শ্ৰদ্ধা কৰোঁ।"

"এদিন কোনোবা এটা অমাৱস্যা তিথিত মোৰ মৰমৰ আই আৰু মৰমৰ নগৰখনক এৰি এখন গাড়ীত উঠি নিৰুদ্দেশ হ'লোঁ। কিছুদিন অনাই বনাই ঘূৰি ফুৰাৰ পিছত—এটা দলত যোগ দিলোঁ। আমাৰ দলটোৰ গোটেই কেইজনেই মোৰ দৰেই ২০।২১ বছৰীয়া ল'ৰা। আমাৰ বয়সৰ আঁহ কোমল, কিন্তু মনৰ আঁহ কঠিন আৰু জটিল।"

চলন্ত বাছত মোৰ লগত একেলগে ভ্ৰমণ কৰা এই যাত্ৰী ল'ৰাজনৰ কথাবিলাক মোৰ কেনেবা কেনেবা লাগিছিল। স্বভাৱতেই মোৰ মনত ভয়ো অলপ নহাকৈ নাছিল। ল'ৰাজনৰ কথাবিলাক

শুশুনিবৰ বুদ্ধিৰেই মই টোপনি যোৱাৰ ভাও ধৰিলোঁ। তেৱেঁই হেঁচুকি হেঁচুকি জগাই দি ক'লে—"ৰবা, টোপনি নাযাবা। আৰু এঘণ্টাৰ পিছতেই শেহৰাতি ইয়াৰ পিছৰ 'বাছ-ষ্টপেজ'ত মই নামি যামগৈ। মোৰ কাহিনীটো শেষ কৰিম। শুনি যোৱা।"

অগত্যা শুনিবলৈ বাধ্য হলোঁ। ল'ৰাজনৰ চেহেৰাটোহে 'কঠিন' যেন লাগিলেও তাৰ কথাবিলাক করুণ আৰু মৰম লগা আছিল। এই বাছৰ সহযাত্ৰীজন মোৰ কাৰণে আঁছিল যেন—এক বিস্ময় নহয়, 'কোমলে-কঠিনে মিলি কিবা অপৰূপ'।

"আজি দুবছৰ পুলিচ আৰু এফ্-আই-বি-ৰ (সেইখন দেশৰ চোৰাং-চোৱা বিভাগ) চকুত ধূলি দি পলাই ফুৰিছোঁ। বাছত উঠি অসংখ্যবাৰ এই পথেদি অহা-যোৱা কৰিছোঁ। বাছৰ ড্ৰাইভাৰকে আদি কৰি সকলোৱেই হয়তো মোক চিনি পায়। দেশৰ সকলোবোৰ পোষ্ট-অফিচ, তাঁৰ অফিচ, আৰু চৰকাৰী-বেচৰকাৰী কাৰ্য্যালয়ত মোৰ ফ'টো আছে। মোক কোনোবাই ধৰা পেলাই পুলিচৰ হাতত পেলাব পাৰিলেই নগদ দহ-হাজাৰ ডলাৰ পুৰস্কাৰ পাব। তাকে পৰা নাই। কিয় জানা? প্ৰথমতে, মোৰ ছদ্মবেশৰ কাৰণেই। মোৰ আচল চেহেৰাৰ লগত বৰ্ত্তমান তুমি দেখা 'মেক-আপ'ৰ মোৰ এই চেহেৰাৰ স্বৰ্গ-মৰ্ত্ত্য পাৰ্থক্য । দ্বিতীয়তে, এই বাছৰ ড্ৰাইভাৰকে আদি কৰি যিবিলাক বাছ-যাত্ৰীয়ে মোক চিনি পায়, সিহঁতে জানে যে মোক ধৰা পেলোৱা মানে জুইৰ লগত ধেমালি কৰাহে। কাৰণ তেনে প্ৰচেষ্টা কৰাৰ আগতেই তেনেলোকৰ মূৰৰপৰা লাও-খোলা নিমিষতেই চূৰ্ণ-বিচূৰ্ণ হৈ উৰি যাব।

"তথাপিও, মই সাৱধান হৈ চলোঁ। মোৰ বৰ্ত্তমান নাম কি মোৰ আইৰ বাহিৰে আন কোনেও নাজানে। নতুন দেউতা, শুনিছোঁ, কালিফৰ্নিয়াত মটৰ ৰে'চত দুৰ্ঘটনা হৈ ঢুকাল। মেৰীয়ে প্ৰাণ গ'লেও মোৰ বৰ্ত্তমানৰ নাম পুলিচক বা কাকো নকয়।

কাৰণ, জানে, ‘হাইওৱে ৰবাৰী’ৰ দলপতি তাইৰ এজন তৰুণ ককায়েকৰ জীৱন-মৰণৰ প্ৰশ্ন তাত নিহিত হৈ আছে।”

“বাৰু, তোমাৰ, আয়েৰাৰ আৰু মেৰীলৈ মনত নপৰেনে? সিহঁতক চাবলৈ তোমাৰ মন নাযায়নে?” মই সুধিলোঁ।

“যেতিয়াৰে পৰাই এৰি আহিলোঁ আজি দুবছৰে সিহঁতক দেখা নাই। কাৰণ, গোটেইখনতে পুলিচ আৰু এফ্-আই-বিৰ চোৰাং-চোৰাই পিয়াপি দি ফুৰিছে। মোৰ নগৰখনত নমাৰ লগে লগেই, আইৰ ঘৰলৈ যোৱাৰ লগে লগেই মোক এৰেষ্ট কৰিব পাৰে।”

“বাৰু, তোমাৰ এই নতুন নাম লোৱাৰ কাৰণ কি?” আকৌ সুধিলোঁ।

“সেই নামেৰেই মই মাজে মাজে দীঘলীয়া পথৰ টেলিফোন যোগে (Long distance Telephone call) আই আৰু মেৰীৰ লগত কথা-বতৰা পাতোঁ। সেইটো একমাত্ৰ মই জানো, আৰু তেওঁলোকেইহে গম পায়। টেলিফোনৰ অপাৰেটৰ আৰু চোৰাংচোৰা বিভাগৰ জানিবলৈ সাধ্য নাই।

“আয়ে, ফোনত কান্দি উঠিব খোজে মাজে মাজে। মই দবিয়াওঁ। ‘যীশুখৃষ্টৰ দোহাই! মা! তেনেখন নকৰিবা, পুলিচে গ’ম পাব।’

আয়ে মোক কয় যে এই বৃত্তিত হাত দি মই এনেদৰে অঘৰী হোৱাৰ এতিয়া আৰু আৱশ্যক নাই। মায়েই নতুন দেউতাৰ মৃত্যুৰ পিছত অজস্ৰ ধন-সম্পত্তি পাইছে। মই ঘৰৰ ল’ৰা ঘৰলৈ ঘূৰি যাব লাগে। আৰু এজনী ছোৱালী বিয়া কৰাব লাগে।

মাক মই উত্তৰত ক’লোঁ, যে নতুন দেউতাৰ সম্পত্তিক মই বিষ্ঠা যেনহে জ্ঞান কৰিম আজীৱন। যি মোক জীৱনত অকণ মৰম নকৰিলে, তাৰ সম্পত্তি খাবলৈ যাম কোনটো লাজত?

কেইবাজনো মোৰ দৰেই হতভগীয়া তৰুণ-যুৱক ডকাইতৰ

ময়েই বিখ্যাত দলপতি ডকাইত। গোটেই কেইটাৰ ভিতৰত বয়সত ময়েই সকলোতকৈ সৰু, অথচ সকলোৱে মোকেই দলপতি বাছি লৈছে। কাৰণ এইবোৰ কাৰ্য্যত বয়সৰ প্ৰশ্নতকৈয়ো দুৰ্জ্জয় সাহৰহে প্ৰশ্ন।”……

“হেৰা, ঘৰৰ ল’ৰা ঘৰলৈ গুছি যোৱা। তুমি ইমান ধুনীয়া ল’ৰাজনে এইবোৰ কাণ্ড কৰিলে বাৰু কেনেকৈ হয়? মেৰীলৈ—তোমাৰ বেয়া নালাগেনে?” মই ক’লোঁ।

“নালাগে।”……মোক আচৰিত কৰি—সি উত্তৰ দিলে। লগে লগেই সি তাৰ পকেট-বুকত বন্ধা এজনী সৰু ছোৱালীৰ ফ’টো এখন মোক দেখুৱালে।

“এইখন তুমি ছাগে মাৰ্জ্জিৰ ফ’টো বুলি ভাবিছা, নহয়? এইখন মেৰীৰ ছবি। তাই প্ৰথম যিদিনা মোক স্কুললৈ লৈ গৈছিল—সেইদিনাৰ ছবি। এতিয়া কিন্তু, মাজে মাজে এইখন ফালি পেলাবৰহে মন যায়। কাৰণ কি জানা? সিদিনা আয়ে টেলিফোন কৰিছে, মেৰীয়ে—গিৰিয়েকক ‘ডাইভৰ্চ’ কৰি কোলাত এটা কেঁচুৱা পুত্ৰ-সন্তান লৈ আইৰ ঘৰত উঠিছেহি। তুমি জানাই, আমাৰ সমাজ-প্ৰথা মতে মেৰীয়ে আন এজনক নিশ্চয় পুনৰ্বিবাহ কৰাব। কাৰণ, গোটেই জীৱন কেনেকৈ তাই এইদৰে কটাব?……কিন্তু মেৰীজনীয়ে কিয় ভুল কৰিলে? তাই কিয় অকণো সৰুকালৰ মোৰ দুৰ্দ্দশাৰ কথা ভাবি নাচালে? তাই কিয় নাভাবিলে যে তাইৰ ককায়েকৰ দৰে সময়ত তাইৰ এই সন্তানটোও যদি বেয়া ল’ৰা হৈ যায়!……উঃ…… !”

মেৰীৰ ছবিখন বুকুত গুজি সি সৰু ল’ৰা এটাৰ দৰেই উচুপি উঠিল। অলপ শান্ত হৈ সেই ৰঙা-চুলীয়া ল’ৰাজনে আৰম্ভ কৰিলে, “বুজিছা, ভাৰতীয় বন্ধু! আমাৰ ধুনীয়া দেশখনৰ কিছুমান সামাজিক ‘অধুনীয়া’ কথাৰ সমাধান মোৰদৰে ক্ষুদ্ৰ এটাই কেতিয়াও কোনোকালে কৰিব নোৱাৰিম বুলিয়েই এই পথ

বাঁচি ল'লোঁ। কাৰণ নিশ্চয়কৈ জানো মই আৰু মোৰ দলৰ কোনো এটাই সৰহ দিন বাচি নাথাকিম। আমি পুলিচৰ গুলিতেই এদিন ধৰাশায়ী হম। ডকাইতি কৰি পোৱা ধন-সোণেৰে দেশৰ আমাৰ দৰে দুৰ্ভগীয়া বিলাকৰ সাহায্য কল্লে কিবা অনুষ্ঠান খোলাৰ সপোন লৈয়েই আমি জুইৰ শিখাৰ দৰেই বিপদপূৰ্ণ এই পথত ভৰি দিছোঁ। আমি মৰাৰ পিছতো তেনে অনুষ্ঠান ন'হব। কাৰণ বে-আইনী ধন-সোণেৰে কোনো অনুষ্ঠানেই হ'ব নোৱাৰে, আৰু হোৱাটোও উচিত নহয়।"

"ৰ'বা—বন্ধু! তোমাৰ ঘড়ীত সময় এতিয়া কিমান?"...... ল'ৰাটোৰ আকৌ সেই গতানুগতিক প্ৰশ্ন আৰু চুৰটৰ হোঁপা আৰু প্ৰায় পাঁচ মিনিট মানৰ নীৰৱতা।

"বুজিছা, মোৰ কঁকালত এটা বন্দুক আছে। দেশৰ সৰ্ব্বাধুনিক সৰু অথচ সাংঘাটিক অব্যৰ্থ এই বন্দুকটো।......সেই মানুহজনে আৰু তুমি যেতিয়া মোক সেই বাছ ষ্টেশ্যনটোত খাবলৈ মাতিছিলা......লগত এই বন্দুকটো থকাৰ কাৰণেই, ঘনাই উঠা-নমাত অসুবিধা হয়......সেয়েহে তোমালোকৰ নিমন্ত্ৰণত সঁহাৰি দিব পৰা নাছিলোঁ। আৰু দহ-পোন্ধৰ মিনিটৰ পিছতেই, ইয়াৰ পিছৰ বাছ ষ্টেচনটোতেই মই নামিম। তুমি বাছৰ পৰাই তাত মন কৰিবাচোন, এখন জীপ্‌গাড়ীত ৪।৫ জন, প্ৰায় মোৰ বয়সৰ ল'ৰাই মোলৈ বৈ থাকিব। আজি সিহঁতৰ লগত নতুন 'চিকাৰ'ৰ বন্দোৱস্ত 'পকা' হৈ আছে। মই গ'লেহে কাম আৰম্ভ হ'ব পাৰিব কাৰণ, অস্ত্ৰ যে মোৰ লগতেই।......ৰ'বা, এই 'ডান্‌লোপিলো' গাৰুটো তোমাকেই দিছোঁ",—বাদামী-চকুৰা সেই সাঙ্ঘাটিক ল'ৰাজনে ক'লে, "ভয় নকৰিবা আকৌ। ইয়াত বন্দুক, খাৰ-বাৰুদ একো নাই! ইয়াতেই আউজি পথৰ বাকী-ছোৱা আৰামেৰে শুই যাব পাৰিবা। তোমাক কিন্তু, ভাৰতীয় বন্ধু! এই শেহৰাতিলৈকে গল্প কৈ টোপনি খতি কৰাই বেচ্

আমনি দিলোঁ। ক্ষমা, দেই, সেই বাবে......, ৰ'বা, মোৰ বাছ ষ্টেছন এই পালোঁহিয়েই—।" ল'ৰাটো নামি যোৱাতকৈয়ো সেই জীপ্‌গাড়ীখন ষ্টেছনলৈ আহিছেনে নাই, তাকেইহে বেচিকৈ নিৰীক্ষণ কৰিছিলোঁ।

বাছ ষ্টেছনত ৰোৱাৰ লগে লগেই ল'ৰাজন নামিল। 'ওস্তাদী' ভঙ্গীত যাওঁতে মোক কৈ গ'ল, "আজি শেহ•নিশাৰ 'চিকাৰ' কোন জানা? এই নগৰতেই এজন মস্ত জুৱাৰী ব্যৱসায়ী, যাৰ হেনো পানীৰ দৰে টকা উকুৱাবলৈ কলিজা আছে, অথচ, সি জন্ম দিয়া কিছুমান সন্তানৰ পিতৃ হৈয়ো সিহঁতৰ পিতৃত্বক সামাজিক ভাৱে স্বীকাৰ কৰিবলৈ তাৰ সাহস নাই! বুজিছা, প্ৰথমে ময়েই তাৰ 'নিগনিৰ দৰে সৰু হৃৎপিণ্ড ছুটা' এই বন্দুকৰ গুলীৰেই উকুৱাই দিম। আহোঁ, দেই .....গুড্‌বাই!"......

সি গ'লগৈ। ষ্টেছনৰ পিছফালে জোপোহা বনৰ আঁৰত ৰৈ থকা এখন জীপ্‌গাড়ীত উঠি তাৰ বন্ধুবৰ্গৰ লগত সি গুছি যোৱা মই স্বচক্ষেই দেখা পালোঁ।

আমাৰ বাছখন আকৌ চলিবলৈ ধৰিলে। সেই আপদীয়া ল'ৰাটোৰ পৰা নিষ্কৃতি পাই স্বস্তিৰ নিশ্বাস পেলোৱাৰ লগে লগেই ভাবিলোঁ, মেৰীৰ ছবিখন বুকুত লৈ কান্দোতে তাৰ চকুপানীখিনি আছিল ইমান ধুনীয়া।......অথচ তাৰ বন্দুকটো কি বীভৎস!!

মাছৰ কাঁইট

...খিৰিকীৰ ৰেলিঙত ধৰি তমালে মুকলি পথাৰৰ পিনে চাই আছিল। জুৰ্‌ জুৰ্‌কৈ বতাহ বলিছিল। দূৰণিৰ পৰা কেতেকীৰ মাত এটা বতাহত উটি আহিছিল। কাউৰী কেইটামানে ৰমলিয়াই—বাঁহমুৱা হৈছিল। আকাশ আছিল তেতিয়া পৰিষ্কাৰ—তমালৰ বগা কাপোৰখনৰ দৰেই।

ৰেলিঙত ধৰি বাহিৰলৈ চাই থকা সেই ছোৱালীজনীৰ মনটো উৰি গৈছিল—দূৰলৈ কেতেকীৰ সুৰে সুৰে...। সেই সুৰে তাইক উতলা কৰিছিল। সেই বিননিয়ে যেন তাইৰে বিননি হৈ বতাহত বিনাইছিল।

এনেতে এহালি হালধীয়া চৰাই আহি খিড়িকী কাষৰ কদম জোপাতে পৰিলহি। সিহঁতৰ যোৰ দেখি তাই চকু মুদি দিছিল—খঙত নহয়, বেজাৰত নহয়, ঈৰ্ষাত। কোনে জানে তাই হয়তো ভগৱানক প্ৰাৰ্থনা জনাইছিল—যেন অহা জনমত তাই চৰাই এজনী হৈ জনম ধৰিব। আৰু হয়তো ভাবিছিল, মানুহৰ সমাজতহে বাল-বিধবা আছে, পৃথিবীৰ চৰাই সমাজ যেন এই বিষয়ত বেছি সুখী।

ৰেলিঙৰ তলৰ ব্ৰাতামৰ খিৰিকীৰ কাঠখিনি তিতি গৈছিল—তাইৰ চকুলোৰ বৰষুণত।

আজি তাইৰ চেনেহৰ একমাত্ৰ ককায়েক আহি পাবহি ডাক্তৰী পাছ কৰি বিলাতৰ পৰা। ককায়েকে জানো তাইৰ মনৰ বেমাৰ ধৰিব পাৰিব? তমালৰ একেটি মাত্ৰ ককায়েকৰ সুদীৰ্ঘ সাতবছৰ বিলাতত থকা কালত তেওঁৰ চকুৰ অগোচৰত ভনীয়েকৰ জীৱনত যিটো ঘটিল—ডাক্তৰী শাস্ত্ৰই জানো সেই বেদনাৰ উপলব্ধি জ্বালকৈ কৰিব পাৰিব?

স্মৃতিয়ে এই একৈশ বছৰীয়া গাভৰুজনীক টানি নিলে পাঁচ বছৰৰ আগৰ অতীতলৈ……এটি নিশালৈ। সেই মিলনৰ নিশাটো তাইৰ কাৰণে আছিল, কাল-নিশা। ধুনীয়া আৰু-স্বাস্থ্যবান সেই ডেকাজনৰ ডিঙিত তাই শেহ নিশা মালা পিন্ধাইছিল আৰু বিয়াৰ অন্তত দৰা-কন্যাই যাত্ৰা কৰোঁতে মটৰ দুৰ্ঘটনাৰ মাজেদি মহাকালে তাইৰ দৰাটোৰ ডিঙিত মৰণৰ মালা পিন্ধালে। উঠি অহা গাভৰু কন্যা এজনীয়ে কোনো দৰাক বৰণ কৰোতে সেই দৰাই যদি মৰণৰ দ্বাৰা বৰণৰ প্ৰতিদান দিয়ে? গিৰিয়েকৰ শটোত অজস্ৰবাৰ উবুৰি খাই পৰি তাই কোটি কোটি বাৰ প্ৰাৰ্থনা জনাইছিল—এবাৰ চকুমেলি চাবলৈ……। পৃথিবীৰ নিয়ঁৰ-তিতা বগা ফুলৰ প্ৰাৰ্থনা ভগৱানে কেতিয়াও নুশুনে, শুনা নাই। তাইৰ মনত মাথোন—এটা গভীৰ সত্যই জীৱনত জাগ্ৰত-প্ৰহৰী হৈ আছে। যিজন দৰাৰ লগত হোমৰ মন্ত্ৰৰ বাহিৰে তাইৰ আৰু আন কথা পাতিবলৈ সময় নহল, সেইজনেই তাইক চিৰদিনলৈ এৰি গুছি গ'ল। যি আকাশত জোন নাই, তৰা আছে, সেই আকাশ উদং—। যি আকাশত পুৱাৰ ৰঙা সূৰুযৰ ফোঁটটো নাই, সেই আকাশ উকা; তাইৰ শিৰত ৰঙা সেন্দুৰ নাই, হিন্দু নাৰী হৈয়ো তাই বিধৱা।

তাইৰ খিৰিকীয়েদি তেতিয়া বিষণ্ণ সন্ধিয়াটো আন দিনাৰ দৰেই নামি আহিছিল! তাইৰ চকুপানীবোৰ মাজে মাজে বাষ্প হৈ আকাশলৈ উৰিছিল।

আজি পাঁচোটা বছৰ তমালে মাক-দেউতাকৰ ঘৰতেই কটাই দিছে। দৰাৰ ঘৰলৈ আৰু যোৱা নহল।

* * *

সূৰ্য্য ঠাকুৰৰ এহালেই ল'ৰা-ছোৱালী। ল'ৰাটো ডাক্তৰী পঢ়ি আছিল বিলাতত আৰু জীয়েক তমালে মাক-দেউতাকৰ 'তুঁহ-জুঁই' হৈ থাকিল চকুৰ আগত।

মাক ঠাকুৰণীয়ে তমালক বগা কাপোৰ পিন্ধাইছিল, ব্ৰত-উপবাস কৰাইছিল, আৰু ধৰ্ম্ম-কৰ্ম্মত লিপ্ত থাকি মনটো ভগবৎ-মুখী কৰাইছিল। আজি পাঁচ বছৰে আঁউসীৰ পিছৰ উপৱাসী জোনৰ দৰে, ব্ৰত-উপবাস, নিৰামিষ ভোজনৰ দ্বাৰা তমালক ব্ৰহ্মচাৰিণী কৰি এজনী আদৰ্শ হিন্দু-বিধবা কৰিবৰ কাৰণে তেখেত-সকল উঠি-পৰি লাগিছিল। পৰ-পুৰুষৰ চকুলৈ চোৱাও যে এনে অৱস্থাত মহাপাপ, এই কথাটো তমালক মাকে এনেদৰে শিক্ষা দিছিল যাৰ ফলত তমালে যি কোনো মানুহ বা নাৰীৰ লগত কথা পাতোতে, সদায় মাটিৰ তললৈ চাই চাইহে কথা কোৱা অভ্যাস হৈ গৈছিল।

মাজে মাজে তমালৰ মনলৈ বেজাৰৰ বান তেতিয়াই আহে যেতিয়া শাস্ত্ৰ আৰু ব্ৰত উপবাসেও তাইৰ দুৰন্ত যৌবনক দূৰলৈ ঠেলি পঠিয়াব নোৱাৰে। আজিও তাই মাহে মাহে ৰজঃস্বলা হয়, তাই মাটিত ডুবৰিৰ বিছনাত শোৱে। কেতিয়াবা শাস্ত্ৰত পঢ়া, ঋতুমতী ঋষিপত্নীয়ে ঋতুদান নোপোৱাৰ বেদনাযুক্ত কাহিনীৰ নায়িকা যেন নিজেই হয়। মাকে, কেতিয়াবা তমালক এজনী সৰু ছোৱালীৰ দৰে বিছনাত শুৱাই থৈ মাজনিশা যেতিয়া তমালৰ টোপনি অহা বুলি ভাবি উঠি গৈ সিটো কোঠাত দেউতাকৰ লগত শুই থাকেগৈ, তেতিয়া সাৰপাই থকা তমালৰ বাৰু কেনে লাগে? এক নিৰ্ব্বাক বেদনাত তাই শেতেলীত ইফালে ছাটি-ফুটি কৰি থাকে—সিফালে সিটো কমৰ কোঠাত মাকে কথাটো গম পাই নীৰৱে কান্দে। মাক-জীয়েকে বহুতো নিশা ইজনীয়ে সিজনীক আঁৰ কৰি মনে মনে কান্দিছে। মাকে কান্দে, জীয়েকে নোপোৱা সুখ তেওঁযে পাইছে, সেই বেদনাত। জীয়েকে কান্দে, যিটো সুখ জীৱনত তাইৰ কেতিয়াও নহ'ল বা নহব, সেই বেদনাত।

ৰাতিবোৰ পুৱায়, আকৌ অভিনয় আৰম্ভ হয়। সান্ত্বনা··· পূজা-সেৱা···বগা কাপোৰ···ফুল-তুলসী আৰু বৈধব্য-ব্ৰত।···

* * *

ঠাকুৰণীয়ে ঘৰটো নালীয়াৰ হতুৱাই চাফ্-চিকণ কৰাইছে। তেখেতৰ মনত মহা আনন্দ। একেটা মাত্র ল'ৰা ভৰত আজি সাতবছৰৰ মূৰত বিলাতৰ পৰা ডাক্তৰী পাছ কৰি আহিব। ছোৱালীৰ সুখেতো তেওঁলোকক আঁতিলেই। এতিয়া ঘৰখনত ভৰতেই একমাত্র আশাৰ থল, হিয়াৰ পোহৰ।

"তমাল!"

"গৈছোঁ, মা!" খিৰিকীৰ ৰেলিঙত ধৰি ইমান পৰে উদাস দৃষ্টিৰে বাহিৰলৈ চাই থকা তমালৰ এতিয়াহে যেন সপোন ভাঙিল।

"আই! ভৰত ৰাতি ন বজাৰ গাড়ীত পাবহি। তাৰ কোঠাটো জাৰি-জোকাৰি থবি। তই জানই সৰুৰে পৰা বৰ-মইনা কিমান পৰিপাটি।"

মাকে কথাবোৰ কৈ যাওঁতে, জীয়েকে ককায়েকৰ চেহেৰাটো মানসিক ভাৱেই যেন মনত পেলাবৰ চেষ্টা কৰিলে। আজি, সাত বছৰে তাই ককায়েকক দেখা নাই। সিবা কেনেকুৱাটো হৈছে এতিয়া?

এনেতে দেউতাক সূৰ্য্য ঠাকুৰে মাকক ক'লে, "ভৰতে যাতে ৰেলষ্টেশ্যনৰ পৰা টেক্সি এখন লৈ আহিব পাৰে, নালীয়াক এঘণ্টামান আগতেই ষ্টেশ্যনলৈ পঠাই দি ব্যৱস্থাটো কৰিবা।"

একমাত্র জীয়েক ফুলতে বাঁৰী হোৱাৰ পৰা ঠাকুৰৰ মন উৰুঁলি গৈছিল। জীয়েকক তেওঁ ইমান মৰম কৰিছিল ভগৱানে সেই-দৰেই প্রতিশোধ ললে। পুতেককো তেওঁ নির্মায়া আৰু সংযত হৈহে মৰম কৰিব। অধিক মৰম কৰিলে ইয়াক বা ভগৱানে কি কৰে!

ঘৰখনত ঠাকুৰণী এগৰাকী আদৰ্শ গৃহিণী। চৰুৰ ভিতৰৰ শাক-মুঠিৰ পৰা আৰম্ভ কৰি, গোসাঁই থাপনাৰ বস্তি-গছিৰ কাৰণে লগা ঘিউকণৰো হিচাপ তেখেতৰ নখ-দর্পণ হৈ থাকে।

মাকে জীয়েকক আদৰৰ সুৰত কোমল কোমলকৈ কলে,

"তমাল! বৰ-মইনাই ঘৰ সোমায়েই তোৰ মলিন মুখখন দেখি জঁয় পৰি যাব। ইমান বছৰৰ মূৰত সি ঘৰ পাবহি। তই মনটো উজ্জলাই থাকিবি, মোৰ আই।"

তমালে উত্তৰ দিলে, "এতিয়াও মনত পৰে মা। ককাই-দেউটো ইমান ধেমেলীয়া। তাক দেখিলে আমাৰ ৰঙহে লাগিব। মন মাৰি থাকিম আকৌ কি বেজাৰত?"

* * *

ৰাতি ন বজাত ভৰত আহি ঘৰ পালে। ঘৰলৈ যেন আনন্দৰ ঢলহে নামি আহিল। নালীয়াকায়ে ৰঙতে চেঁকুৰি চেঁকুৰি ঘৰৰ বন কৰিছে। ভৰতৰ মাকে পুতেকক বিশেষ একো কব পৰা নাই। পুতেকলৈ ইমান দিনৰ সাঁচতীয়া মৰমখিনিয়ে যেন মাকৰ মনত নিৰ্ব্বাক আনন্দৰহে ৰূপ ললে।

দেউতাক সূৰ্য্য ঠাকুৰে "ভৰত! আহিলি!!" বুলি পুতেকক মাত এষাৰ দি গোঁসাই ঘৰ সোমাল।

তমালে ককায়েকৰ ওচৰ চপা নাই। ভৰতেও তাইৰ খবৰ ল'বলৈ বৰ মন কৰা নাই।

মাকৰ দিহা মতেই তমালে ভৰত থকা কোঠাটো আটোম-টোকাৰিকৈ ৰাখিছিল।

* * *

ভাতৰ পাতত বহিয়েই সদানন্দ ভৰতে সকতে চিঞৰাৰ দৰেই চিঞৰিলে, "মা! তমালক মাত, তাইনো কিয় লুকাই লুকাই ফুৰিছে?"

উত্তৰত মাকে মাথোন হুমুনিয়াহ এটাহে পেলালে।

ওচৰতে ঢাৰি এখনত বহি ঘৰখনৰ পুৰণি একান্ত বিশ্বাসী লগুৱা নালীয়াই বাঁহৰ খৰাহী এটা বৈ আছিল।

ওপৰৰ মেজত ভৰতে ভাত খাই আছিল।

নিস্তব্ধতা ভাঙিবলৈ বুলি নালীয়াই মাত লগালে, "বৰ-মইনা! তই বিলাত পাছ কৰি আহিলি নহয়? আকৌ বিলাতলৈ যদি যাৱ, মোকো কিবা এটা কৰি লৈ যাবি, তোৰ লগতে। উভতি আহিলে, একো পৰীক্ষা পাছ নহলেও "বিলাত পাছ' হম।"

নালীয়াৰ কথা শুনি ভৰতে মিচিকিয়াই হাঁহিলে। এনেতে, তমালে চুচুক্-চামাক্কৈ আহি ককায়েকৰ ওচৰতে থিয় হৈ ৰ'ল।

মাকে বিচনী এখনেৰে ভাত খাই থকা পুতেকক লাহে লাহে বিচিছিল।

ভৰতে প্ৰথমে তমালক কি সুধিব তাকে ভাবিছিল।

নালীয়াই আকৌ আৰম্ভ কৰিলে, "বৰ-মইনা, তই বিলাতলৈ যাবৰ দিনা যি দুটা মাছ অনা হৈছিল, তেনে ডাঙৰ মাছ আমি জীৱনত দেখা নাই।"

কোনটো কথা কোনখিনিত ক'ব লাগে, নালীয়াই সেইখিনি ভু নৰখাটোৱেই তাৰ যি দোষ।

ভৰতেও আগৰ সৰু ল'ৰাটোৰ দৰেই একো নভবাকৈ হঠাতেই কৈ উঠিল, "এৰা, আজিহে জনম-সুদা ভাত। মাৰ ছাগৈ মোলৈ মৰম কমিল। জীয়েকলৈহে মৰম বাঢ়িল।"

ৰঙিয়াল ভৰতটোৱে ভাত খাই থাকোঁতেই একে উশাহে কথাখিনি কৈ পেলালে—আৰু সম্মতিসূচক ইঙ্গিত পাবলৈ ভনীয়েকৰ চকুলৈ চালে। তমালে, অলপ হাঁহি যেন কৰিলে। ককায়েকক দুখ দিয়া ব্যৱহাৰ নকৰিবলৈ মাকে তাইক আগতেই কৈ থৈছিল।

ভৰতে তমালৰ শুধ বগা-সাজ, আৰু হাঁহিৰে ভৰা সজল চকু দুটালৈ আকৌ এবাৰ মাত্ৰ চাই হঠাতে পাঁচ বছৰ মান আগতে বিলাতত থাকোঁতেই মাকৰ পৰা চিঠি এখনৰ শাৰী কেইটামানলৈ মনত পৰি গ'ল……"বৰ-মইনা! তমাল আমাৰ লগতে আছে,

সঁদায় থাকিব। ঘৰখনত মাছ-মঙহ আৰু কেতিয়াও বন্ধা নহ'ব। তাইক আগত লৈ মই আৰু দেউতাৰে কোনটো সতেৰে বাৰু মাছ-মঙহ ৰান্ধি খাওঁ······?"

মূৰ দাঙি আকৌ এবাৰ ভৰতে ভনীয়েকৰ চকুলৈ চালে। হঠাৎ সি গহীন হৈ পৰিল।

ইতিমধ্যে কাঠি-কামিৰ কাম এৰি অনুতপ্ত নালীয়া আঁতৰ হৈ গৈছিল। ৰুকায়েকক দুখ নিদিয়াকৈ কান্দিবলৈ তমাল ভিতৰ সোঁমাই গ'ল।

পৰিবেশটোৰ পৰাই ভৰতে এতিয়াহে যেন অনুভৱ কৰিলে যে তাৰ ভনীয়েক সঁচাকৈয়ে বিধবা। ভৰতৰ মনটো বিন্ধি দিলে, মাছে নহয়, যেন মাছৰ ডাঙৰ কাঁইট এডালে। ঘৰখনৰ নীৰৱ গহীনতা অসহ্য লগাত ভৰতে চিঞঁৰি দিলে, "মা! কথা কোৱা! কথা কোৱা!"

কথা নোকোৱা মাকে য'ৰে ভাত ত'তে এৰি ভৰতৰ ডিঙিত ধৰি উচুপি উঠিল।

Hall & Library